www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


পৃথিৱীত সেইজনেই আটাইতকৈ শক্তিশালী যি সকলো প্ৰত্যাহ্বানতো অকলশৰে থিয় হৈ থাকিব পাৰে। – হেৰিক হ'বচেন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২১২ | মঙ্গলবাৰ | ১৪ অক্টোবৰ, ২০২৫ চন | ২৮ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 212 | Tuesday | 14th October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

জুবিন গাৰ্গৰ হত্যাৰ তদন্তত চি আই ডিৰ বৃহৎ সাফল্য

## সিদ্ধাৰ্থ শৰ্মাৰ নিৰ্দেশত মোবাইলৰ পৰা ভিডিঅ' ডিলিট কৰিছিল অমৃতপ্ৰভাই



### উদ্ধাৰ হ'ল অমৃতপ্ৰভাৰ মোবাইলৰ পৰা শেষ মুহূৰ্তৰ সম্পূৰ্ণ ভিডিঅ'

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ হত্যাৰ ঘটনাৰ তদন্তত নিয়োজিত চি আই ডিৰ বিশেষ তদন্তকাৰী দলে (এছ আই টি) এক গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। তদন্তৰ অংশ হিচাপে দলটোৱে অমৃতপ্ৰভা মহন্তৰ মোবাইল ফোনত ৰেকৰ্ড হোৱা জুবিনৰ ৬ পৃষ্ঠাত

CIDৰ কাৰ্যালয়ত জলংছা নিবাসী নাৰ্জাৰী, পৰিক্ষীত শৰ্মা, সিদ্ধাৰ্থ বৰা, সুস্মিতা গোস্বামী আৰু দেৱজিত হাজৰিকা

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত; ৫ প্ৰৱাসী অসমীয়াক জেৰা

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ** শিল্পী জুবিন গাৰ্গৰ ট্ৰেজেডিক লৈ সৃষ্টি হোৱা পৰিস্থিতিত আজি পাঁচগৰাকী ছিংগাপুৰ প্ৰৱাসী অসমীয়াক CID ৰ কাৰ্যালয়ত জেৰা কৰা হৈছে। বুধবাৰে পুৱাতে CIDৰ কাৰ্যালয়ত উপস্থিত হৈছিল জলংছা নিবাসী নাৰ্জাৰী, পৰিক্ষীত শৰ্মা আৰু সিদ্ধাৰ্থ বৰা। খন্তেকৰ পিছতেই তেওঁলোকৰ লগত যোগদান কৰে ৬ পৃষ্ঠাত






এছআইটিৰ স্পষ্টীকৰণ

### ৰাজহুৱা নহ'ব জুবিন গাৰ্গৰ মৰণোত্তৰ ৰিপৰ্ট


**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ** শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তকাৰী বিশেষ দলে (এছআইটি) তেওঁৰ ৬ পৃষ্ঠাত

পত্নী-ভগ্নীৰ সহযোগ কৰাৰ আহ্বান; লাখ, লাখ লোকৰ সামাজিক মাধ্যমত পোষ্ট

# জুবিনৰ ন্যায়ৰ দাবীত ডিজিটেল আন্দোলন

#we_Need_ZubeenGargJustice_within_10days, #JusticeForZubeenGarg হেচটেগেৰে প্ৰতিবাদ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩অক্টোবৰ ঃ** সামাজিক মাধ্যমত তীব্ৰতৰ হৈ পৰিছে জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ ন্যায়ৰ দাবী। শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ ন্যায়ৰ দাবীত এতিয়া সামাজিক মাধ্যমত আৰম্ভ হৈছে ডিজিটেল আন্দোলন। হেচটেগ #we_Need_ZubeenGargJustice_within_10days, ##JusticeForZubeenGarg লিখি ন্যায়ৰ দাবীত সৰৱ হৈ পৰিছে অসংখ্য অনুৰাগীয়ে। উল্লেখ্য যে ৬ পৃষ্ঠাত




## আজি বিটিচিৰ পঞ্চম কাৰ্যবাহী পৰিষদৰ ১২ সদস্যৰ শপতগ্ৰহণ

হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত চূড়ান্ত তালিকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১৩ অক্টোবৰ ঃ** বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি)ৰ পঞ্চম কাৰ্যবাহী পৰিষদৰ ১২জন কাৰ্যবাহী সদস্যৰ শপতগ্ৰহণ অনুষ্ঠান আগন্তুক ১৪ অক্টোবৰত কোকৰাঝাৰৰ বড়োফা নগৰস্থিত বিটিচি বিধান পৰিষদ ভৱনত অনুষ্ঠিত হ'ব। ৬ পৃষ্ঠাত

### কাইলৈ ঘোষণা হ'ব চতুৰ্থ শ্ৰেণীৰ পদৰ ফলাফল

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে এক গুৰুত্বপূৰ্ণ ঘোষণা ৬ পৃষ্ঠাত

### জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অ.জা.যু.ছা.প.ৰ কাৰ্যসূচী

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক ৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তক লৈ আজি অসম আৰক্ষীৰে বিশিষ্ট ব্যক্তিৰে আলোচনা



## SITৰ বৈঠকত অংশ নলয় আছুৰ প্ৰতিনিধিসহ আঠজনে

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ প্ৰেক্ষাপটত অসম আৰক্ষীয়ে মঙলবাৰে এক গুৰুত্বপূৰ্ণ আলোচনাৰ আয়োজন কৰিছে। এই বৈঠকত ৰাজ্যৰ ১৩ গৰাকীৰো অধিক বিশিষ্ট ব্যক্তিৰ সৈতে অসম আৰক্ষীৰ শীৰ্ষ ৬ পৃষ্ঠাত

উদ্ভাৱন আৰু গঠনমূলক বিঘটনৰ গুৰুত্ব স্বীকৃত

## তিনি অধ্যাপকলৈ ২০২৫ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল বঁটা



**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ** ২০২৫ বৰ্ষৰ অৰ্থনীতি বিজ্ঞানৰ ন'বেল বঁটাৰ বাবে তিনিগৰাকী বিশিষ্ট ৬ পৃষ্ঠাত

### সিদ্ধাৰ্থ শৰ্মাৰ পানীৰ ফেক্টৰী চীল এছআইটিৰ

**ষ্টাফ ৰিপ'টাৰ, মহানগৰ, ১৩ অক্টোবৰ ঃ** জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ পানী ফেক্টৰীত অভিযান চলাই এছ আই টিয়ে। খবৰ অনুসৰি, অভিযানৰ অন্তত এছ আই টিয়ে উক্ত পানী ফেক্টৰীটো চীল কৰিছে। মহাবীৰ একুৱা নামৰ এই ৬ পৃষ্ঠাত

শ্যামকানু মহন্তৰ পত্নীক লৈ অভিযোগ লুৰিণজ্যোতি গগৈৰ

## চীল কৰা ঘৰত শ্যামকানুৰ পত্নীৰ এণ্ট্ৰি !



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ** অসমৰ সাংস্কৃতিক শিল্পী জুবিন গাৰ্গৰ সিংগাপুৰত হঠাৎ মৃত্যুৰ তদন্তৰ পটভূমিত অসম জাতীয় পৰিষদ (এজেপি)ৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে গুৱাহাটীত ৬ পৃষ্ঠাত


গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পুনৰ্নিৰ্মাণৰ কাম আৰম্ভ

## অসমৰ চিকিৎসা ব্যৱস্থাৰ উন্নয়নৰ বাবে ৪২৮৭ কোটি টকাৰ পৰিকল্পনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ** অসমৰ চিকিৎসা ব্যৱস্থাৰ মানোন্নয়নৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ৪২৮৭ কোটি টকাৰ এক বৃহৎ পৰিকল্পনাৰ বাবে অনুমোদন প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ৬ পৃষ্ঠাত

### অজাপ নেতা লুৰিণজ্যোতি গগৈৰ বিৰুদ্ধে ৰিণিকি ভূঞা শৰ্মাৰ অপৰাধমূলক মানহানিৰ গোচৰ


**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ** অসমৰ ৰাজনৈতিক ক্ষেত্ৰত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে এটা অপৰাধমূলক মানহানি গোচৰৰ ঘটনাই। প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টৰ পৰিচালক তথা অসমৰ ৬ পৃষ্ঠাত




ৰাজ্য চৰকাৰে জাৰি কৰিছে বিশেষ নিৰ্দেশনা আৰু SOP

## যিকোনো সময়তে যাব নোৱাৰিব জুবিন গাৰ্গৰ সমাধিস্থলীলৈ

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ** অসমৰ মহানায়ক জুবিন গাৰ্গৰ সমাধিস্থলীত ভক্তসকলৰ অত্যধিক ভিৰৰ ফলত অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱাৰ পিছত ৰাজ্য চৰকাৰে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনাৰ মূল লক্ষ্য হৈছে সমাধিস্থলীত নিৰাপত্তা বজাই ৰখা আৰু ভক্তসকলৰ নিৰাপদ প্ৰৱেশ-প্ৰস্থান নিশ্চিত ৬ পৃষ্ঠাত



### ডিব্ৰুগড় কপালে লাখ লাখ আছাই

**ষ্টাফ ৰিপ'টাৰ, ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** অসমৰ চাহ বাগিচা আৰু ৰাজ্যখনৰ চুকে-কোণে বসবাস কৰা চাহ জনগোষ্ঠীয় লোকসকলক অনুসূচীত জনজাতিৰ মৰ্যাদা ৬পৃষ্ঠাত



জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত

### মুখ্যমন্ত্ৰীক কেন্দ্ৰীয় সংস্থাৰ আওতালৈ আনিবলৈ দাবী লুৰীণজ্যোতি গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ অক্টোবৰ ঃ** অসমৰ মহানায়ক জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ ঘটনাৰ আজি ২৫ দিন অতিক্ৰম ৬ পৃষ্ঠাত




চৰকাৰৰ বিপথে পৰিচালনাৰ অভিযোগ

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ প্ৰক্ৰিয়াত অসন্তুষ্ট গৌৰৱ গগৈ

**ষ্টাফ ৰিপ'টাৰ, তেজপুৰ, ১৩ অক্টোবৰ ঃ** অসমৰ মহানায়ক জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ প্ৰক্ৰিয়াৰ প্ৰতি গভীৰ অসন্তোষ প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে। তেজপুৰত সংবাদ মাধ্যমৰ সন্মুখত তেওঁ কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত যিধৰণে ৬ পৃষ্ঠাত

# হীৰক জয়ন্তী উপলক্ষে সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন

**অসম বাৰ্তা, ধনশিৰি, ১২ অক্টোবৰ ঃ** ৭০টা বসন্ত অতিক্ৰম কৰিলে সৰুপথাৰ সমজিলাৰ গৌৰৱউজ্জ্বল পি, এম, শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে। সেয়েহে আগন্তুক ২৬, ২৭ আৰু ২৮ডিচেম্বৰ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হীৰক জয়ন্তী উদযাপন কৰিবলৈ আগবাঢ়িছে বিদ্যালয়খনে। ইতিমধ্যে হীৰক জয়ন্তী উদ্‌যাপনৰ প্ৰায়বিলাক কামকাজ ক্ষিপ্ৰতাৰে আগবাঢ়িছে। শনিবাৰে পি, এম, শ্ৰী, সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হীৰক জয়ন্তী উদযাপনৰ উপলক্ষে এখনি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন অনুষ্ঠিত হয়। সম্পাদক দ্বিপেন কুমাৰ বৰাই আঁত ধৰা সন্মিলনখনৰ সভাপতিত্ব কৰে হীৰক জয়ন্তীৰ উদযাপন সমিতিৰ সভাপতি মাধুৰ্য শইকীয়াই। বিদ্যালয়খনৰ অধ্যক্ষা তথা উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক মিতালী বৰাই আদৰণি ভাষণ প্ৰদান কৰা সভাখনৰ উদ্দেশ্যে ব্যাখ্যা কৰে প্ৰাক্তন ছাত্ৰ তথা অধ্যাপক পলাশ সন্দিকৈয়ে। সভাখনত বিশেষকৈ পি, এম, শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আগন্তুক হীৰক জয়ন্তী অনুষ্ঠানৰ ২৭ ডিচেম্বৰ তাৰিখে অৰ্থাৎ দ্বিতীয় দিনা অনুষ্ঠিত হবলগীয়া প্ৰাক্তন ছাত্ৰ সমাৰোহ সন্দৰ্ভত বিশদ আলোচনা হয়। সন্মিলনত উপস্থিত অৱসৰপ্ৰাপ্ত শিক্ষক সিদ্ধেশ্বৰ শইকীয়া, নৰেন চুতীয়া, লোক সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰা, শিক্ষাবিদ অমিয় কোঁৱৰ, অৱসৰী শিক্ষক নিৰঞ্জন ভট্টাচাৰ্য, প্ৰাক্তন ছাত্ৰ ভুবন কোঁৱৰকে ধৰি বহু কেইজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ বক্তব্য প্ৰদান কৰাৰ লগতে দিহা-পৰামৰ্শ আগবঢ়াই। সন্মিলনখনত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। হীৰক জয়ন্তী উদ্‌যাপনৰ মুখ্য সম্পাদক মিতালী বৰা আৰু উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে সকলো শিক্ষক-শিক্ষয়িত্ৰী, অৱসৰী শিক্ষক, প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু সকলো শুভাকাংক্ষীক হীৰক জয়ন্তী উদ্‌যাপনৰ তিনিওটা দিনৰ প্ৰতিটো কাৰ্যসূচীত উপস্থিত থাকি অনুষ্ঠানভাগি সফল কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ বিনম্ৰতাৰে অনুৰোধ জনাইছে।

### টংলাবাসী ৰাইজৰ এজাহাৰ

# টংলাত দুষ্কৃতিকাৰীয়ে আছুৰ ভুৱা ৰচিদ ব্যৱহাৰ কৰি জুবিন গাৰ্গৰ অনুষ্ঠানৰ নামত অৰ্থ সংগ্ৰহ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১২ অক্টোবৰ ঃ** অসমৰ প্ৰাণৰ শিল্পী যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰুৱ জুবিন গাৰ্গৰ অনুষ্ঠান কৰাৰ নামত একাংশ ভুৱা ছাত্ৰ নেতাই এতিয়া ধন সংগ্ৰহ কৰা কাৰ্যত নামি পৰিছে। যাৰ ফলত প্ৰাণৰ শিল্পী জনক এক প্ৰকাৰৰ অপমান কৰা হৈছে। ওদালগুৰি জিলাৰ টংলাত সংঘটিত হয় এনে কুকৰ্ম। উল্লেযোগ্য যে যুগান্তৰ বিড়ি পাইকাৰী টংলাৰ মেনেজাৰৰ পৰা আজি টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ ভুৱা ৰচিদ ব্যৱহাৰ কৰি জুবিন গাৰ্গৰ অনুষ্ঠানৰ নামত অৰ্থ সংগ্ৰহ কৰে কেইজনমান দুস্কৃতিকাৰীয়ে। ঘটনাৰ সন্দৰ্ভত টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয় ববীয়াৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক চিণ্টুমণি চক্ৰৱৰ্তীয়ে তদন্ত কৰাৰ ঘটনাটো পোহৰলৈ আহে যে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ হেতু টংলা জুবিন গাৰ্গ ফেন ক্লাবৰ উদ্যোগত আৰু বৃহত্তৰ টংলা বাসী ৰাইজৰ সহযোগত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ১৩ দিনীয়া এটি অনুষ্ঠান অনুষ্ঠিত হৈ যায়। শ্ৰদ্ধাজলি অনুষ্ঠান খনৰ বাবে ৰাইজে সিদ্ধান্ত লৈছিল যে কোনো ধৰণৰ চান্দা উঠোৱা নহ'ব, কিন্তু দুৰ্ভাগ্যজনক ভাৱে টংলা বৰজলাহ নিবাসী প্ৰাক্তন আছু নেতা প্ৰাঞ্জল ডেকাই আছুৰ ৰচিদ ব্যৱহাৰ কৰি জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ নামত টংলা জালুকবাৰী স্থিত ওম ভাণ্ডাৰৰ পৰা ১, ৫০০ টকা আৰু টংলা চাৰিআলি স্থিত যুগান্তৰ বিড়ি পাইকাৰী দোকানৰ পৰা ২, ০০০ টকা চান্দা সংগ্ৰহ কৰে। আনহাতে মেনেজাৰৰ টোকা বহীত লিখা থকা মোবাইল নম্বৰটো টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰাঞ্জল ডেকাৰেই হয়। ইতিমধ্যে টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা স্পষ্টীকৰণ দি স্পষ্ট কৰি দিয়া আছে যে অতি সোনকালে দুস্কৃতিকাৰীজনক বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ পবিত্ৰ সংবিধানৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাস আৰু সম্পাদক কংকন দাসে সংবাদ মাধ্যমৰ যোগেদি স্পষ্টীকৰণ দিয়ে। আনহাতে টংলাবাসী ৰাইজে প্ৰাঞ্জল ডেকাৰ বিৰুদ্ধে কঠোৰ ব্যবস্থা গ্ৰহণ কৰিবলৈ টংলা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে।

# প্ৰধানমন্ত্ৰীৰ ধন-ধান্য কৃষি যোজনা আৰু ১,১০০ৰো অধিক আঁচনিৰ উদ্বোধনী অনুষ্ঠানৰ লাইভ সম্প্ৰচাৰন ওদালগুৰি কৃষি বিজ্ঞান কেন্দ্ৰত

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১২ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনা, ৰাষ্ট্ৰীয় ডাল মিছন তথা ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ অধীনত ১, ১০০ৰো অধিক আঁচনি আৰু উদ্যোগ উদ্বোধন কৰে। এই আঁচনিসমূহে দেশজুৰি কৃষকৰ কল্যাণ, উৎপাদনক্ষমতা বৃদ্ধি আৰু সহায়-সমৰ্থন প্ৰদানত এক নতুন দিশ নিৰ্দেশ কৰিব বুলি আশা প্ৰকাশ কৰা হয়। এই কাৰ্য্যসূচীখন ওদালগুৰি কৃষি বিজ্ঞান কেন্দ্ৰত ওদালগুৰি জিলাৰ কৃষি বিষয়াৰ কাৰ্যালয়ৰ সহযোগিতাত লাইভ প্ৰসাৰণ কৰা হয় য'ত মুঠ ২৫২জন কৃষক আৰু কৃষক উৎপাদন সংঘ (FPC)ৰ সদস্যই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানটোৰ ড° হিমাদ্ৰি ৰাভাৰ আদৰণী ভাষণৰে আৰম্ভ কৰা হয়। ড° দিগন্ত শৰ্মা, জ্যেষ্ঠ বিজ্ঞানী তথা ওদালগুৰি কে ভি কে'ৰ মুৰব্বী, দ্বিজেন চৌধুৰী, জিলাৰ কৃষি বিষয়া, কুলেন্দ্ৰ ডেকা, উপ-বিভাগীয় কৃষি বিষয়া, ওদালগুৰি, ইউছুফ আলী, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়াৰ লগতে ড° পল্লৱী ডেকা, ড° প্ৰদীপ ৰাজবংশী, ড° নিশিতা পাঠক, প্ৰিয়ংকা বৰা, ধ্ৰুৱ জ্যোতি শৰ্মা, বিকাশ নগৰিয়া আৰু বিৰজ কুমাৰ নেওগকে ধৰি ওদালগুৰি কে ভি কে'ৰ সকলো উচ্চপদস্থ বিষয়া তথা কৰ্মচাৰী সকলে অনুষ্ঠানটোত উপস্থিত থাকে। ড° দিগন্ত শৰ্মাই নৱ উদ্বোধিত আঁচনিসমূহে স্থানীয় কৃষকৰ বাবে কেনেদৰে লাভজনক হ'ব পাৰে সেই বিষয়ে আলোকপাত কৰি বৈজ্ঞানিক প্ৰযুক্তি গ্ৰহণ আৰু সমাজিকভাৱে একেলগে কাম কৰাৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। দ্বিজেন চৌধুৰীয়ে এই আঁচনিসমূহে ডাল উৎপাদন বৃদ্ধি আৰু খাদ্য সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। কে ভি কে ওদালগুৰিৰ SMS কপিল দেৱ নাথে কৃষকসকলক চৰকাৰৰ আঁচনি সম্পৰ্কে সজাগ হ'বলৈ আৰু সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। লাইভ প্ৰসাৰণৰ পাছত কৃষক-বিজ্ঞানী মতামত অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত কৃষকসকলে বিজ্ঞানীসকলৰ সৈতে মত বিনিময় কৰি নতুন আঁচনি সমূহৰ প্ৰায়োগিক দিশসমূহ জানিবলৈ সুযোগ লাভ কৰে। কৃষকসকলে চৰকাৰৰ কৃষি বহুমুখীকৰণ, বীজৰ উপলব্ধতা বৃদ্ধি আৰু গ্ৰাম্য অৱকাঠামো উন্নয়নৰ প্ৰচেষ্টাক প্ৰশংসা কৰে। অনুষ্ঠানৰ অন্তত প্ৰণবেশ বৰুৱাই শলাগৰ শৰাই আগবঢ়ায় আৰু সফলতাৰে সমাপ্তি কৰা হয়।

# ডুমডুমাত 'চাহ নগৰী অতিথিশালা' উদ্বোধন মন্ত্ৰী ৰূপেশ গোৱালাৰ



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৩ অক্টোবৰ ঃ** ডুমডুমাৰ পুৰণি এ. টি. ৰোডত প্ৰায় আঢ়ৈ কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰা অত্যাধুনিক 'চাহ নগৰী অতিথিশালা'টো আজি ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। 'জনতাৰ শিল্পী' জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে ডুমডুমা সম-জিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনে। অতিথিশালাটো উদ্বোধন কৰি দিয়া ভাষণত মন্ত্ৰী গোৱালাই কয় যে এশ বছৰ পুৰণি ডুমডুমা নগৰত এটি অত্যাধুনিক অতিথিশালাৰ অভাৱ বহু দিনৰ পৰাই অনুভৱ কৰি অহা হৈছিল। বিভিন্ন সময়ত চৰকাৰী অতিথি, মুখ্যমন্ত্ৰী তথা অন্যান্য মন্ত্ৰী, আদি ডুমডুমালৈ আহিলে জিৰণি ল'বলৈ অথবা নিশা কটাবলৈ বাবে এটা অতিথিশালাৰ প্ৰয়োজন আছিল। সেয়ে বিভিন্ন শিতানৰ পৰা পুঁজি আনি এই দুমহলীয়া অতিথিশালাটো নিৰ্মাণ কৰি উলিওৱা হৈছে। ইয়াৰ ভূমি মহলাত এটা অত্যাধুনিক সভাগৃহ আৰু প্ৰথম মহলাত তিনিটা অত্যাধুনিক কোঠা নিৰ্মাণ কৰা হৈছে। ভৱিষ্যতে ওপৰত আৰু দুটা মহলাত তিনিটাকৈ মুঠছটা কোঠা নিৰ্মাণৰ সুবিধা আছে। এই অতিথিশালাটো ডুমডুমা পৌৰসভাই পৰিচালনা কৰিব আৰু ইয়াৰ বাবে নিৰ্ধাৰিত ভাড়া দি ৰাইজে ইয়াক ব্যৱহাৰ কৰিব পাৰিব বুলি মন্ত্ৰী গোৱালাই সভাত জানিবলৈ দিয়ে। তেওঁ আগন্তুক দিনত ডুমডুমাত ৰূপায়ণ হ'বলগীয়া বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে উল্লেখ কৰি কয় যে অহা নৱেম্বৰ মাহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডুমডুমালৈ আহি এই আঁচনিসমূহৰ শিলান্যাস কৰিবহি। আজিৰ এই উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ চাহ শ্ৰমিক কল্যাণ আয়ুক্ত কণপাই দাসে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এই অতিথিশালাটোৱে ডুমডুমাৰ এটা বহুদিনীয়া অভাৱ পূৰণ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। ডুমডুমা পৌৰসভাৰ পাৰিষদ নয়ন ডেকাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত পদ্মশ্ৰী বঁটা বিজয়ী লোক সংগীত শিল্পী দুলাল মানকি, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা সম-জিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈ, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, ডুমডুমা পৌৰসভাৰ কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমাই, ডুমডুমা আঞ্চলিক পঞ্চায়তৰ সভাপতি ভাৰত ভাজনী, প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি, শিক্ষাবিদ আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

### জিলাখনৰ ৫ বছৰ অনুৰ্ধ্বৰ ১, ৯২, ৭১৬ গৰাকী শিশুক দুটোপাল পলিঅ' ভেকচিন প্ৰদানৰ লক্ষ্য

# ডিব্ৰুগড় ৰাজ্যিক চিকিৎসালয়ত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস উদ্বোধন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত, ডিব্ৰুগড় ৰাজ্যিক চিকিৎসালয় চৌহদত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱসৰ (প'লিঅ' দিৱস) শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। আজীৱন পক্ষাঘাতৰ সৃষ্টি কৰিব পৰা পলিঅ'মাই লাইটিছ ৰোগৰ পৰা শিশুসকলক সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্যেৰে এই অভিযানৰ অধীনত জিলা খনৰ সকলো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ অঞ্চল আৰু নগৰ অঞ্চলৰ ৫ বছৰ অনুৰ্ধ্বৰ ১, ৯২, ৭১৬ গৰাকী শিশুক দুটোপাল পলিঅ' ভেকচিন প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই বিশেষ কাৰ্যসূচীৰ মূল লক্ষ্য হ'ল 'প্ৰতিটো শিশুক প্ৰতিষেধকৰ আওতালৈ অনা', যাতে দেশখনৰ পলিঅ'- মুক্তস্থিতি নীৰৱচ্ছিন্নভাৱে বজাই ৰাখিব পৰা যায়। ইয়াৰ বাবে সমগ্ৰ জিলাখনত মুঠ ৯৫৪টা পলিঅ' বুথ স্থাপন কৰা হৈছে। একেদৰে সমগ্ৰ কাৰ্যসূচী সফলভাৱে সম্পাদন কৰিবলৈ মুঠ ৩, ৭১০ গৰাকী স্বাস্থ্যকৰ্মী নিয়োজিত কৰাৰ লগতে প্ৰতিটো বুথত প্ৰশিক্ষিত স্বাস্থ্যকৰ্মী, আশা, অংগনৱাড়ী কৰ্মী আৰু স্বেচ্ছাসেৱক নিযুক্ত কৰা হৈছে। একেদৰে, ট্ৰেনজিট পইণ্ট, বাছ ষ্টেণ্ড ৰে'লৱে ষ্টেচন, বজাৰ আৰু অন্যান্য জনবহুল স্থানসমূহত যাতায়াতকাৰী শিশুসকলক সুৰক্ষিতভাৱে দুটোপাল প'লিঅ' খুৱাবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আনহাতে যিসকল শিশুয়ে কোনো কাৰণ বশত: বুথত উপস্থিত হৈ প'লিঅ' প্ৰতিষেধক সেৱন কৰিব নোৱাৰিলে তেওঁলোককো প্ৰতিষেধকৰ আওতালৈ আনিবলৈ ১২ অ'ক্টোবৰৰ বুথ দিৱসৰ পিছত ১৩ আৰু ১৪ অক্টোবৰত ঘৰে-ঘৰে প্ৰতিষেধক স্বাস্থ্য কৰ্মী য়ে প্ৰদান কৰিব। এই অভিযানৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগ আৰু জিলা প্ৰশাসনে ডব্লিউ এইচ অ', ৰটাৰী ক্লাব, আৰু অন্যান্য স্থানীয় সংগঠনসমূহৰ সহযোগত ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰিছে। জিলা স্বাস্থ্য বিভাগে, সেয়েহে সকলো পিতৃ-মাতৃ আৰু অভিভাৱক সকলক তেওঁলোকৰ পাঁচ বছৰৰ তলৰ সন্তানক এই জীৱন ৰক্ষাকাৰী দুটোপাল পলিঅ' ভেকচিন সেৱন কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে আজিৰ এই উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তৃষ্ণা বৰা, অতিৰিক্ত মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ বিশ্বজিৎ বৰুৱা, ভাৰপ্ৰাপ্ত টীকাকৰণ বিষয়া ডাঃ ৰাণী চুতীয়া হুছেইন, ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ উৎপলা বৰুৱা, এ বি পি এম বসন্ত বৰদলৈ প্ৰমুখ্যে চিকিৎসালয়ৰ সমূহ কৰ্মচাৰী -স্বাস্থ্য কৰ্মী আৰু অতিৰিক্ত মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়াৰ কাৰ্য্যালয় তথা টীকাকৰণ বিষয়াৰ কাৰ্য্যালয়ৰ কৰ্মী বৃন্দ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, ডিব্ৰুগড়ৰ কৰ্মচাৰী সকল উপস্থিত থাকে।

# অভিযুক্ত পৰেশৰ পুনৰ আটছাত যোগদানৰ প্ৰস্তুতি

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১৩ অক্টোবৰ ঃ** সময় সলনি হ'ল। আগৰ দৰে এতিয়া সততা, মূল্যবোধৰ কোনো মূল্য নাইকিয়া হৈ পৰিছে আমাৰ সমাজত। ইয়াত হাত উজান দিছে সমাজ পৰিৱৰ্তনৰ দায়িত্বত থকা দল-সংগঠনসমূহে। দেশৰ ৰাজনীতিত যিদৰে একাধিক গোচৰত অভিযুক্তসকলেহে অগ্ৰাধিকাৰ পায় একেদৰে বিভিন্ন ছাত্ৰ সংগঠনতো তেনে ব্যক্তিয়েই অগ্ৰাধিকাৰ পোৱা পৰিলক্ষিত হৈছে। মন কৰিবলগীয়া যে অসমৰ সবাতোকৈ অৱহেলিত আৰু বঞ্চিত জনগোষ্ঠীটোৱেই হ'ল চাহ জনগোষ্ঠী। চাহ জনগোষ্ঠীৰ সমস্যা, উন্নয়ন সম্পৰ্কত মাত মাতিবলগীয়াকৈ জনগোষ্ঠীটোৰ দুটাকৈ ছাত্ৰ সংগঠন অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু অসম আদিবাসী ছাত্ৰ সন্থা। বিভিন্ন সময়ত এই সংগঠন দুটাই চাহ জনগোষ্ঠীৰ উন্নয়নৰ কাৰণে সজোৰে মাত মাতি আহিলেও শাসকীয় পক্ষৰ প্ৰৰোচনা আৰু প্ৰলোভনত শেষত গৈ মূৰ পোলোকা মৰাই পৰিলক্ষিত হৈ আহিছে। এই অভিযোগেৰে দণ্ডিত হৈ আহিলেও ছাত্ৰ সংগঠন দুটাই গুৰুত্ব নিদিলেও শেহতীয়াকৈ অসম চাহ জনজাতি ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতিৰ দৌৰত আগবাঢ়িছে এজন বিতৰ্কিত ছাত্ৰ নেতা। আমালৈ অহা শেহতীয়া এক খবৰৰ মতে নতুনকৈ গঠন হ'বলগীয়া অসম চাহ জনজাতি ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতিৰ দৌৰত আগবাঢ়ি আছে বিতৰ্কিত তথা বিভিন্ন সামাজিক অপৰাধত অভিযুক্ত পৰেশ গোৱালা। আটছাৰ সাংবিধানিক নীতি অনুসৰি আটছাৰ কোনো ছাত্ৰ নেতা ৰাজনৈতিক দলৰ লগত সম্পৰ্ক থাকিব নোৱাৰিলেও পৰেশ গোৱালা নামৰ ছাত্ৰ নেতাজন ২০০৩ চনৰ ১৯ অক্টোবৰ তাৰিখে প্ৰবীণ বৰঠাকুৰ পৰ্যৱেক্ষক হিচাবে উপস্থিত থকা সভাত অসম গণ পৰিষদৰ বৰগুৰি আঞ্চলিক সমিতিৰ তথ্য আৰু প্ৰচাৰ সম্পাদকৰ পেনেলত নিজৰ নাম অন্তৰ্ভুক্ত কৰাৰ তথ্য আমাৰ হাতত পৰিছেহি। অন্যহাতে পৰেশ গোৱালাৰ নিৰ্দেশত মাৰ-পিটৰ দৰে অসামাজিক ঘটনা ঘটাৰ বিৰুদ্ধে থানাত ৰাজহুৱা অভিযোগ প্ৰদান কৰা হৈছিল যোৱা ১৯ ছেপ্টেম্বৰ ২০২৫ তাৰিখে। তদুপৰি এইজন নেতাৰ বিৰুদ্ধে সামাজিক অপৰাধত জড়িত হোৱাৰ অভিযোগত ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয়ৰ পৰা যোৱা ১৯ আগষ্ট ২০২৫ তাৰিখে ২২৬/২৫ কেছ নম্বৰৰ বিপৰীতে দুজন সাক্ষীক চমন প্ৰেৰণ কৰা হৈছিল। মন কৰিবলগীয়া যে অসম চাহ জনজাতি ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতিৰ দৌৰত আগবাঢ়ি থকা এইজন পৰেশ গোৱালাই ৬ নং ৱাৰ্ডৰ পৰা সদস্য পদত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰিছিল। বিভিন্ন অভিযোগেৰে অভিযুক্ত এনে এজন নেতাই ধন আৰু ৰাজনৈতিক ক্ষমতাৰ জৰিয়তে বিগত সময়ছোৱাত আটছাৰ গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি অহাৰ পিছতো পুনৰ জিলা সমিতিৰ সভাপতি হ'বলৈ মন মেলিছে। এনে এজন বিতৰ্কিত ছাত্ৰ নেতাক আটছাৰ তিনিচুকীয়া শাখা সমিতিয়ে তিনিচুকীয়া জিলা অধিৱেশনলৈ মূল প্ৰতিনিধি হিচাবে প্ৰেৰণ কৰা কাৰ্যই সন্দেহৰ সৃষ্টি কৰিছে। একাধিক সামাজিক তথা ন্যায়িক অভিযোগত অভিযুক্ত পৰেশ গোৱালাই কি শক্তিৰে বলীয়ান হৈ অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ পবিত্ৰ মজিয়াত বাৰে বাৰে নিজৰ স্থিতি বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে? প্ৰশ্ন হয় এনে একাধিক অভিযোগত অভিযুক্ত পৰেশ গোৱালাই কি ক্ষমতা আৰু শক্তিৰ বলত অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ সভাপতিৰ দৌৰত চামিল হৈছে? অসম চাহ জনজাতি ছাত্ৰ সন্থা এইবোৰ বিষয়ত মৌন থকাৰ কাৰণ কি? নে কাৰোবাৰ ৰাজনৈতিক আকাংক্ষা পূৰণৰ বাট মসৃণ কৰাৰ দৌৰত পৰেশ গোৱালা? এইবোৰ প্ৰশ্নৰ উত্তৰ অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ পৰৱৰ্তী অধিৱেশনতহে স্পষ্ট হ'ব।


**NAME CORRECTION**

I do hereby declare that in the land record/Patta vide P.P.No-72. Dag No-258, situated at Barpeta Habi-Kissam under Mouza-Chatial, Dist-Nagaon (Assam) our names has been erroneously inserted as 1. MANJU SAHU W/O-LALAN 2. PRAVEEN SAHU S/O-LALAN 3. ANUP SAHU S/O-LALAN 4. SRI ADIT SAHU S/O- LALAN, which ought to be recorded as- 1. MANJU SAHU W/O- LAL CHAND SAHU 2. PRAVEEN KUMAR SAHU S/O-LAL CHAND SAHU 3. ANUP SAHU SIO-LAL CHAND SAHU 4. ADITYA SAHU SIO-LAL CHAND SAHU. Applying for correction at the appropriate authority.

AB-145/2025


### বহি গ'ল দলঙৰ খুঁটা, যাতায়ত সম্পূৰ্ণৰূপে বন্ধ কৰিলে প্ৰসাশনে

# জনীয়াৰ কৰাৰকুৰ বেঁকী দলংত অথন্তৰ

**অসম বাৰ্তা, জনীয়া, ১২ অক্টোবৰ ঃ** আমিনগাঁও লেংটিছিঙা সংযোগী ২ নং বিকল্প ৰাজ্যিক ঘাইপথৰ বেঁকী দলংৰ খুটা বহি যোৱাত যাতায়ত বন্ধ কৰে প্ৰশাসনে। ৯ অক্টোবৰ পুৱতি নিশা দলংৰ পূৱফালৰ পৰা ৩নম্বৰ খুঁটা বহি যোৱা প্ৰত্যক্ষ কৰে পথচাৰীয়ে। খবৰ সামাজিক মাধ্যমত সম্প্ৰচাৰিত হোৱাৰ লগে লগে তৎপৰতাৰে বৰপেটা প্ৰশাসন উপস্থিত হৈ প্ৰথম পৰ্যায়ত দুচকীয়া বাহনৰ বাদে বাকী বাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰে যদিও কিছু সময় পিছত যাতায়ত সম্পূৰ্ণৰূপে বন্ধ ঘোষনা কৰে। ঘটনাৰ খবৰ পাই শুকুৰবাৰে মুখ্য অভিযন্তাৰ কাৰ্যালয়, গুৱাহাটীৰ কাৰ্যবাহী অভিযন্তা জ্ঞানদীপ চৌধুৰীয়ে দলং পৰ্যবেক্ষণ কৰি পৰিস্থিতিৰ বুজ লয় আৰু শীঘ্ৰেই কাম আৰম্ভ কৰা হ'ব বুলি ৰাইজক আশ্বাস দিয়ে। মুখ্য অভিযন্তা চৌধুৰীয়ে জানিবলৈ দিয়া মতে ওপৰ অংশৰ কাম কৰোঁতে প্ৰায় ২ মাহ আৰু তলৰ কাম কামৰ সম্পূৰ্ণ কৰিবৰ বাবে প্ৰায় ৪ মাহ সময়ৰ প্ৰয়োজন হ'ব। উল্লেখ্য প্ৰায় ৮০ কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ হোৱা দলঙৰ শুভাৰম্ভ হোৱাৰ পিছৰে পৰাই বিভিন্ন ঠাইত চিৰাল ফাট মেলিছিল, যাৰ বাবে কামৰ মানদণ্ড নিম্নমানৰ হোৱা বুলি পূৰ্বৰে পৰা সচেতন ৰাইজে অভিযোগ উত্থাপন কৰি আহিছিল। ইতিমধ্যে দলংৰ দুয়ো পাৰ গৰাখহনীয়াৰ কবলত পৰি ২ নং বিকল্প ৰাজ্যিক ঘাইপথৰ আধা অংশ নদীৰ বুকুত উটি গৈছে। যাৰ বাবে পুৰ্বৰে পৰা বৰপেটা প্ৰশাসনে গধুৰ যান বাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰি থৈছে। তাৰ পাছতো একাংশ আৰক্ষী কনিষ্ঠবলে ৰাতি মোটা অংকৰ ধনৰ বিনিময়ত পাৰ কৰে গধুৰ যান বাহন। ফলত দলংৰ দুয়ো পাৰ গৰাখহনীয়াৰ কবলত পৰিছে আৰু দলঙৰ খুঁটি প্ৰায় ৩ ফুটলৈকে বহি যোৱাৰ সন্দেহ প্ৰকাশ কৰিছে ৰাইজে। ইপিনে দলংৰে যাতায়ত সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াত সৰ্বসাধাৰণ ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হৈছে। সম্প্ৰতি দলংৰ ওপৰদি খোজকাঢ়ি যাব নিদিয়াত নাৱৰীয়া সকলে জনগণক মাধমাৰ সোধোৱা পৰিলক্ষিত হৈছে। প্ৰতিজন বাইক আৰোহীৰ পৰা অহা-যোৱাত ১০০ টকা আৰু পথচাৰীৰ পৰা চল্লিশ টকা ভাড়া লোৱাত ৰাইজৰ মাজত ব্যাপক চৰ্চা চলিছে। অচিৰেই জিলা প্ৰশাসন আৰু স্থানীয় বিধায়কক ৰাইজৰ বাবে বিনামূলীয়া নাওৰ ব্যাৱস্থা কৰিবলৈ অনুৰোধ জনাইছে। প্ৰশ্ন হয় কাৰ নিৰ্দেশত সৰ্বসাধাৰণ ৰাইজৰ দুৰ্যোগৰ সময়ত মাধমাৰ সোধাইছে এইসকল নাৱৰীয়াই?

# হাঁহখাটিৰ মেধাবী ছাত্ৰ দীপমইনা মাউতক চতুৰ্থ বাৰ্ষিক প্ৰয়াত উৎপল দেবৰয় গণিত মেধা বঁটা প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৩ অক্টোবৰ ঃ** চতুৰ্থ বৰ্ষত উপনীত হোৱা উৎপল দেবৰয় গণিত মেধা বঁটা এইবাৰ তিনিচুকীয়া জিলাৰ সীমামূৰীয়া অঞ্চল ধলাৰ হাঁহখাটি নিবাসী দীপমইনা মাউতক প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ক'ভিড আক্ৰান্ত হৈ অকালতে পৰলোকপ্ৰাপ্তি ঘটা ডুমডুমা অঞ্চলৰ এগৰাকী গণিত শিক্ষক উৎপল দেবৰয়ৰ পবিত্ৰ সোঁৱৰণত এই বঁটা প্ৰদান কৰা হয়। ডুমডুমা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বসবাস কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই গণিতত উচ্চমানসহ সুখ্যাতিৰে



উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণৰ বাবে উদগণি জনোৱাৰ উদ্দেশ্যে এই বঁটা প্ৰণয়ন কৰা হৈছিল। মূলতঃ স্নাতকোত্তৰ মহলাত শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা পোৱা ছাত্ৰ-ছাত্ৰীক এই বঁটা প্ৰদানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয়। চতুৰ্থ বৰ্ষৰ বাবে এই বঁটাৰ বাবে নিৰ্বাচিত হয় ধলা হাঁহখাটিৰ নিবাসী সুশীল মাউট আৰু মণি মাউটৰ সুযোগ্য সন্তান দীপমইনা মাউট। উল্লেখযোগ্য যে দীপমইনাই এই বছৰতে অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ অধীনস্থ যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ পৰা গণিত বিষয়ত উচ্চমান (মেজৰ) সহ প্ৰথম শ্ৰেণীত স্নাতক উত্তীৰ্ণ হোৱাৰ লগতে সৰ্বভাৰতীয় পৰ্যায়ৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় প্ৰবেশ পৰীক্ষা ত উত্তীৰ্ণ হৈ মিজোৰাম কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত গণিত বিষয়ত স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষা গ্ৰহণৰ বাবে আসন লাভ কৰিছে। হাঁহখাটিৰ দৰে এক ভিতৰুৱা অঞ্চলৰ পৰা গৈ এনে এক লেখত ল'বলগীয়া শিক্ষানুষ্ঠানত শিক্ষাগ্ৰহণ কৰাটো এক গৌৰবৰ বিষয়। ছাত্ৰজন শিক্ষা গ্ৰহণৰ হেতু মিজোৰামত থকাৰ বাবে এই বছৰ বঁটা প্ৰদান কৰা হয় তেখেতৰ বাসগৃহৰ সমীপৱৰ্তী জ্ঞান জ্যোতি জাতীয় বিদ্যালয়ৰ প্ৰাংগনত। ছাত্ৰজনৰ মানপত্ৰ আৰু স্মাৰক গ্ৰহণ কৰে তেখেতৰ পিতৃ সুশীল মাউত আৰু মাতৃ মণি মাউতে। উৎপল দেবৰয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ হৈ সভাখন সঞ্চালনা কৰে যুৱ কবি বিকিয়ান বাইলুঙে। অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত সহযোগ কৰে ৰতন বড়াই। এইবাৰ পুৰস্কাৰৰ ধনৰাশি স্বৰূপে ছাত্ৰজনৰ নামভৰ্তিৰ সম্পূৰ্ণ মাছুল আগবঢ়োৱা হয়। এই ধনৰাশি ডিজিটেল মাধ্যমেৰে তেখেতৰ বেংক একাউণ্টত প্ৰদান কৰা হয়। তেখেতলৈ কিতাপৰ টোপোলা আগবঢ়ায় ডুমডুমাৰ হুলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰমথ হাজৰিকাই। অনুষ্ঠানটো আয়োজনত সহযোগিতা আগবঢ়াই উৎপল দেবৰয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে বিকিয়ান বাইলুং, বিবেক বেজবৰুৱা, পলাশজ্যোতি গগৈ, চিমি গগৈ, মানসী বৰুৱা, আদিয়ে।

# বাসুগাঁও চহৰৰ সমীপৰ কচুতোলা গাঁৱত নাতি-নাতিনীয়েকে হত্যা কৰিলে আইতাকক

**অসম বাৰ্তা, বাসুগাঁও, ১৩ অক্টোবৰ ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ সমীপৰ কচুতোলা গাঁৱত ভয়ংকৰ হত্যা কাণ্ড সংঘটিত হয়। দেশৰ প্ৰচলিত আইন ব্যৱস্থাক বুঢ়া আঙুলি দেখুৱাই ৰাতিপুৱা ৯ বজাত সংঘটিত নৃশংস হত্যাকাণ্ডৰ ঘটনা আৰক্ষীৰ পৰা লুকুৱাই ৰাখি নিশালৈকে গাঁৱলীয়া বিচাৰ সভা অনুষ্ঠিত কৰি সাধাৰণ মৃত্যুৰ ৰূপ দিয়াৰ চেষ্টা চলোৱা হয়। সামান্য ঘৰুৱা কাজিয়াক কেন্দ্ৰ কৰি নাতিয়েক আৰু নাতিনীয়েকে ঘুচিয়াই মৰিয়াই নৃশংস ভাৱে হত্যা কৰে বৃদ্ধা আইতাক। মৃত বৃদ্ধা মহিলা গৰাকী নাম ৰেজিয়া বেওৱা (৮০)। হত্যাকাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে নাতিয়েক ফয়জাল হক (২৫) নাতিনীয়েক মৰিয়ম আৰু মমতাজৰ বিৰুদ্ধে। হত্যাকাণ্ড সংঘটিত কৰাৰ পিছত সমগ্ৰ ঘটনাটো ভয় ভাবুকিৰে গাপ দিয়াৰ চেষ্টা কৰে হত্যাকাৰী পৰিয়ালটোৱে। তাতকৈ গুৰুত্বপূৰ্ণ বিষয় যে বৃদ্ধা মহিলা গৰাকীৰ নৃশংস হত্যাকাণ্ডক এটা সাধাৰণ মৃত্যুৰ ৰূপ দিয়াৰ অপচেষ্টাত নামি পৰে চৰকাৰী গাঁওবুঢ়াৰ লগতে ওচৰ চুবুৰীয়া। হত্যাকাণ্ডৰ দৰে এক গুৰুতৰ অপৰাধক প্ৰায় ১২ ঘণ্টা ধৰি লুকুৱাই ৰাখি হত্যাকাৰী পৰিয়ালটোক ৰক্ষণাবেক্ষণ দিয়াৰ ষড়যন্ত্ৰত নামি পৰে কচুতোলা গাঁৱৰ চৰকাৰী গাঁওবুঢ়া ছাত্তাৰ আলী মিঞাৰ লগতে কচুতোলা গাঁৱৰ মাতবৃৰ সকল। সংবাদ মাধ্যমৰ লোকে হত্যাকাণ্ডৰ খবৰ লাভ কৰি আৰক্ষীৰ লোকক অৱগত কৰাৰ পিছত বাসুগাঁও থানাৰ আৰক্ষীয়ে কচুতোলা গাঁৱত উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে আৰু মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কাজলগাঁৱৰ জেএছবি অসামৰিক চিকিৎসালয়ত প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে। ইপিনে মাতৃৰ মৃতদেহ ৰাতিপুৱাৰ পৰা মজিয়াত ৰাখি দিনটো বহি থাকিব লগাত পৰে মৃত মহিলা গৰাকীৰ কন্যা সকল। উল্লেখযোগ্য যে সমগ্ৰ হত্যাকাণ্ডৰ ঘটনাক লৈ গাঁৱৰক্ষী বাহিনীৰ ভূমিকা সন্দেহজনক। কচুতোলা গাঁৱৰ ঘটনাটিক কেন্দ্ৰ কৰি অঞ্চলটিত সৰস আলোচনা চলিছে।

# ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰীয়ে ছয় জনগোষ্ঠীক লৈ কৰা মন্তব্যৰ বিৰোধিতা আটাছু গোলাঘাট জিলা সমিতিৰ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ** ছয় জনগোষ্ঠী জনজাতিকৰণৰ বিধোধিতা কৰিবলৈ ট্ৰাইবেল সংঘ অসমৰ অভিভাৱক নহয় বুলি হুংকাৰ টাই আহোম ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ। সংগঠনটোৰ দাবী আমি আমাৰ সংবিধানিক তথা জন্মস্বত্ব অধিকাৰ বিছাৰিছোঁ, তাক প্ৰদান কৰে বা নকৰে সেইয়া চৰকাৰৰ বিষয়। আমি কাৰো পৈত্তিক সম্পত্তি বিচাৰি আন্দোলন কৰা নাই। আমি কেইটামান চৰকাৰি চাকৰি, কেইটামান মেডিকেলৰ চিট, কেইটামান অভিযান্ত্ৰিকত চিটৰ বাবে জনজাতিকৰণ বিচৰা নাই। ট্ৰাইবেল সংঘৰ স্বয়ম্ভু নেতা আদিত্য খাকলাৰীক সংগঠনটোৱে জনাই যে, আমি অসমৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে জনজাতিকৰণ বিচৰিছোঁ। উত্তৰ পূৰ্বাঞ্চলৰ আমাৰ ঠালৰে তাই খামটি, তাই ফাকে, তাই তুৰুং, তাই আইতন, তাই খাময়াঙ সকল ইতিমধ্যে জনজাতি। আমি তাই আহোম সকল আজি পৰ্যন্ত জনজাতিৰ মৰ্যাদাৰ পৰা বঞ্চিত। তদুপৰি পৰিবৰ্তিত জনগাঁঠনি, অবৈধ প্ৰব্ৰজন, বনিয়া শ্ৰেণীৰ সম্পদৰ ওপৰত আগ্ৰাসন আদি কাৰকৰ বাবে খিলঞ্জীয়াৰ অস্তিত্ব সুৰক্ষিত কৰাৰ স্বাৰ্থত আমি জনজাতিকৰণ বিচৰিছোঁ। সৰ্বকালৰ সৰ্ব মিছলীয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৌ সিদিনা কৈছিল যে, তেওঁলোক জনজাতিকৰণ আন্দোলনৰ সমৰ্থন কৰে। তেন্তে কিয় ট্ৰাইবেল সংঘৰ স্বয়ম্ভু নেতা আদিত্য খাকলাৰীৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ নকৰে কিয়? নে আমি ভাবিবলৈ বাধ্য হ'ম যে, মুখ্যমন্ত্ৰীৰ শ্ৰুতলিপি আদিত্য খাকলাৰীয়ে পাঠ কৰিছে নেকি বুলি প্ৰশ্ন উত্থাপন কৰে আটাছু গোলাঘাট জিলা সমিতিয়ে। আনহাতে সদৌ তাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছু গোলাঘাট জিলা সমিতিৰ আহ্বানত তাই আহোম জনগোষ্ঠীয় দল সংগঠন আৰু তাই আহোম জনগোষ্ঠীয় ৰাইজৰ সহযোগত অহা ৩ নৱেম্বৰ তাৰিখে আহোম জনগোষ্ঠীৰ জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবীত ৫০ সহস্ৰাধিৰ প্ৰতিবাদকাৰীলৈ বিশাল গণ হুংকাৰ কাৰ্যসূচী হাতত লৈছে। স্বজাতিৰ সৰংবিধানিক প্ৰাপ্য অধিকাৰৰ স্বাৰ্থত আহোমৰ সকলো জ্ঞাত বৰ্গই দল-মতৰ উৰ্ধত অৱস্থান কৰি নিজে নিজৰ নেতৃত্ব লৈ এই সংগ্ৰামত অংশগ্ৰহণ কৰিবলৈ আটাছু গোলাঘাট জিলা সমিতিৰ সভাপতি পংকজ গগৈ, যুটীয়া সম্পাদক অংকুৰ কোঁৱৰ আৰু ভাস্কৰজ্যোতি ফুকনে আহ্বান জনাই।

# গোলাঘাট প্ৰেছ ক্লাবত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰতিভাৱান কণ্ঠশিল্পী অখিলেশ কাশ্যপ বৰঠাকুৰৰ 'আহিনৰ নিশা' উন্মোচন




**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ** গোলাঘাট প্ৰেছ ক্লাবত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰতিভাৱান কণ্ঠশিল্পী অখিলেশ কাশ্যপ বৰঠাকুৰৰ দৃশ্য-শ্ৰব্য নৱতম সুমধুৰ গীত 'আহিনৰ নিশা' আজি শুভ উন্মোচন হৈ যায়। জ্যেষ্ঠ সাংবাদিক, গোলাঘাট প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি দিগন্ত কুমাৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উন্মোচনী সভাত 'আহিনৰ নিশা' শুভ উন্মোচন কৰে সু-চিকিৎসক, শিল্পী ডাঃ নয়ন দত্তই। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে গোলাঘাট পৌৰ সভাৰ পৌৰপতি দুলুমণি বৰবৰাই। বিশিষ্ট কবি, সাহিত্য কৰ্মী স্বাগতা বৰাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়া, অধ্যাপক ড° দেৱজিৎ ফুকন, বিশিষ্ট শিক্ষাবিদ ড° বিপুল চন্দ্ৰ ভূঞা, সাংস্কৃতিক কৰ্মী মৃদুল কাকতি, চেবাৰ প্ৰাক্তন সচিব প্ৰবীণ শৰ্মা, গোলাঘাট লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ৰূপা শইকীয়া, অঁনাতাৰ শিল্পী মিমনি গোস্বামী, বিশিষ্ট শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী প্ৰদীপ সোণাৰ, বিশিষ্ট শিক্ষাবিদ ভাস্কৰ কাকতি, সাংস্কৃতিক কৰ্মী ৰেকিব শ্বাহ, ৱাৰ্ড কমিছনাৰ ৰবীন বৰুৱা, শিল্পী ৰহিমুদ্দিন আহমেদ, আধ্যাপক অৰিন্দম বৰা, সাংবাদিক পংকজ হাজৰিকা আদিয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। কৃতজ্ঞতাসূচক বক্তব্য আগবঢ়ায় অখিলেশ বৰঠাকুৰৰ পিতৃ, বিশিষ্ট শিক্ষাবিদ প্ৰদীপ বৰঠাকুৰ আৰু মাতৃ ইমামণি ভট্টাচাৰ্য আৰু অখিলেশৰ জ্যেষ্ঠ ভ্ৰাতৃ, অভিযন্তা কিশোৰ কাশ্যপ বৰঠাকুৰে। অধ্যয়নৰ সূত্ৰে দিল্লীত থকাৰ বাবে অখিলেশ বৰঠাকুৰে অনলাইনযোগে সমবেত ৰাইজক শুভেচ্ছা জনাই জুবিন গাৰ্গৰ শ্ৰদ্ধা জনাই এটি গীত পৰিৱেশন কৰে। আহিনৰ নিশা গীতটিৰ কথা অজিত দাসৰ। কণ্ঠ, সম্পাদনা অখিলেশৰ নিজা। গীতটিত অভিনেত্ৰী হিচাপে সাৱলীলভাৱে অভিনয় কৰিছে প্ৰতিভাৱান নৃত্য শিল্পী এহচান চামিন শ্বাহে। গীতটি সংগীতপ্ৰেমী ৰাইজে আদৰি ল'ব বুলি আশা কৰা হৈছে।

## হেণ্ডকাপ লগাই নিৰীহ মহিলাক আটক

# গোৱালপাৰাৰ কৃষ্ণাইত নিৰীহ মহিলাৰ ওপৰত অত্যাচাৰ

**৫০ হাজাৰ টকাৰ বিনিময়ত মুকলি; বন পালক জগদীশ বৰ্মনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ**

**অসম বাৰ্তা, গোৱালপাৰা, ১৩ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই মধ্য বনাঞ্চলত বনকৰ্মচাৰীৰ অত্যাচাৰৰ এক জঘন্য ঘটনা পোহৰলৈ আহিছে। স্থানীয় আশুডুবি গাঁৱৰ বাসিন্দা কাৰিমা খাতুন (৪৫)ৰ ওপৰত বন বিভাগৰ কৰ্মচাৰীয়ে অমানবিক ব্যৱহাৰ চলোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। প্ৰাপ্ত তথ্য অনুসৰি, কাৰিমা খাতুনে নিজৰ পট্টাৰ মাটিত থকা ধান খেতিত সাৰ দিয়া পিছত ঘৰলৈ উভতি অহাৰ সময়ত কৃষ্ণাই মধ্য বনাঞ্চলৰ বন বিষয়া দেৱব্ৰত শৰ্মা আৰু বনপালক জগদীশ বৰ্মনে মহিলগৰাকীক পথৰ মাজতে ৰখাই বলপূৰ্বক গাড়ীত উঠাই লৈ যোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, বন পালক জগদীশ বৰ্মনে মহিলাগৰাকীৰ মোবাইল ফোন কাঢ়ি লয় আৰু নিশা ৮ বজাত ৫০ হাজাৰ টকাৰ বিনিময়ত মুকলি কৰি দিয়ে। স্বামী কৰ্মসূত্ৰে দূৰত থকাৰ বাবে, কাৰিমা খাতুনে ঘৰৰ গৰু বিক্ৰী কৰি ধনৰ যোগাৰ কৰিছিল। সমগ্ৰ ঘটনা সন্দৰ্ভত এ আই ইউ ডি এফৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় যে, কোনো অপৰাধ নকৰা এগৰাকী নিৰিহ মহিলাক বন বিভাগে হেণ্ডকাফ পিন্ধাই আটক কৰি ধনৰ বিনিময়ত মুকলি কৰাটো কি বন কৰ্মচাৰীৰ কাম, নে দস্যুৰ কাৰ্যকলাপ? তেওঁ লগতে প্ৰশ্ন কৰে, বন বিভাগে কাৰ অধিকাৰত হেণ্ডকাফ ব্যৱহাৰ কৰিছে? উল্লেখযোগ্য যে, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ (প্ৰেম শংকৰ শুক্লা বনাম দিল্লী প্ৰশাসন, ১৯৮০) অনুসৰি, মেজিষ্ট্ৰেটৰ অনুমতি অবিহনে পুলিচেও হেণ্ডকাফ ব্যৱহাৰ কৰিব নোৱাৰে। তদুপৰি, Citizens for Democracy vs State of Assam (১৯৯৫) গোচৰটোত স্পষ্টকৈ উল্লেখ আছে যে, জেলভাঙি পলায়নৰ সম্ভাৱনা" বা "হিংসাৰ আশংকা" আদি থাকিলে মেজিষ্ট্ৰেটৰ পূৰ্বানুমতিৰে হেণ্ডকাফ ব্যৱহাৰ কৰিব পাৰি। ঘটনাটোৰ উচিত তদন্ত আৰু ভুক্তভোগী মহিলাগৰাকীক ন্যায় প্ৰদানৰ বাবে দলৰ কেন্দ্ৰীয় যুৱ মৰ্চাৰ সভাপতি তথা বিধায়ক আশ্ৰাফুল হুছেইনক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। বিধায়ক আশ্ৰাফুল হুছেইনে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, যিসকলে আইন পালনৰ দায়িত্বত আছে, তেওঁলোকে নিজেই আইন ভাঙিলে সমাজত ন্যায় কেনেকৈ থাকিব? বিধায়ক গৰাকীয়ে বিষয়টো বিভাগীয় মন্ত্ৰী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি আইনী ব্যৱস্থাৰ বাবে এ আই ইউ ডি এফে আদালতৰ কাষ চাপিবলৈ প্ৰস্তুত হৈছে।

## মৰসাহ প্ৰদৰ্শনৰ বাবে সকলোকে হাৰাশাস্তি দিছে যুৱকজনে

# সোৱণশিৰি নদীলৈ জঁপিয়ালে সুৰাসক্ত যুৱকে

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৩ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ থেকেৰাগুৰিৰ এজন যুৱকে আচৰিত কাণ্ড সংঘটিত কৰি আহিছে। চাউলধোৱাৰ সোৱণশিৰি দলঙৰ পৰা আজি দুপৰীয়াৰ ভাগত এগৰাকী সুৰাসক্ত যুৱকে সোৱণশিৰি নদীত জাঁপ দিয়া ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। যুৱকজন হৈছে থেকেৰাগুৰিৰ দধি ভূঞাৰ পুত্ৰ ৰাতুল ভূঞা (৩২)। নদীত জাঁপ দিয়াৰ ঘটনা প্ৰত্যক্ষ কৰা লোকে চাউলধোৱা আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে এছ ডি আৰ এফক খবৰ দিয়ে। এছ ডি আৰ এফ বাহিনীয়ে সোৱণশিৰি নদীত অভিযান চলাই যদিও পিছত যুৱকজন নদীৰ পৰা উঠি নিৰাপদ স্থানত থকাৰ খবৰ জানিব পৰা যায়। উল্লেখযোগ্য যে, এই যুৱকজনে পূৰ্বে কেইবাবাৰো সোৱণশিৰি নদীত জঁপিয়াই দিয়াৰ পিছত আৰক্ষী আৰু এছ ডি আৰ এফ বাহিনীৰ লগতে পৰিয়ালক হাৰাশাস্তি কৰি আহিছে। একমাত্ৰ নিজৰ মৰসাহ প্ৰদৰ্শনৰ বাবে সকলোকে হাৰাশাস্তি দিয়া যুৱকজনক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আৰক্ষীক দাবী জনাইছে ৰাইজে।

## জুবিন গাৰ্গ পূৰ্ণ মানৱৰ সত্ত্বা ঃ প্ৰাক্তন মন্ত্ৰী উমেশ দাস

# জাগীয়াল, জাগীয়াল পেটবঢ়াৰ কলঙৰ পাৰত জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি-স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, নগাঁও, ১৩ অক্টোবৰ ঃ** নগাঁৱৰ জাগীয়াল, জাগীয়াল পেটবঢ়াৰ অৰুণ পুথিভঁৰাল যুৱক সংঘৰ প্ৰাংগণত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে জুবিন অনুৰাগী সকলৰ দ্বাৰা জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ আৰু-স্মৃতিচাৰণৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হয়। পুৱা ৮ বজাত বন্তিপ্ৰজ্বলনৰে শুভাৰম্ভ কৰে উদ্‌যাপন সমিতিৰ সভাপতি লোকনাথ বৰাই। ৮.৩০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হয়। ৯বজাত বৃক্ষৰোপণৰ শুভাৰম্ভ কৰে সমাজকৰ্মী কুশী বৰুৱাই। তাৰপিছত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু কলঙৰ পাৰত ৫২টা নাহৰৰ পুলি ৰোপণ কৰা হয়। ১০ বজাত কীৰ্তন পাঠ, খোল প্ৰসংগ, নাম প্ৰসংগ আৰু দুপৰীয়া প্ৰসাদ বিতৰণ অনুষ্ঠিত হয়। বিয়লি ২ বজাৰ পৰা জুবিন অনুৰাগী সকলৰ দ্বাৰা আয়োজন কৰা জুবিন গাৰ্গৰ স্মৃতি চাৰণ অনুষ্ঠানটি অনুষ্ঠিত হয়। স্মৃতি চাৰণ অনুষ্ঠানটি উদ্বোধন কৰে সমাজকৰ্মী ৰাজেন শইকীয়াই। প্ৰাক্তন ছাত্ৰ নেতা শৰৎ বৰাই আঁতধৰা অনুষ্ঠানটিত প্ৰাক্তন মীন মন্ত্ৰী উমেশ চন্দ্ৰ দাসে কয় যে



জুবিন গাৰ্গ পূৰ্ণ মানৱৰ সত্ত্বা। তেওঁ ভগৱান সদৃশ আছিল। যেনেকৈ ভগৱানে অৱতাৰ গ্ৰহণ কৰি সমাজ সংস্কাৰ কৰিছিল তেনেকৈ কম সময়ত তেওঁ সমাজৰ বাবে বহু অৱদান আগবঢ়াই গ'ল। তেওঁ মাটি আৰু মানুহৰ বাবে গান গাইছিল। সভাত সমাজকৰ্মী ৰেৱ হাজৰিকাই কয় যে অসমীয়াই আবেগেৰে নহয়, ভূপেন হাজৰিকাৰ দৰে জুবিনক জীয়াই ৰাখিব লাগিব। গাৰ্গে ন্যায় নোপোৱা লৈকে ৰাইজে সামাজিক মাধ্যমত ৰাইজে যুঁজ অব্যাহত ৰাখিব লাগিব। স্মৃতি চাৰণ সভাখনিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰাই কয় যে সৃষ্টি থকালৈকে কলা থাকিব। জুবিন আৰু মহাপুৰুষ জনাৰ আদৰ্শ একেই। শ্ৰদ্ধাঞ্জলি জনাইলেই নহ'ব তেওঁৰ আদৰ্শ জীয়াই ৰাখিব লাগিব। সভাত সাংবাদিক দেৱজিৎ হাজৰিকাই জুবিন গাৰ্গৰ সৃষ্টি সংৰক্ষণৰ কথা উল্লেখ কৰাৰ লগতে মৰণোত্তৰ ভাৱে ভাৰতৰত্ন প্ৰদানৰ দাবী জনাই। সভাত জাগীয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰশান্ত বৰুৱা, বুদ্ধেশ্বৰ খাউণ্ড জুবিন সম্পৰ্কে বক্তৃতা আগবঢ়াই। উক্ত সভাত কণমানি শিল্পী টাইগাৰ বৰুৱাই জুবিনৰ গীতত নৃত্য প্ৰদৰ্শন, ছাত্ৰী হৰ্ষিতা বৰুৱাই জুবিনৰ এখন চিত্ৰ অংকন কৰে। অভিনেতা প্ৰচ্যুত বৰাই জুবিনৰ এটি গীতৰ কলি, চহাকবি প্ৰভাত দাসে এটি জুবিনৰ কবিতা পাঠ কৰে। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলনৰ পিছত অঞ্চলৰ যুৱক-যুৱতীৰ দ্বাৰা মায়াবিনী গীতটি সমস্বৰে পৰিবেশন কৰাৰ পিছত বঢ়মপুৰৰ মণিকাঞ্চন নামতি দলে দিহানাম পৰিবেশন কৰি জাগীয়াল কলঙৰ পাৰ দুপৰ নিশালৈকে মুখৰিত কৰি তোলে। উল্লেখ্য যে আজি পুৱাৰ পৰা নিশালৈকে জুবিন গাৰ্গৰ স্মৃতিচাৰণ আৰু আদ্যশ্ৰাদ্ধ অনুষ্ঠানটিত লোকনাথ বৰা, জোনমণি বৰুৱা, দেৱজিৎ বৰুৱা, প্ৰচ্যুত বৰুৱা, শৰৎ বৰুৱা, প্ৰশান্ত বৰুৱাকে ধৰি বৃহত্তৰ অঞ্চলটোৰ যুৱক-যুৱতীৰ লগতে কেইবাশতাধিক লোক উপস্থিত থাকে।

# মৈৰাবাৰীৰ চহৰীয়া গাঁৱৰ সমাজ সেৱক ৰুহুল আমিনৰ মৃত্যুত শোকৰ ছাঁ

**অসম বাৰ্তা, মৈৰাবাৰী, ১৩ অক্টোবৰ ঃ** মৈৰাবাৰীৰ চহৰীয়া গাঁৱৰ ৰুহুল আমিনৰ মৃত্যুৰ বাতৰিয়ে বৃহত্তৰ চহৰীয়া গাওঁ অঞ্চলত গভীৰ শোকৰ ছা পেলাইছে। মৈৰাবাৰী অঞ্চলৰ চহৰীয়া গাঁৱৰ, চহৰীয়া গাওঁ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শিক্ষক গুলজাৰ হুছেইন, যুৱ সাংবাদিক আপ্তাৰ হুছেইনৰ পিতৃ ৰুহুল আমিন ১১অক্টোবৰ, ২০২৫ তাৰিখ শনিবাৰে বিয়লি ১.৩০ বজাত ৮৩ বছৰ বয়সত মৃত্যুবৰণ কৰে। তেওঁ সামাজিক ক্ষেত্ৰত চহৰীয়া গাঁৱৰ বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ, ছোৱাহী মাদ্ৰাছা, মছজিদ, চহৰীয়া গাওঁ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আছিল। বিভিন্ন অনুষ্ঠানত তেওঁ জৰিয়ত হোৱাৰ বাবে সকলোৰে মাজত সন্মানীয় ব্যক্তি হিচাপে পৰিচিত আছিল। দেওবাৰে পুৱা ৯ বজাত এক শোকাকুল পৰিবেশত ৰুহুল আমিনৰ জনাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত মৈৰাবাৰী প্ৰেছ ক্লাব, মৈৰাবাৰী জেষ্ঠ্য নাগৰিক মঞ্চৰ লগতে বিভিন্ন দল-সংগঠন, বৃহত্তৰ চহৰীয়া গাঁৱৰ অঞ্চলবাহীয়ে ৰুহুল আমিনৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

## ৰাম পৰাজয়-সীতাৰ পাতাল গমন' ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা

# নামনি মাজুলীৰ বেবেজীয়াত তিনিদিনীয়াকৈ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ অক্টোবৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ কৰতিপাৰ বেবেজীয়াত সমূহ ৰাইজৰ সহযোগত তিনিদিনীয়াকৈ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বেবেজীয়া বৰ নামঘৰত অহা ২৯ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ বিস্তৃত কাৰ্যসূচীৰে উক্ত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত, আধ্যাত্মিক অনুষ্ঠানভাগি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে ইতিমধ্যে একশৰণ ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাসক মুখ্য পৃষ্ঠপোষক, মহিম দাসক সভাপতি, প্ৰেমকান্ত মেধিক সম্পাদক, গোবিন্দ দাস আৰু বনমালি দাসক সহকাৰী সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। উক্ত, ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ প্ৰথমদিনা ২৯ অক্টোবৰত পুৱা উষা কীৰ্তন, প্ৰাত: প্ৰসঙ্গ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণৰ পাছত ধৰ্মধ্বজা উত্তোলন কৰিব মাজুলী জিলা একশৰণ ভাগৱতী সমাজৰ সভাপতি ত্ৰিণয়ন হাজৰিকাই। তাৰপিছত ভকত আদৰণি, বন্তি প্ৰজ্বলন আৰু নাম প্ৰসঙ্গৰ পাছত মূল বেদীত ভাগৱত প্ৰতিষ্ঠা কৰিব একশৰণ ভাগৱতী সমাজৰ বুঢ়াভকত ভীমেশ্বৰ মেধিয়ে। দুপৰীয়া বাৰ বজাত ভাগৱত পাঠ উদ্বোধন কৰিব একশৰণ ভাগৱতী সমাজৰ যুটীয়া সচিব হাঁহিৰাম দাসে। দিনৰ এক বজাৰ পৰা ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানত ভাগৱত ব্যাখ্যা কৰিব মুখ্য ব্যাখ্যা কাৰক প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাসে। ৩০ অক্টোবৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ ক্ৰমশ দিন ধাৰ্য কৰা হৈছে। ৩১ অক্টোবৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ সামৰণি, নাম প্ৰসঙ্গ আৰু কৃপা প্ৰাৰ্থনাৰ পাছত দুপৰীয়া ভাগৱত শোভাযাত্ৰা উলিওৱা হ'ব। সন্ধিয়া ধৰ্মধ্বজা অৱতৰণ আৰু ভকত বিদায় জনোৱা হ'ব। সেইদিনা ৰাতিলৈ দিব্যজ্যোতি দাস (ধন) আৰু পৰিয়ালবৰ্গই সেৱকী হিচাপে আগবঢ়োৱা আমন্ত্ৰিত "জাঁজী শিৱসাগৰ"ৰ গৰুড় ধ্বজ শিল্পীসকলৰ দ্বাৰা "ৰাম পৰাজয় সীতাৰ পাতাল গমন" ভাওনা প্ৰদৰ্শন কৰা হ'ব। উক্ত, তিনিদিনীয়া আধ্যাত্মিক অনুষ্ঠানত মাজুলীবাসী ৰাইজৰ সহায় সহযোগ আৰু উপস্থিতি উদযাপন সমিতিৰ সভাপতি মহিম দাস আৰু সম্পাদক প্ৰেমকান্ত মেধিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

## আছাম বাৰ্ড মণিতৰিং নেটৱৰ্ক আৰু বন্যবন্ধুৰ আদৰণীয় পদক্ষেপ

# দৰাবিল আৰ্দ্ৰভূমিত চৰাই নিৰীক্ষণ কাৰ্যসূচীৰ সফল ৰূপায়ণ

**অসম বাৰ্তা, মিৰ্জা, ১৩ অক্টোবৰ ঃ** অসমৰ এখন উল্লেখযোগ্য আৰ্দ্ৰভূমি হৈছে দৰাবিলৰ। এই দৰাবিলৰ বুকুত যোৱা ১২ অ'ৌবৰ ২০২৫ তাৰিখে আছাম বাৰ্ড মণিতৰিং নেটৱৰ্ক' আৰু 'বন্যবন্ধু'ৰ উদ্যোগত এটি চৰাই পৰ্যবেক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়। উক্ত কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ ২৫জন প্ৰকৃতিপ্ৰেমী নাগৰিকে অংশগ্ৰহণ কৰে। পুৱা ৬: ৩০ বজাৰপৰা ৮: ৩০ বজালৈ দুঘণ্টাৰ পৰ্যবেক্ষণৰ সময়ত স্থানীয় আৰু পৰিভ্ৰমী সহিতে মুঠ ৫৯ বিধ প্ৰজাতিৰ চৰাই নথিভুক্ত কৰা হয়। পৰ্যবেক্ষণৰ সময়ত অসমৰ অন্য অঞ্চলত সাধাৰণতে দেখিবলৈ নোপোৱা কিন্তু দৰাবিলৰ ঘাঁহনি অঞ্চললৈ প্ৰতিবছৰে পৰিভ্ৰমণ কৰা 'অ'ৰিয়েণ্টেল প্ৰেটিনকল' নামৰ চৰাইবিধৰ এটা ডাঙৰ জাক নথিভুক্ত কৰা হয় আৰু দৰাবিলৰ বুকুত আগতে নথিভুক্ত নোহোৱা 'ৰাফ' নামৰ চৰাইবিধৰ এটা জাক নথিভুক্ত কৰা হয়। উল্লেখযোগ্য যে দৰাবিলৰ বিল আৰু গো-চৰণীয়া পথাৰৰ ঘাঁহনি অঞ্চল বিভিন্ন স্থানীয় আৰু পৰিভ্ৰমী চৰাইৰ বাবে এক উপযুক্ত বাসস্থান। এতিয়ালৈকে এই অঞ্চলত ২৩০ প্ৰজাতিৰ চৰাই নথিভুক্ত কৰা হৈছে। অনুষ্ঠানৰ শেষত 'বন্যবন্ধু'ৰ তৰফৰ পৰা প্ৰসন্ন কলিতাই দৰাবিল আৰ্দ্ৰভূমিৰ ইতিহাস, ভৌগোলিক পৰিসীমা, চুবুৰীয়া ৰাইজৰ প্ৰকৃতি নিৰ্ভৰশীল জীৱন জীৱিকা আৰু প্ৰকৃতিৰ লগত ইয়াৰ সহাৱস্থানৰ কাহিনীৰ লগতে দৰাবিলৰ জৈৱবৈচিত্ৰ্য আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু বৰ্তমান সন্মুখীন হোৱা সমস্যা সম্পৰ্কে বিতংভাৱে আলোচনা কৰে। তেখেতে সকলোকে এই অঞ্চলৰ সংৰক্ষণৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। 'আছাম বাৰ্ড মণিতৰিং নেটৱৰ্ক'ৰ তৰফৰ পৰা ডাঃ লিয়নছ মেঠু আব্ৰাহমে 'বিহু বাৰ্ড কাউণ্ট', 'অনলাইন টকছ' আদি কাৰ্যসূচীৰ উদ্ধৃতিৰে অসমৰ প্ৰায় সকলো অঞ্চলৰ চৰাই পৰ্যবেক্ষক আৰু প্ৰকৃতিপ্ৰেমী ৰাইজে কিদৰে আছাম বাৰ্ড মণিতৰিং নেটৱৰ্কৰ মঞ্চৰ মাধ্যমত চৰাই পৰ্যবেক্ষণ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে আৰু ইয়ে কিদৰে প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত সহায় কৰিব পাৰে এই বিষয়ে বুজাই দিয়ে। উদ্যোক্তা সকলে অনুষ্ঠানটো সফল ৰূপায়ণত সহযোগ কৰা প্ৰতিজন অংশগ্ৰহণকাৰী শিক্ষাৰ্থী, সচেতন ব্যক্তি আৰু বিশেষজ্ঞলৈ উদ্যোগতা সকলৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে সমূহ অসমবাসী ৰাইজৰ পৰা দৰাবিল আৰ্দ্ৰভূমি ৰক্ষাৰ বাবে আগবাঢ়ি আহিবলৈ অনুৰোধ জনাই।

# বঙাইগাঁও জিলা বিশ্ব হিন্দু পৰিষদৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ১৩ অক্টোবৰ ঃ** অমীয়াৰ হিয়াৰ আমঠুজনক কোনেও সহজে পাহৰিব পৰা নাই। বিভিন্ন দল-সংগঠনৰ লগতে অনুষ্ঠান প্ৰতিষ্ঠানে অনুষ্ঠিত কৰিয়েই আছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। অসমৰ প্ৰতিজন জনতাৰ হিয়াৰ আমঠু, মানৱদৰদী, সৰল হৃদয়ৰ মহান শিল্পী জুবিন গাৰ্গলৈ কালি সন্ধিয়া বঙাইগাঁও থীম পাৰ্কত বঙাইগাঁও জিলা বিশ্ব হিন্দু পৰিষদে সমূহ অঞ্চলবাসী ৰাইজৰ সহযোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। সন্ধিয়া পাঁচ বজাত বন্তি প্ৰজলন কৰে বঙাইগাঁও বিধান সভা সমষ্টিৰ বিধায়িকা দিপ্তীময়ী চৌধুৰী, বঙাইগাঁও জিলাৰ বিশ্ব হিন্দু পৰিষদৰ সম্পাদক মনোৰম বনিক্য আৰু বিশিষ্ট সমাজ সেৱক প্ৰভাত বৈষ্ণৱৰ লগতে ৰাইজৰ উপস্থিতিত সমূহীয়াভাৱে মাটিৰ চাকি জলাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱ হয়। বিধায়িকা গৰাকীয়ে এটি নাহৰ গছৰ পুলিও ৰোপণ কৰে। বঙাইগাঁৱৰ বিশিষ্ট সংগীত শিল্পী অনামিকা নাথে "মায়াবিনী'ৰ" গীতেৰে সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভনি কৰে। অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ গীতসমূহৰে স্মৰণ কৰাৰ উদ্দেশ্যৰে স্থানীয় সংগীত শিল্পীসকল ক্ৰমে ধনজিত পাঠক, ND 24 ৰ সাংবাদিক কুলেন্দ্ৰ শইকীয়া, মাৰ্টিনা বৰুৱা, লক্ষণ সূত্ৰধৰৰ লগতে বহুতো নশিল্পী সকলে প্ৰিয়শিল্পী গৰাকীৰ গীত পৰিৱেশন কৰে। সন্ধিয়া ৫ বজাৰ পৰা অনুষ্ঠিত হোৱা কাৰ্যসুচী নিশা ১০ বজাত সমূহীয়াভাৱে জুবিন গাৰ্গৰ গীত পৰিৱেশনেৰে সামৰণি কৰে। প্ৰয়াত শিল্পী জনাৰ মৃত্যুৰ ন্যায় বিচাৰিছে অনুৰাগী সকলে। উক্ত অনুষ্ঠানত বঙাইগাঁৱৰ বিশিষ্ট ব্যক্তিসকল, দল-সংগঠনৰ নেতৃবৃন্দ, সমাজ সেৱক সকলৰ উপৰিও স্থানীয় ৰাইজ উপস্থিত থাকি শ্ৰদ্ধাৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বুলি বিশ্ব হিন্দু পৰিষদৰ বঙাইগাঁও জিলা সম্পাদক মনোৰম বনিক্যই জানিবলৈ দিয়ে।

## লুৰীনজ্যোতি গগৈ, বিজয় ৰাজকোঁৱৰৰ উপভোগ

# জুবিন গাৰ্গৰ সোঁৱৰণত খোৱাং খলিহামাৰী দিবা-নৈশ প্ৰাইজমনি ফুটবল খেল প্ৰতিযোগিতাৰ সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ খোৱাং খলিহামাৰী নৱদ্বীপজ্যোতি যুৱ সংঘৰ উদ্যোগত, বৰবিল অঞ্চলবাসী ৰাইজ আৰু খোৱাং ক্ৰীড়া সন্থাৰ লগতে অসীম হাজৰিকা অনুৰাগী মঞ্চৰ সহযোগত বৰবিল খলিহামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দ্বিতীয় বাৰ্ষিক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাখনি আয়োজন কৰা হৈছিল কিন্তু দুৰ্ভাগ্যবশত অসমৰ সংগীত জগতৰ মহান শিল্পী, নবৈ দশকৰ পৰা প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি ৰখা সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগত অসম স্তব্ধ হৈ পৰে। ফলস্বৰূপে তেখেতৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই খেলখন কিছু দিনৰ বাবে পিছুৱাই দিয়া হয়। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় ৩২টা ফুটবল দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখনি প্ৰয়াত জুবিন গাৰ্গৰ সোঁৱৰণত পুনৰাই অনুষ্ঠিত কৰা হয়। দ্বিতীয় বাৰ্ষিক এই দিবা-নৈশ প্ৰাইজমনি ফুটবল প্ৰতিযোগিতাখনিৰ চূড়ান্ত খেলখনি ডাইমণ্ড এফচি দলে মেডিকেল ষ্টোৰ এফচি দলক পৰাস্ত কৰি সামৰণি পৰে। উদযাপন সমিতিৰ উপদেষ্টা তথা যুৱনেতা অসীম হাজৰিকাই সমষ্টিটোৰ গ্ৰাম্যাঞ্চলৰ বিভিন্ন ভিতৰুৱা অঞ্চলত থকা ক্ৰীড়া প্ৰতিভা সম্পন্ন খেলুৱৈক এখনি মঞ্চ দিয়াৰ লগতে প্ৰতিভাৱান খেলুৱৈ সকলে যাতে আন্তৰাষ্ট্ৰীয় পৰ্য্যায়লৈকে নিজৰ ক্ৰীড়া প্ৰতিভা সমূহক প্ৰদৰ্শন কৰি নিজৰ ভৱিষ্যত গঢ় দিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই ধৰণৰ পদক্ষেপ হাতত লৈ আহিছে। চূড়ান্ত খেলখন উপভোগ কৰি বঁটা প্ৰদান অনুষ্ঠানত বিজয়ী দলটিক নগদ ৫০,০০০.০০ (পঞ্চাশ হাজাৰ) টকা আৰু ট্ৰফী প্ৰদান কৰি প্ৰতিটো দলৰ প্ৰতিভাবান খেলুৱৈক শুভেচ্ছা জনাই উৎসাহিত কৰি তোলাৰ লগতে উজ্জ্বল ভৱিষ্যতৰ উত্তৰণ কামনা কৰে। খেলখন ব্যতিক্ৰম প্ৰচেষ্টাৰে সুন্দৰভাৱে সূচাৰুৰূপে পৰিচালনা কৰা উদ্যাপন সমিতিৰ সকলো কৰ্মকৰ্তা আৰু অসীম হাজৰিকা অনুৰাগীৰ প্ৰতিজন সদস্যলৈ ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত উপস্থিত থাকে টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিজয় ৰাজকোঁৱৰ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈ, সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেবা চেলেং, কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি নিপন ফুকন, খোৱাং ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জিতু বৰা আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক, বিশিষ্ট ব্যক্তি সকলৰ লগতে প্ৰায় দহ হাজাৰ ক্ৰীড়াপ্ৰেমীয়ে উত্তেজনাপূৰ্ণ এই চূড়ান্ত খেলখনি উপভোগ কৰে।

# মিচিং স্পৰ্টছ কাৰ্নিভেলৰ লখিমপুৰ জিলা ভিত্তিক খেলুৱৈ বাছনি শিবিৰ সমাপ্ত

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৩ অক্টোবৰ ঃ** মিচিং স্পৰ্টছ কাৰ্নিভেলৰ তৃতীয় সংস্কৰণৰ লখিমপুৰ জিলা ভিত্তিক খেলুৱৈ বাছনি শিবিৰৰ আজি সামৰণি পৰে। মিচিং জনগোষ্ঠীৰ যুৱ প্ৰজন্মক খেলৰ প্ৰতি আকৰ্ষিত কৰিবলৈ আয়োজন কৰা হৈ আহিছে মিচিং স্পৰ্টছ কাৰ্নিভেল। টি এম পি কে লখিমপুৰ জিলা সমিতিৰ উদ্যোগত আৰু লখিমপুৰ জিলা ক্ৰীড়া সংস্থাৰ তত্বাৱধানত বগীনদী উন্নয়নখণ্ডৰ অন্তৰ্গত ছহিদ গৌতম মিলি হাইস্কুলৰ খেলপথাৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল জিলা ভিত্তিক খেলুৱৈ বাছনি শিবিৰ। কালি শিবিৰটোৰ ফিতা কাটি শুভাৰম্ভ কৰে লখিমপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গুনেন্দ্ৰ ডেকাই। শিবিৰৰ দুয়োটা দিনতে জিলাখনৰ প্ৰায় ২০০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰে। ইয়াত স্থান লাভ কৰা সকলে কেন্দ্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰিব। আজি সন্ধিয়া বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। টি এম পি কেৰ লখিমপুৰ জিলা সমিতিৰ সম্পাদক বসন্ত টাইডে আঁত ধৰা বঁটা বিতৰণী সভাত টি এম পি কেৰ কেন্দ্ৰীয় সদস্য কবীন্দ্ৰ পায়েং, লখিমপুৰ জিলাৰ সভাপতি বিজিত পায়েং, সহকাৰী সম্পাদক ৰীতেন্দ্ৰ পামেগামকে ধৰি টি এম পি কে, এম এম কে, টি এম এম কেৰ লখিমপুৰ জিলা সমিতিৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

# ৰূপহীহাটত হিয়াৰ আমঠু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি নাহৰ পুলি ৰোপণ

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ অক্টোবৰ ঃ** ৰূপহীহাটত আজি পুৱাৰ ভাগতে হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই নাহৰ পুলি ৰোপণ কৰা হয়। উক্ত অনুষ্ঠানটোৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যৰ্পন আৰু বন্তি প্ৰজ্বলন কৰি মহান শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ৰূপহী হাটত প্ৰাকৃতিক সংগঠন শ্যামলী চ'ৰাৰ উদ্যোগত আজি জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে আজি শ্যামলী প্ৰতিষ্ঠাপক সভাপতি নজৰুল ইছলামৰ স্মৃতিত ৰূপহী থানা ৰোডৰ জ্যেষ্ঠ নাগৰিকসকলে আয়োজন কৰা কাৰ্যসূচীত নাহৰ পুলি ৰোপণ কৰা হয়। ৰূপহী থানাৰ সন্মুখত জুৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আনোৱাৰ হুছেইনে বৃক্ষৰোপণ কৰি কাৰ্যসূচী শুভাৰম্ভ কৰে। উক্ত কাৰ্যসূচীত ৰূপহী থানাৰ উপ পৰিদৰ্শকসহ কেইবাগৰাকী জোৱানে অংশ লৈ জুবিন গাৰ্গ আৰু প্ৰকৃতি প্ৰেমী সংগঠন শ্যামলী চ'ৰাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত নজৰুল ইছলামৰ স্মৃতিতো বৃক্ষৰোপণ কৰে। শ্যামলী চ'ৰাৰ উদ্যোগত আৰু প্ৰাক্তন আৰক্ষী পৰিদৰ্শক ফজলুল হকৰ নেতৃত্বত ৰূপায়ণ কৰা এই কাৰ্যসূচীত ৰূপহী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক নুৰুল ইছলাম, ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ শিক্ষক খাইৰুল ইছলাম, চিকিৎসক আৰিফ আহমেদ, চিকিৎসক ৰিয়াজ আহমেদকে প্ৰমুখ্য কৰি বহু গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# গোলাঘাটত পিচুৱাই দিয়া হৈছে ভূপেন্দ্ৰ সংগীত আৰু বক্তৃতা প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ** গোলাঘাটৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান উত্তৰ পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠী' আৰু 'সমন্বয় গোলাঘাট'ৰ যৌথ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ দ্বিতীয় কাৰ্যক্ৰম অনুসৰি অহা ২৫ আৰু ২৬ অক্টোবৰত আয়োজন কৰা ভূপেন্দ্ৰ সংগীত আৰু বক্তৃতা প্ৰতিযোগিতা সাময়িক ভাবে পিচুৱাই দিয়া হৈছে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি শান্তনু গগৈৰ সভাপতিত্বত 4 H ক্লাবত অনুষ্ঠিত হোৱা সভাত গণশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপেক্ষিতত সাময়িক ভাবে পিচুৱাই দিয়া হৈছে। পৰৱৰ্তী সময়ত শতবৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হব বুলিও সভাত সিৰ্দ্ধান্ত লোৱা হয়।

# আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ জীৱন পঞ্জী 'জীৱন বলুকাৰ জিলিকনি' উন্মোচন

**অসম বাৰ্তা, আমগুৰি, ১৩ অক্টোবৰ ঃ** আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত আজি এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। ইয়াৰ আউনী আটীয় হেমচন্দ্ৰ দেৱ উচ্চত্তৰ মাধ্যমিক বিদ্যালয়ত প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে জেষ্ঠ নাগৰিক প্ৰাক্তন উপাধ্যক্ষ বিমল শইকীয়াই। আমগুৰি জেষ্ঠ নাগৰিক সম্মিলনৰ সম্পাদক সুশীল কোঁৱৰে আঁত ধৰা সভাত-আমগুৰি জ্যেষ্ঠ নাগৰিক সকলৰ জীৱনী সম্বলিত গ্ৰন্থ-জীৱন বলুকাৰ জিলিকনি শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে আউনী আটীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰকাশ জ্যোতি বৰঠাকুৰে। উন্মোচনী ভাষণত বৰঠাকুৰে জ্যেষ্ঠ নাগৰিকসকলৰ সমাজৰ প্ৰতি আৱদান গভীৰ শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। আমগুৰিৰ নাগৰিক সকলে তেওঁলোকৰ জীৱনী প্ৰকাশ কৰাতো এক মহৎ কাম বুলি অভিহিত কৰে। আউনীআটীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ্য ইন্দ্ৰ কমল ফুকনে উদ্বোধন কৰা সভাত আদৰণি ভাষণ আগবঢ়াই যোগেশ কিশোৰ ফুকনে। গ্ৰন্থ প্ৰণয়ণ সমিতিৰ সভাপতি ড° অনিল গগৈয়ে জীৱণী গ্ৰন্থ এখন প্ৰকাশৰ ক্ষেত্ৰত অহা সুবিধা অসুবিধাৰ সৰ্স্পকত ব্যাখ্যা আগবঢ়ায়। সভাত শিৱসাগৰ জ্যেষ্ঠ সন্মিলনৰ দিলীপ শইকীয়াই বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰে। সভাত, ৰূপকান্ত লাহন, ৰমেন চেতীয়া, প্ৰফুল্ল নেওগ, ডাঃ ডিম্বেশ্বৰ দত্ত, বিপুল কটকী আদি শতাধিক জ্যেষ্ঠ নাগৰিক আৰু বহু-গণ্যমান্য ব্যক্তি উপস্থিত আছিল।

## সম্পাদকীয়

# বিদ্যুৎ বিতৰণ ব্যৱস্থাৰ ব্যক্তিগতকৰণ; উন্নয়ন নে উদ্বেগৰ কাৰণ ?

কেন্দ্ৰীয় চৰকাৰে দেশৰ বিদ্যুৎ বিতৰণ ব্যৱস্থাক ব্যক্তিগত খণ্ডৰ হাতলৈ হস্তান্তৰ কৰিবলৈ এক অভিনৱ আৰু সুদূৰপ্ৰসাৰী পদক্ষেপ হাতত লৈছে। নতুনকৈ চূড়ান্ত কৰা বিধেয়কৰ জৰিয়তে ৰাজ্যসমূহত বিদ্যুৎ বিতৰণৰ ক্ষেত্ৰত বহু কোম্পানীৰ প্ৰৱেশৰ দুৱাৰ খুলি দিয়া হ'ব। চৰকাৰী মতে, ইয়াৰ লক্ষ্য হ'ল বিতৰণ ব্যৱস্থাত প্ৰতিযোগিতা সৃষ্টি কৰি গ্ৰাহকক উন্নত সেৱা আগবঢ়োৱা, বিতৰণকাৰী সংস্থাসমূহৰ আৰ্থিক অৱস্থাৰ উন্নতি সাধন কৰা। কিন্তু, এই পৰিৱৰ্তন সাধাৰণ মানুহৰ বাবে সুখবৰ নে দুখবৰ, সেয়া এতিয়াও এক প্ৰশ্নৰে চিহ্নিত। চৰকাৰৰ যুক্তি সহজ-সৰল। বৰ্তমান সময়ত বহু ৰাজ্যিক বিদ্যুৎ বিতৰণ সংস্থা (ডিছক'ম) তীব্ৰ আৰ্থিক সংকটৰ সন্মুখীন। বহুক্ষেত্ৰত অদক্ষতা, লোকচান আৰু পুৰণি হৈ পৰা সা-সঁজুলিয়ে এই সংকটক আৰুৱে গভীৰ কৰিছে। এনে অৱস্থাত, ব্যক্তিগত খণ্ডই যদি পুঁজি, আধুনিক প্ৰযুক্তি আৰু দক্ষ ব্যৱস্থাপনা কৰে, তেন্তে বিদ্যুৎ বিতৰণৰ গুণগত মান উন্নত হ'ব আৰু গ্ৰাহকে নিৰৱচ্ছিন্ন বিদ্যুৎ সেৱা লাভ কৰিব বুলি আশা কৰাটো স্বাভাৱিক। লগতে, এখন অঞ্চলত একাধিক কোম্পানীৰ উপস্থিতিয়ে গ্ৰাহকক তেওঁলোকৰ পচন্দ অনুসৰি সেৱা গ্ৰহণৰ স্বাধীনতা দিব, ফলত কোম্পানীসমূহ গ্ৰাহকসন্তুষ্টিৰ ফালে বিশেষ গুৰুত্ব দিবলৈ বাধ্য কৰাব। কিন্তু, এই যুক্তিৰ সৈতে জড়িত কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন সাধাৰণ নাগৰিকৰ মনত উদয় হৈছে। প্ৰথম আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল — বিলৰ বিষয়টো। ব্যক্তিগত কোম্পানীবোৰৰ মূল লক্ষ্য হ'ল মুনাফা। সেয়া, বিদ্যুতৰ দৰ বৃদ্ধি কৰিব নেকি? চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হাৰত বিদ্যুৎ পোৱাৰ পৰিৱৰ্তে গ্ৰাহকে অধিক দৰত বিদ্যুৎ কিনিবলৈ বাধ্য হ'ব নেকি? বিশেষকৈ দৰিদ্ৰ আৰু নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ বাবে এই দৰবৃদ্ধিৰ প্ৰভাৱ অত্যন্ত গুৰুত্বপূৰ্ণ। দ্বিতীয়তে, লাভজনক নোহোৱা অঞ্চলসমূহৰ বিষয়ে চিন্তা। ব্যক্তিগত কোম্পানীবোৰে নিশ্চয়কৈ আঁতৰৰ গ্ৰাম্য অঞ্চল বা য'ত বিনিয়োগৰ হাৰ কম, তেনে অঞ্চলত সেৱা আগবঢ়াবলৈ আগ্ৰহী নহ'ব পাৰে। এই ক্ষেত্ৰত, এই অঞ্চলৰ লোকসকল বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত হ'ব নেকি? চৰকাৰে তেওঁলোকক কিভাৱে সংৰক্ষণ দিব? তৃতীয়তে, বৰ্তমান চৰকাৰী বিভাগত কাম কৰি থকা কৰ্মচাৰীসকলৰ ভৱিষ্যৎ। ব্যক্তিগতকৰণৰ ফলত তেওঁলোকৰ চাকৰিৰ নিৰাপত্তা কি হ'ব? নতুন কোম্পানীবোৰে তেওঁলোকক সংৰক্ষণ দিব নে ইয়াৰ ফলত বৃহৎ পৰিমাণে চাকৰি সঙ্কটৰ সৃষ্টি হ'ব? আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল নিয়ন্ত্ৰণৰ। ব্যক্তিগত মালিকানাধীন কোম্পানীবোৰক চৰকাৰে কিমান দূৰ নিয়ন্ত্ৰণ কৰিব পাৰিব? সেৱাৰ মান, দৰ নিৰ্ধাৰণ, অভিযোগ প্ৰক্ৰিয়া আদি ক্ষেত্ৰত এক শক্তিশালী নিয়ন্ত্ৰক মণ্ডলীৰ প্ৰয়োজন। নহ'লে, একচেটিয়া শাসনৰ সৃষ্টি হৈ গ্ৰাহকৰ স্বাৰ্থ ক্ষুণ্ণ হ'ব পাৰে। শেষত, বিদ্যুৎ খণ্ডত পৰিৱৰ্তন আৱশ্যকীয় বুলি অনুমোদন কৰিলেও, এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ আৰু জনসাধাৰণৰ স্বাৰ্থসংৰক্ষণকেন্দ্ৰিক হোৱাটো অতি প্ৰয়োজন। চৰকাৰে এই সংস্কাৰৰ জৰিয়তে গ্ৰাহকক কেৱল 'বিচাৰি লোৱাৰ' স্বাধীনতাই নিদিয়ে, একেলগে 'সুলভ দৰত উন্নত সেৱা' পোৱাৰ নিশ্চয়তা দিয়াটোও জৰুৰী। ৰাজ্যসমূহৰ সৈতে আলোচনা কৰি, সামাজিক দায়বদ্ধতাৰ এটা অংশ বান্ধি দি আৰু এক শক্তিশালী নিয়ন্ত্ৰক ব্যৱস্থা গঢ়ি তুলিহে এই উদ্যোগে দেশৰ বিদ্যুতৰ ভৱিষ্যত উজ্জ্বল কৰিব পাৰিব। নতুবা, এটা সমস্যাৰ সমাধান কৰিবলৈ গৈ আৰু কেইবাটাও নতুন সমস্যাৰ সৃষ্টি কৰিব পাৰে। সাধাৰণ মানুহৰ মনৰ এই প্ৰশ্নবোৰৰ সঠিক উত্তৰ হ'ল এই ঐতিহাসিক সিদ্ধান্তৰ সফলতাৰ মূল চাবিকাঠি।


প্ৰতিকূল সময়তো নিজৰ সাধুতাৰে বঞ্চিত,অসহায়, অভাৱগ্ৰস্ত লোকৰ কণ্ঠ হৈ সাহস হৈ আছিল জুবিন গাৰ্গ। জুবিনৰ গীতসমূহ শাসনাধিষ্ঠ সকলৰ অত্যাচাৰ, অন্যায়, ক্ৰুৰতা আৰু শোষণৰ বিৰুদ্ধে এক প্ৰত্যাহ্বান, এটা ভৰসা আৰু আশাৰ কিৰন হৈ পৰা এক পবিত্ৰ আত্মাৰ দৰে তেঁও কেতিয়াও নিজৰ কলাক ৰাজনৈতিক দলৰ প্ৰচাৰৰ মাধ্যম হ'বলৈ নিদিলে। নিজৰ কলাক অসমৰ বাবে অসমৰ জনসাধাৰণৰ বাবে অৰ্পন কৰিলে। অসমৰ জীৱন ৰেখা বুলি চিহ্নিত হোৱা ব্ৰহ্মপুত্ৰৰ জলৰাশিত সমাহিত কৰি দিলে।

# অনুভৱৰ সীমনাত অপ্ৰতিৰোধ্য জুবিন

**প্ৰদীপ খাদৰীয়া**

সেইজনেই জুবিন গাৰ্গ যিজনে বুকু ফিন্দাই ক'ব পাৰিছিল মোৰ কোনো জাতি নাই,মোৰ কোনো ধৰ্ম নাই। এক সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰি এজন সাধাৰণ মানুহৰ পৰা গৈ মানুহৰ মনৰ মাজত ভগৱানৰ ৰূপ পাবলৈ সক্ষম হোৱা জুবিন গাৰ্গ পূৰ্বোত্তৰ ভাৰত অসম তথা সমগ্ৰ বিশ্বতে লোক সঙ্গীত আৰু মনোৰঞ্জনেই নহয় জনজীৱন আৰু সংস্কৃতিৰো গটা অংশ আছিল। তেঁওৰ অকাল মৃত্যু কেৱল মাত্ৰ এজন গায়কৰ মৃত্যু নহয় এয়া অসমীয়া সংস্কৃতিৰ ওপৰত এক মোক্ষম আঘাতৰ দৰে হ'ল। অসমৰ লোকসংগীতৰ শিল্পী সকলক লোকশিল্পী আখ্যা দিয়াৰ সমান্তৰালভাৱে এই লোকসঙ্গীতৰ ধাৰাক বিশ্বমুখী কৰি তোলা সকলক বিশেষভাৱে অসমীয়াই জনপ্ৰিয় নায়কৰ শাৰীলৈ উন্নীতকৰণ কৰাই সন্মান প্ৰদৰ্শন কৰিবলৈ কৃপনালি কেতিয়াও নকৰে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই হওক বা হিয়াৰ আমঠু জুবিন গাৰ্গেই হওক, ৰাইজে তেঁওলোকক হৃদয়ৰ মাজৰ মাটিৰ গানৰ শিল্পীৰ স্থান দিছে। তেঁওলোকৰ মৃত্যুৰ পাছত অসমৰ জনতা যিদৰে মৰ্মাহত হৈ ওলায় আহিল সেয়াই প্ৰমাণ কৰি দিয়ে যে অসমৰ লোকসঙ্গীত ভাষা, জাতি আৰু ধৰ্মৰ ওপৰলৈ গৈ জনতাক এডাল এনাজৰীৰে কটকটীয়াকৈ বান্ধি থোৱা এটা শক্তিশালী মাধ্যম।

অসমৰ সংস্কৃতিৰ আত্মাৰ মূল কেন্দ্ৰস্থল হ'ল অসমৰ বাৰেৰহণীয়া লোক সংগীত। সামাজিক পৰিচয়,ভাৱনাত্মক অভিব্যক্তি, সমজুৱা স্মৃতি, কৃষি আৰু কৃষক, উৎসৱ, বিবাহ, ধৰ্মীয় ৰীতি-নীতি কেৱল মনোৰঞ্জনৰ আহিলা নহয়। ই জীৱনৰ এক অপৰিহাৰ্য অঙ্গ। পৰম্পৰাগত গীত-মাত,বাদ্যযন্ত্ৰ সামাজিক একতা আৰু সামাজিক আনন্দ উদযাপনৰ এক অনন্য উৎস।



জুবিন গাৰ্গৰ জন্ম ১৮/১১/১৯৭২ চনত হৈছিল আৰু দুৰ্ভাগ্যজনক ভাৱে ১৯/৯/২০২৫ চনত মাত্ৰ ৫২ বছৰতে তেঁওৰ মহাপ্ৰয়াণ ঘটে। একেদৰেই অসমৰ সাহিত্য সংস্কৃতি আৰু সঙ্গীতৰ ক্ষেত্ৰখনৰ পুৰুধা ব্যক্তি জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্ম ১৭/০৬/১৯০৩ চনত হয় আৰু তেখেতৰ মহাপ্ৰয়াণ ঘটে ১৭/১/১৯৫১ চনত মাত্ৰ ৪৮ বছৰ বয়সতে। সেই দৰেই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম ৮/৯/১৯২৬ চনত হৈছিল আৰু ৩০/৬/২০১১ চনত তেখেতৰ মহাপ্ৰয়াণ ঘটিছিল। সুধাকণ্ঠই জীৱনৰ ৮৫ টাকৈ বৰ্ষ লাভ কৰিবলৈ সক্ষম হৈছিল।

এইসকল মহান আত্মাৰ ভিতৰত কোনোবাজনে বহু কম বয়সতে ইমান বেচি উচ্চ আসনলৈ যাবলৈ সক্ষম হৈছিল যে সেয়া প্ৰায় অসম্ভৱৰ দৰে আছিল। সমাজৰ মাজত এজন সাধাৰণ মানুহৰ দৰে জীৱন যাপন কৰি ভগৱান সদৃশ আসন লাভ কৰাটো এক দিব্য চমৎকাৰ বুলিও অভিহিত কৰিব পাৰি। বিগত এটা সপ্তাহ ধৰি অসমবাসী দুখত,শোকত ডুবি আছে। যেতিয়া শিশু,কিশোৰ-কিশোৰী,যুৱ-প্ৰজন্ম, পুৰুষ-মহিলা, বৃদ্ধ-বৃদ্ধা,বনুৱা, মালিক, বিষয়া-কৰ্মচাৰী, শিল্পী, কাৰিকৰ, কৃষক, মাছুৱৈৰ লগতে প্ৰতিটো স্তৰৰে লোকে বুকুত ঢকিয়াই কান্দি আছিল সেই সময়ত তেঁওলোকৰ এই ক্ৰন্দনে সংবেদনশীল প্ৰতিজনকে প্ৰভাৱিত কৰিছিল। জুবিন গাৰ্গৰ অসহনীয় অকাল মৃত্যুৱে কলাজগতৰ বাবে অপূৰণীয় ক্ষতি হিচাপে চিহ্নিত হৈছে যিহেতু সঙ্গীতৰ পৃথিৱীৰ উজ্জ্বল ভোটা তৰাটো চিৰজীৱনৰ বাবে আকাশৰ পৰা খহি পৰিল। আমি এয়া জানিবলৈ বা বুজিবলৈ চেষ্টা কৰিম কেনেকৈ সাধাৰণ যেন লগা,সাধাৰণ কৈ থকা এজন মানুহে জনসাধাৰণৰ মনৰ মাজত থকা নিজৰ অনুভৱৰ আচুতীয়া ঘৰত ইমান গভীৰ ভাৱে সংপৃক্ত হ'বলৈ সক্ষম হৈছিল।

১/ মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো জাতি নাই। সাম্প্ৰতিক সময়ত জাতি,ধৰ্ম,মন্দিৰ,মচজিদৰ জড়িয়তে গাদী দখলৰ চেষ্টা কৰি থকা সহজেই পৰিলক্ষিত হয়। প্ৰতিটো সুবিধা লাভ কৰাৰ মাধ্যম হৈ গৈ আছে এই জাতি ধৰ্মৰ বিষয়টো। প্ৰতিখন সমাজে চেষ্টা কৰি অহা পৰিলক্ষিত হৈছে কেনেকৈ নিজৰে পিছপৰা বঞ্চিত শ্ৰণীৰ লোকৰ তালিকাত নিজকে অন্তৰ্ভুক্ত কৰিব পাৰে। কিন্তু জুবিন গাৰ্গে এয়া প্ৰমাণ কৰি দেখুৱালে যে জাতি ধৰ্মৰ উৰ্দ্ধত গৈ ঈশ্বৰৰ পৰা ভগৱানৰ ৰূপ কেনেকৈ ল'ব পাৰি। জুবিন গাৰ্গে ভক্তিগীত বা অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ লোকসঙ্গীতৰ চৰ্চা কৰিছিল এজন অসমীয়া হিচাপেহে। মানুহৰ পুজাৰী আছিল তেঁও আৰু সেয়াই আছিল তেঁওৰ ধৰ্মও। মন্দিৰ নামঘৰৰ প্ৰতি তেঁও আছিল কিন্তু উদাসীন।

২/ স্পষ্টবাদিতা-জুবিন গাৰ্গ আছিল স্পষ্টবাদী। যিটো কথা ক'বলগীয়া থাকে দ্বিধাহীন ভাৱে স্পষ্টৰূপত কৈ দিছিল। কিছুসময়ৰ বাবে শ্ৰোতাৰ বেয়া লাগিছিল যদিও কিছুসময়ৰ পাছতেই সেয়া বুজি উঠিছিল। সমাজৰ বাবে ক্ষতিকাৰক বিষয়বোৰত জুবিন গাৰ্গে স্পষ্টকৈ নিজৰ বেয়া লগা খিনি কোনো লুকঢাক নোহোৱাকৈ কৈ দিছিল যাতে সমাজে এটা শুদ্ধ পথ বিচাৰি পাই। তেঁওৰ বক্তব্যত কিন্তু কেতিয়াও ন্যস্তস্বাৰ্থ জড়িত নাছিল।

৩/ শিপা- নিজৰ শিপাদাল জুবিন গাৰ্গে প্ৰতি মুহূৰ্ততে খামুচি ধৰি ৰাখিছিল। জুবিন গাৰ্গে সদায় নিজৰ মাতৃভূমি অসমৰ সুগন্ধিৰ মাজত থাকিবলৈ ভাল পাইছিল। যি সময়ত মুম্বাইত জুবিন গাৰ্গৰ কেৰিয়াৰৰ গ্ৰাফদাল উৰ্দ্ধগামী হ'বলৈ আৰম্ভ কৰিছিল সেই সময়তে তেঁও মুম্বাই এৰি গুৱাহাটীলৈ উভতি আহিছিল। যেতিয়া অসমীয়া বোলছবি জগতলৈ কলীয়া আন্ধাৰ নামি আহিছিল সেই সময়তে জুবিন গাৰ্গে কাৰ্যতঃ যেন অসমীয়া বোলছবি জগতক এক নতুন প্ৰাণ দিবলৈ সক্ষম হ'ল। যাৰবাবে যুৱ প্ৰজন্মই প্ৰেৰণা লাভ কৰি উৎসাহিত হৈ পৰিছিল। সমাজে সেইসকল মহান ব্যক্তিক কেতিয়াও নাপাহৰে যিসকলে সমাজৰ মাজতে থাকি সমাজৰ কলা সংস্কৃতি সঙ্গীতৰ সেৱাত সদায় ব্ৰতী হৈ থাকে।

৪/ প্ৰকৃতি প্ৰেম-জুবিন গাৰ্গ প্ৰকৃতিপ্ৰেমী আছিল। প্ৰকৃতিৰ মাজত তেঁও বিচাৰি পাইছিল অনাবিল আনন্দ। প্ৰকৃতিয়ে কেতিয়াও কাৰো অন্যায় নকৰে বিপৰীতে কিন্তু মানুহে প্ৰকৃতিৰ অনিষ্ট কৰে। তেঁওৰ আছিল জীৱ জন্তুৰ প্ৰতি অগাধ প্ৰেম। তেঁওৰ অন্তিম শয়নৰ সময়ত জুবিন গাৰ্গৰ ঘৰত পালিত হোৱা জন্তুৱেও তেঁওৰ দৰ্শন পাবলৈ ব্যাকুল হৈ পৰিছিল। অভিলাষী জীৱনৰ পৰিৱৰ্তে তেঁও ভাল পাইছিল প্ৰাকৃতিক জীৱন য'ত তেঁও লাভ কৰিছিল অনাবিল শান্তি।

৫/ নমনীয়তা-জুবিন গাৰ্গৰ স্বভাৱত নমনীয়তা আছিল। তেঁও পঞ্চ তাৰকাযুক্ত হোটেলতো খাদ্য গ্ৰহণ কৰিছিল সমান্তৰালভাৱে ফুট-পাথৰ সৰু দোকানৰ সন্মুখত টুলত বহি ৰুটি-ভাজিও খাইছিল ।জুবিন গাৰ্গ যিটো এপাৰ্টমেণ্টত বাস কৰিছিল সেই এপাৰ্টমেণ্টৰ তলতে এখন সৰু ঘুমটি দোকান আছিল। সেইখনলৈ আহি কেতিয়াবা হঠাতে বহি ৰুটি-ভাজি খাইছিল ।দোকানীজনৰ খবৰো নিয়মিতভাৱে লৈ আছিল আৰু প্ৰয়োজন অনুসৰি সহায়ো কৰিছিল। কেতিয়াবা আকৌ নিশাৰ ভাগত চাহ খাবলৈ হঠাতে উপস্থিত হৈছিলগৈ গুৱাহাটী মেডিকেল কলেজৰ চৌহদৰ সৰু সৰু চাহৰ দোকানত।

৬/ ব্যক্তিকেন্দ্ৰীক নহয় সামাজিক দায়বদ্ধ আছিল জুবিন-জুবিন গাৰ্গে মানি চলিছিল যে তেঁওক জীয়াই থাকিবলৈ যি পইচাৰ প্ৰয়োজন হয় সেয়াহে তেঁওৰ। বাকী থকা আটাইখিনি টকা-পইচা তেঁও দুখীয়া,অসহায় লোকৰ মাজত বিলাই দিছিল। তেঁওৰ ঘৰৰ দুৱাৰ সদায় খোলা আছিল। যিকোনো ব্যক্তিয়ে যিকোনো সময়ত তেঁওক লগ কৰি নিজৰ মনৰ কথা ক'ব পাৰিছিল । হয়তো সেই অসহায় মানুহখিনিৰে আশীৰ্বাদ সেয়া যিখিনিয়ে জুবিন গাৰ্গক মহান কৰি তুলিলে।

প্ৰতিকূল সময়তো নিজৰ সাধুতাৰে বঞ্চিত,অসহায়, অভাৱগ্ৰস্ত লোকৰ কণ্ঠ হৈ সাহস হৈ আছিল জুবিন গাৰ্গ। জুবিনৰ গীতসমূহ শাসনাধিষ্ঠ সকলৰ অত্যাচাৰ, অন্যায়, ক্ৰুৰতা আৰু শোষণৰ বিৰুদ্ধে এক প্ৰত্যাহ্বান, এটা ভৰসা আৰু আশাৰ কিৰন হৈ পৰা এক পবিত্ৰ আত্মাৰ দৰে । তেঁও কেতিয়াও নিজৰ কলাক ৰাজনৈতিক দলৰ প্ৰচাৰৰ মাধ্যম হ'বলৈ নিদিলে। নিজৰ কলাক অসমৰ বাবে অসমৰ জনসাধাৰণৰ বাবে অৰ্পন কৰিলে। অসমৰ জীৱন ৰেখা বুলি চিহ্নিত হোৱা ব্ৰহ্মপুত্ৰৰ জলৰাশিত সমাহিত কৰি দিলে। অসমৰ প্ৰতি ঘৰে ঘৰে প্ৰতিটো চুকেকোণে তেঁওৰ কণ্ঠ গুঞ্জৰিত হ'বলৈ ধৰিলে। প্ৰতিটো কণ্ঠ তেঁওৰ কণ্ঠ হ'বলৈ আতুৰ হৈ পৰিল। তেঁওৰ গীতে লাখ লাখ লোকৰ পৰিচয় বহন কৰিলে। তেঁওৰ গীত সুখ-দুখ, উলাহ, প্ৰেৰণা, স্বপ্ন, জয়-পৰাজয়, উদাসীনতা আৰু আয়োজনৰ এক অঙ্গ হৈ পৰিল।

জীৱনযাত্ৰাত জুবিন গাৰ্গে প্ৰায় ৩৮০০০ গীত গালে। ৪০ টাতকৈও অধিক ভাষাত গোৱা গীতসমূহে হৃদয় ভৰাই তোলে শ্ৰোতাৰ।পূৰ্বোত্তৰ ভাৰতৰ বিহাৰৰ ষঠ্ পূজাৰ সময়ত জুবিন গাৰ্গে গোৱা ভোজপুৰী ভাষাৰ গীতত পৰম্পৰাগতা মধুৰতা,সৌন্দৰ্য আৰু কোমলতা অনুভৱ কৰিব পৰা যায়। জুবিন গাৰ্গৰ গীত অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, চিক্কিম, তীবৃত, নাগালেণ্ড, বাংলাদেশ,পশ্চিম বঙ্গৰ জনসাধাৰণৰ মাজত আকাংক্ষাৰ সুৰ হিচাপে পৰিচিত হৈ আছে।

জুবিন গাৰ্গৰ গীতসমূহ সঙ্গীতৰ এখন বৃহৎ ফুলনি। যাৰ সুগন্ধিয়ে আকৃষ্ট কৰি তোলে সকলোকে । সম্ভৱতঃ সেয়েহে তেঁওৰ অন্ত্যেষ্টিঃক্ৰিয়াৰ অনুষ্ঠানলৈ ভূটানৰ নৰেশে তেখেতৰ বিশেষ প্ৰতিনিধি প্ৰেৰণ কৰিছিল।

জুবিন গাৰ্গে বলিউদৰ বাবেও গীত গাইছিল কিন্তু সেয়াও নিজৰ চৰ্তসাপেক্ষে। তেঁও অসমৰ বাহিৰলৈ যাব বিচৰা নাছিল। অসমৰ মাটিৰ প্ৰতি তেঁওৰ অধিক দায়বদ্ধতা আছিল। জুবিনৰ দৰে শিল্পী বহু শতাব্দীৰ পাছত জন্ম লয়। শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, ভূপেন হাজৰিকা, জুবিন গাৰ্গ, এনে একোজন মহানায়ক যি সকলৰ কলাৰ পৰিসৰ নিৰ্ধাৰিত সীমাৰ পৰিধি ভাঙি বিশ্বমুখী যাত্ৰা কৰিবলৈ সক্ষম হয়। জুবিন গাৰ্গে অসমৰ হৃদস্পন্দন,অসমৰ সংস্কৃতি আটোমটোকাৰীকৈ সজায় আৰু অধিক জিলিকাই তুলিলে । মানুহ হোৱাৰ অৰ্থ জুবিন গাৰ্গে বৃহৎ পৰিসৰত বুজাই থৈ গ'ল।

এনে এগৰাকী মহান শিল্পীক,গায়কক হৃদয়ৰ পৰা আন্তৰিকতাৰে সেৱা জনালোঁ। তোমাক আমি সদায় আমাৰ মাজত জীয়াই ৰাখিম অনাগত সময়ত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ।

# জুবিনৰ মায়াবিনী আৰু মাঞ্চৰ 'দ্যা স্ক্ৰীম'

**পুষ্পাঞ্জলি শিৰমশৰ্মা**

জুবিন গাৰ্গৰ লগত সাম্প্ৰতিক সময়ত আটাইতকৈ বেছি প্ৰচলিত "মায়াবিনী" গীতটি যি কথাছবি "দাগ"(২০০১)ৰ পৰা লোৱা, (কণ্ঠ ঃ জুবিন গাৰ্গ, সংগীত ঃ জুবিন গাৰ্গ আৰু কথা ঃ জুবিন গাৰ্গ)

এই ক্ষেত্ৰত কৰবাত প্ৰতিফলিত হয় তেওঁৰ জীৱনৰ "কুহকিনী" ৰাতিৰো সেই একেই প্ৰতিচ্ছবি।

"এন্ধাৰো সঁচা মোৰ
বহু দিনৰে আপোন"।

জুবিন গাৰ্গে ক'ৰবাত উক্ত গানটিত নিজৰ সত্তা আৰু 'মই' তোক বৰ সুন্দৰকৈ অঙ্কন কৰিছে। তেওঁৰ জীৱিত কালত এইটো এটি সাধাৰণ গীতৰ দৰে আত্মপ্ৰকাশ কৰাৰ পিছতো যিদৰে প্ৰতিজন শ্ৰোতাৰ অন্তৰ চুব পাৰিছিল এতিয়া তেওঁৰ দেহাৱসানৰ পিছত এই একেই গীতটোৱে জীৱনৰ প্ৰাৰ্থনা হৈ পৰিছে। যিদৰে মাঞ্চে তেওঁৰ "স্ক্ৰীম" চিত্ৰখনৰ সৃষ্টিৰ আঁৰৰ কাৰণসমূহ দৰ্শাব গৈ মাঞ্চে এটি অনুভৱ বোধক ব্যাখ্যা কৰিছিল, "মই দুজন বন্ধুৰ সৈতে ৰাস্তাৰে খোজ কাঢ়ি গৈ আছিলো - সূৰ্য্য অস্ত গৈছিল - দুখৰ ঢৌ এটি অনুভৱ কৰিলোঁ - আকাশখন হঠাতে তেজ ৰঙা হৈ পৰিল আৰু মই ৰৈ দিলোঁ। ক্লান্ত হৈ পৰিলোঁ। আৰু বেৰৰ ওপৰত আউজি দিলোঁ... মোৰ বন্ধুসকলে আগবাঢ়ি গুচি গ'ল - মই অকলে তাত থিয় হৈ উদ্বিগ্নতাত কঁপি আছিলোঁ - আৰু মই অনুভৱ কৰিলোঁ যেন প্ৰকৃতিৰ মাজেৰে এটা বিশাল, অন্তহীন চিএঞৰ এটা পাৰ হৈ গৈছে।" যিদৰে জুবিনেও গাইছিল,

"ধুমুহাৰ সতে মোৰ বহু যুগৰে নাচোন।
এন্ধাৰো সঁচা মোৰ....।

১৮৯৩ চনত এডভাৰ্ড মাঞ্চ নামৰ এগৰাকী শিল্পীয়ে 'দ্য স্ক্ৰিম' নামৰ এখন কালজয়ী চিত্ৰ অঙ্কন কৰিছিল আৰু সেই সম্পৰ্কত জিনেট উইণ্টাৰছনে কৈছিল 'দ্যা স্ক্ৰিম' কোনো ধুনীয়া ছবি নহয়, যে ইয়াক চাই প্ৰশংসা কৰিব পাৰি, ইয়াৰ অৰ্থ ইমানেই সৰ্বজনীন যে ইয়াক বুজিবলৈ ইয়াক গভীৰভাৱে অধ্যয়ন কৰাৰ প্ৰয়োজন হ'ব। ই আমাৰ ভিতৰৰ 'মই'ক প্ৰত্যাহ্বান জনোৱা এক কলা।

চিত্ৰখনত মাঞ্চে জীৱনৰ ধামখুমীয়াৰ বিভিন্ন জটিল আৰু বহুমুখী দিশবোৰক প্ৰতিফলিত কৰিছিল। নিজেই তেওঁ ছবিখনৰ উৎপত্তিৰ বিষয়ে ব্যাখ্যা আগবঢ়াই উল্লেখ কৰিছিল যে, 'দ্যা স্ক্ৰিম' হৈছে এক শক্তিশালী আৰু উত্তেজক চিত্ৰ যিয়ে তীব্ৰ আৱেগিক দুখৰ এটা মুহূৰ্তক ধৰি ৰাখিব যত্ন কৰিছে।

চিত্ৰত দেখাপোৱা আকৃতিটোৰ এটি চিএঞৰ, যি মানুহৰ উদ্বেগ আৰু হতাশাৰ এক সৰ্বজনীন প্ৰতীক ৰূপে অঙ্কিত কৰা হৈছে যাৰ ফলত চিত্ৰখনে এক কালজয়ী ঢাপ অতিক্ৰম কৰাত সফল হৈছে। যিদৰে জুবিনে গাইছিল, "নিজানৰ গান মোৰ....। "

মাঞ্চে ভিন্ন আৱেগে আগুৰি ধৰা এক মূৰ্তি অঙ্কন কৰিছিল যি এখন দলঙ এখনৰ ওপৰত এক বিশেষ ভঙ্গীমাত থিয় হৈ আছিল। চিত্ৰখনৰ মূল উপাদানসমূহৰ ভিতৰৰ কেন্দ্ৰীয় আকৃতিটো প্ৰকৃততে মাঞ্চৰে আত্মচিত্ৰ, যাৰ মুখখন সাংঘাতিক ক্ষীণ আৰু চকু দুটা কোটোৰাত পৰি যোৱাৰ দৰে অঙ্কিত হৈছে। মুখখনতো এক মিশ্ৰিত ভাৱৰ ভঙ্গীমা ফুটি উঠিছে।

বাহু দুটা ওপৰলৈ হাত দুখন হতাশাৰ ইংগিতক সামৰি একেলগে মিহলি কৰি যেন অঙ্কিত কৰা হৈছে। - এক চিএঞৰ নিৰ্গত হৈছে। এয়াই 'দ্যা স্ক্ৰীম'।

আৰু জুবিনৰ ধুমুহাৰ সতে বহু যুগৰ পৰাই একেলগে নাচি বাগৰি এন্ধাৰৰ মাজতহে সত্য বিচাৰি পাইছিল। চিত্ৰখনৰ মুখখন নীৰৱ চিএঞৰত বিবৰ্ণ হৈছে, যিয়ে তীব্ৰ উদ্বেগ, ভয় বা হতাশাৰ অনুভূতিক প্ৰকাশ কৰিছে। চিএঞৰটো কিন্তু শ্ৰৱণযোগ্য নহয় আৰু আচৰিত ভাৱে ই কিন্তু স্পৰ্শযোগ্যহে। শিল্পীৰ মনৰ কেঁচা আৱেগৰ ভাৱ এটা ইয়াত পৰিস্ফূৰ্ত হৈছে। শিল্পীৰ কাৰ্যকুশলতা ইয়াতেই। মায়াবিনীৰো একেই। "মায়াবিনী"ত শিল্পৰ স্পৰ্শ আছে। চিত্ৰত থকা দলঙখন যিয়ে দুটা বিন্দুৰ মাজৰ এটা পৰিৱৰ্তনশীল স্থানক প্ৰতিনিধিত্ব কৰি আছে। ই সংকটৰ মুহূৰ্ত বা মানৱ জীৱনৰ টাৰ্নিং পইণ্টৰ প্ৰতীক হ'ব পাৰে বুলি কব পাৰি।

চিত্ৰৰ পটভূমিত নীলা, হালধীয়া, আৰু কমলা ৰঙৰ এটা ঘূৰ্ণীবতাহৰ মিশ্ৰণ দেখা গৈছে, যিয়ে জীৱন পথৰ অস্থিৰতাবোৰ আৰু বিশৃংখলতাৰ অনুভূতিবোৰক বহন কৰা যেন ভাব হয়। অৱশ্যে ৰংবোৰ সাহসী আৰু স্পন্দনশীল, যিয়ে ছবিখনৰ সামগ্ৰিক আৱেগিক তীব্ৰতা বৃদ্ধি কৰাত সফল হৈছে। তাত দেখা ৰেখা আৰু আকৃতিবোৰৰ জৰিয়তে মাঞ্চে জীৱনৰ গতিশীল গতিৰ অনুভূতি সৃষ্টি কৰিবলৈ সাহসী, প্ৰকাশভংগীমূলক ভাৱে উপস্থাপন কৰিছে। যিদৰে জুবিনেও প্ৰতি শৰতৰ প্ৰভাতী সুৰত আশাৰো সন্ধান কৰিছে।

"প্ৰতি শৰতৰ প্ৰভাতি ফুলে
ক'ব তোমাকেই মোৰ কথা
প্ৰতি মেঘালী নিশা জোনে
ক'ব তোমাকেই মোৰ বেথা"।

তেওঁৰ সত্তাক সকলোৱে স্মৰণ কৰিব আৰু তেওঁ হেৰাই নাযায় তেওঁৰ বিশ্বাস। যি আজি প্ৰতিফলিত হৈছে জনসাধাৰণৰ মাজত। এডভাৰ্ড মাঞ্চৰ 'দ্য স্ক্ৰিমে' উনুকিয়াই দিয়াৰ দৰে সকলোৱে জীৱনত আৱেগবোৰৰ সৰ্বজনীনতা যি কৰবাত নহয় কৰবাত সময়ভেদে সকলোৰে বাবে একেই উদ্বেগ আৰু ভয় কঢ়িয়াই আনে।

আধুনিক জীৱন যাপনৰ পদ্ধতিত প্ৰাপ্ত মানসিক চাপৰ বাবে সকলোৱে কৰবাত নহয় কৰবাত "চিএঞৰ"ৰ সন্মুখীন হয়। "ধুমুহাৰ সতে মোৰ বহু যুগৰে" নাচোনৰ দৰে। কেতিয়াবা কেতিয়াবা সকলোৱেই অস্তিত্ব সংকটতো ভুগিব লগা হয় কিন্তু ই জীৱনৰ এক স্বাভাৱিক অংগ বুলি মানি লব পাৰিব লাগিব। এগৰাকী ব্যক্তিৰ আৱেগে আমাক ইজনে সিজনৰ লগত সংযোগ কৰে। আবেগবোৰৰ আতিশৰ্যতো 'চিএঞৰ' মাৰিবলগীয়া অৱস্থা হয়। মাঞ্চে 'দ্যা স্ক্ৰীম'ৰে তাক বুজাব বিচাৰিছিল। চিত্ৰশিল্পৰ সহায়ত। ঠিক জুবিন গাৰ্গে "মায়াবিনী"ত প্ৰকাশ কৰাৰ দৰে,

"সপোন আঁতৰি দিঠক নামে
চুব খুজিলেই মোৰ দুহাতে
দিঠক আঁতৰি সপোন আহে
ধুমুহাৰ স'তে মোৰ
বহু যুগৰে নাচোন"।

মাঞ্চৰ চিত্ৰখনে মানৱ অভিজ্ঞতাক এক শক্তিশালী ৰূপত প্ৰতিনিধিত্ব কৰিছে, ইয়াৰ মুখামুখি হ'বলৈ আৰু নিজৰ আৱেগ প্ৰকাশ কৰিবলৈ যেন উৎসাহিত কৰাৰ কথা উল্লেখ কৰা হৈছে। যদিও একাংশ শিল্প ইতিহাসবিদৰ মতে 'দ্যা স্ক্ৰিম' চিত্ৰখন আচলতে মাঞ্চৰ মাতৃ আৰু ভগ্নীৰ যক্ষ্মা ৰোগত মৃত্যুৰ প্ৰতিক্ৰিয়াৰ প্ৰতিফলন আছিল, যিয়ে তেওঁৰ জীৱন আৰু শিল্পত গভীৰ প্ৰভাৱ পেলাইছিল।

জুবিন গাৰ্গে এবাৰ উল্লেখ কৰা অনুসৰি তেওঁৰ মৰমৰ ভগ্নী "জংকি বৰঠাকুৰৰ" পথ দুৰ্ঘটনাত তেওঁৰ সমুখতে মৃত্যু হোৱাৰ কথাটোৱে বহুদিনলৈ তেওঁক আমনি কৰি আছিল। তেওঁ হতাশ হৈছিল ভাগি পৰিছিল। "মায়াবিনী"ৰাতিৰ বুকুত তেওঁ বোধকৰো জীৱনৰ ৰিক্ততাখিনি বিচাৰি ফুৰিছিল।

"নামি অহা ৰ'দৰে নৈ
মোৰ দেহত প্ৰতি পুৱা।"

তেওঁ আশা হেৰুৱাই পেলোৱা নাছিল। 'দ্যা স্ক্ৰীম'ত একাংশৰ মতে এক অভিব্যক্তিবাদী আন্দোলনৰো প্ৰকাশ আছিল, যিয়ে বিষয়ভিত্তিক আৱেগিক অভিজ্ঞতা আৰু অভ্যন্তৰীণ অনুভূতি প্ৰকাশ কৰিবলৈ বাস্তৱৰ বিকৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। নিজৰ মানসিক স্বাস্থ্যৰ সৈতে মাঞ্চৰ নিজা সংগ্ৰাম আদিৰ অভিজ্ঞতাবোৰে তেওঁৰ শিল্পক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। সেইবাবে তেওঁ প্ৰায়ে প্ৰেম, মৃত্যু, বিষাদ আৰু মানৱ অৱস্থাৰ বিষয়বস্তু অন্বেষণ কৰিছিল। যিদৰে জুবিন গাৰ্গে কৰিছিল,

"তুমি যে মোৰ শুকান মনত
নিয়ৰৰে চেঁচা টোপাল
নামি অহা, ৰ'দৰে নৈ" বুলি।

তীব্ৰ সংগ্ৰাম আৰু জীৱনৰ তুমুল প্ৰত্যাহ্বানৰ মাজতো মৃত্যুৰ আগলৈকে মাঞ্চে আধুনিক যুগৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু প্ৰভাৱশালী শিল্পী হিচাপে নিজৰ নাম সোণোৱালী আখৰৰে লিখি থৈ যায়।

যিদৰে আজি জুবিন গাৰ্গে শ্ৰোতা অনুৰাগী সকলৰ প্ৰতিজনৰে মন প্ৰাণ হৃদয়ত সোণালী আখৰৰে লিখিব সক্ষম হোৱাটো পৰিলক্ষিত হৈছে। এডভাৰ্ড মাঞ্চৰ 'দ্য স্ক্ৰিম' কেইবাটাও কাৰণত বিশ্বৰ অন্যতম বিখ্যাত চিত্ৰ বুলি বিবেচিত হোৱাৰ কাৰণৰ ভিতৰত চিত্ৰখনে তীব্ৰ আৱেগ আৰু অস্তিত্বৰ ক্ষোভক প্ৰাঞ্জলভাৱে ধৰি ৰখাত সফল হৈছে। লগতে গভীৰ মানসিক স্তৰত দৰ্শকৰ মাজত অনুৰণন ঘটাব পাৰিছে।

'দ্য স্ক্ৰিম'ত চিত্ৰিত উদ্বেগ আৰু ভয়ৰ অনুভূতি হৈছে এক সৰ্বজনীন মানৱ অভিজ্ঞতা, যাৰ ফলত চিত্ৰখনক বিভিন্ন সংস্কৃতি আৰু সময়ৰ বহু লোকে সামঞ্জস্য বিচাৰি পাইছে। "মায়াবিনী"ৰো গভীৰতাই লাহে লাহে কেৱল শ্ৰোতা অনুৰাগীৰ মাজতে নহয় এতিয়া সৰ্বব্যাপি এক কালজয়ী সৃষ্টিলৈ পৰ্যবেসিত হৈছে বুলি কব পাৰি।

'দ্য স্ক্ৰিম'ৰ ছবিখনৰ আকৃতিটো, মুখত হাত দুখন মিলাই আৰু মুখখন নীৰৱ চিএঞৰত মেলি দিয়াৰ ভঙ্গীমাটো, এক আইকনিক ইমেজত পৰিণত হৈছে যাৰবাবে সময়ে সময়ে ই জনপ্ৰিয় সংস্কৃতিত প্ৰায়ে প্ৰতিলিপি হিচাপে উল্লেখ কৰি আহিছে।

"মায়াবিনী" আজি যিদৰে প্ৰাৰ্থনা হৈ পৰিছে। নিজেই নিজৰ অন্তিম সময়ৰ বাবে লিখি গাই ঘোষণা কৰি যে "এইটো গীতে মোৰ শেষ সময়ত বাজি থাকিব"উৎকৃষ্ট এক শিল্পীৰ সৃষ্টিৰ উৎকৃষ্টতম নিদৰ্শন। মাঞ্চৰ কাঢ়া ঘন ৰং, ঘূৰ্ণীবতাহৰ আৰ্হি আৰু প্ৰকাশভংগী শৈলীৰ ব্যৱহাৰ নিজৰ সময়ৰ বাবে উদ্ভাৱনীমূলক আছিল যিয়ে আধুনিক শিল্পৰ বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। ১৮৯৩ চনত সৃষ্টি হোৱা 'দ্য স্ক্ৰিম'এ ১৯ শতিকাৰ শেষৰ ফালে আৰু ২০ শতিকাৰ আৰম্ভণিৰ উদ্বেগকো প্ৰতিফলিত কৰিছিল, যিটো সময় দ্ৰুত ঔদ্যোগীকৰণ, নগৰায়ন আৰু সামাজিক পৰিৱৰ্তনৰ দ্বাৰা চিহ্নিত হৈছিল। চিত্ৰখনৰ অস্পষ্ট প্ৰকৃতিয়ে বিভিন্ন দৃষ্টিভঙ্গীক ব্যাখ্যা কৰিছে যাৰ ফলত সৰ্বসাধাৰণে নিজৰ ভয় আৰু উদ্বেগকো তাত যেন বিচাৰি পাব সক্ষম হৈছে। "মায়াবিনী"তো বিচাৰি পাব। মাঞ্চে নিজৰ "প্ৰকৃতিৰ মাজেৰে পাৰ হৈ যোৱা চিএঞৰ"ৰ ব্যক্তিগত অভিজ্ঞতাৰ প্ৰতিফলন হিচাপে ছবিখনৰ বৰ্ণনাই কামটোৰ সৈতে প্ৰামাণ্যতা আৰু ব্যক্তিগত সংযোগৰ এক স্তৰ যোগ কৰে। বছৰ বছৰ ধৰি 'দ্য স্ক্ৰিম'এ যি উচ্চ নিলামৰ মূল্য কঢ়িয়াই আনিব সক্ষম হৈছে সেইটোৱেও ইয়াৰ খ্যাতিৰ ক্ষেত্ৰত অৰিহণা যোগাইছে।

"মায়াবিনী" আজি যিদৰে প্ৰাৰ্থনা হৈপৰিছে। নিজেইনিজৰ অন্তিম সময়ৰবাবে লিখি গাইঘোষণা কৰি যে "এইটো গীতে মোৰ শেষ সময়তবাজি থাকিব"উৎকৃষ্ট এক শিল্পীৰ সৃষ্টিৰ উৎকৃষ্টতম নিদৰ্শন। মাঞ্চৰ কাঢ়া ঘন ৰং, ঘূৰ্ণীবতাহৰ আৰ্হিআৰু প্ৰকাশভংগী শৈলীৰ ব্যৱহাৰ নিজৰ সময়ৰবাবে উদ্ভাৱনীমূলক আছিল যিয়ে আধুনিক শিল্পৰ বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল।

'দ্য স্ক্ৰিম'ক বহুলভাৱে অস্তিত্ববাদী ক্ষোভ আৰু আধুনিকতা মদেল হিচাপে গণ্য কৰা হয়, যিয়ে মানৱ অভিজ্ঞতাৰ তীব্ৰ আৱেগ আৰু উদ্বেগক ধৰি ৰাখে।

ইয়াৰ মূল তাৎপৰ্য্য নিহিত হৈ আছে ইয়াৰ শক্তিশালী আৱেগ উত্তেজিত কৰাৰ ক্ষমতা আৰু সংস্কৃতি আৰু সময়ৰ মানুহৰ মাজত অনুৰণন ঘটাব পৰা ক্ষমতা।

এক্সপ্ৰেচনবাদৰ এক গুৰুত্বপূৰ্ণ কৰ্ম হিচাপে ই এক নতুন শিল্প আন্দোলনৰ পথ প্ৰদৰ্শক আছিল আৰু "মায়াবিনী"ৰ ক্ষেত্ৰটো ইয়াক আশা কৰিব পাৰি বুলি বিশ্বাস হয়।

দুয়োগৰাকী ভিন্ন শিল্পী যদিও দুয়োগৰাকীৰ সৃষ্টিয়ে সমাজৰ বাস্তৱিক প্ৰতিনিধিত্বতকৈ বিষয়ভিত্তিক আৱেগিক অভিজ্ঞতাক অগ্ৰাধিকাৰ দিছিল। ইয়াৰ উপৰিও আধুনিক শিল্প, জনপ্ৰিয় সংস্কৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱ আৰু সমসাময়িক সমাজত ইয়াৰ চিৰস্থায়ী প্ৰাসংগিকতাই শিল্প ইতিহাসৰ এক মাষ্টাৰপিছ হিচাপে ইয়াৰ মৰ্যাদাক উন্নীত কৰিবলৈ সক্ষম হ'ব। দুয়োজনৰ শিল্পৰ খ্যাতি ইয়াৰ বিষয়বস্তুৰ সৰ্বজনীনতা আৰু ইয়াক সৃষ্টি কৰা উদ্ভাৱনী শৈলীৰ প্ৰমাণ হিচাপে সৰ্বসাধাৰণৰ হৃদয় চুইছে।

আধুনিক উদ্বেগৰ প্ৰতিনিধিত্ব হিচাপেই হওক, অস্তিত্ব সংকটৰ প্ৰতীক হিচাপেই হওক বা কেৱল এক শক্তিশালী শিল্পকৰ্ম হিচাপেই হওক, 'দ্য স্ক্ৰিম' আৰু 'মায়াবিনী' সৰ্বসাধাৰণ মানুহৰ মাজত অনুৰণিত হৈ থকা এক শক্তিশালী প্ৰতিচ্ছবি হৈয়েই থাকি যাব। জুবিন গাৰ্গ আৰু সকলো শিল্পীয়েই শিকাই গ'ল সংকট আৰু মানসিক চাপৰ সময়ত নিজকে শান্ত কৰিবলৈ আমি যে শিল্পৰ ফালে মুখ কৰিব লাগে সৃষ্টিক সংগী কৰিব লাগে তাকে শিকাই গ'ল। ইতিহাস প্ৰমাণ আছে যে শিল্পই আমাক অসুস্থতাৰ অভিজ্ঞতাৰ পৰা উদ্ভৱ হোৱা কঠিন আৱেগকে ধৰি কঠিন আৱেগ প্ৰকাশ বা মোকাবিলা কৰাত সহায় কৰিব পাৰে। এই শিল্পবোৰৰ যে সৃষ্টি হ'য় আৰু শিল্পীবোৰেই অতি সহজে আমাৰ মাজলৈ আনি সেই অনুভৱক সিঁচৰতি কৰি তাৰে নিদৰ্শন দাঙি ধৰি মানৱ সমাজত আলোড়নৰ সৃষ্টি কৰি আহিছে।

মুঠতে যিদৰে "দ্যা স্ক্ৰীম" মানৱ আৱেগক প্ৰতিনিধিত্ব কৰা এক শক্তিশালী প্ৰতীকাত্মক কলাত্মক উদ্ভাৱন বুলি একেষাৰে কব পাৰি, ঠিক সেইদৰে জুবিন গাৰ্গৰ "মায়াবিনী"য়েও যে ইতিহাস ৰচিব তাক নুই কৰিব নোৱাৰি।

সদায়েই এনে সৃষ্টিবোৰে ৰাইজক অনুপ্ৰাণিত আৰু আশ্চৰ্যচকিত কৰি ৰাখিব পৰা এক সাংস্কৃতিক স্পৰ্শশিলা বিধৰ শিল্প বুলি বিবেচিত হৈ আছে আৰু থাকিব।

শেষত একেষাৰে ক'ব পাৰি যে এডভাৰ্ড মাঞ্চৰ "দ্য স্ক্ৰীম" আৰু জুবিন গাৰ্গৰ "মায়াবিনী"হৈছে এক্সপ্ৰেছনিষ্ট শিল্পৰ এক উৎকৃষ্ট নিদৰ্শন যিয়ে মানৱ আৱেগৰ শক্তিশালী চিত্ৰণেৰে ৰাইজক চিৰদিনলৈ মোহিত কৰি ৰাখিবলৈ সক্ষম হ'ব।

### গণশিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ ক্ষেত্ৰত আপোচহীন অৱস্থান

# ক্ষুদ্ৰ চাহ খেতিয়কে ন্যূনতম উৎপাদন ব্যয় লাভ কৰা নাই

### গোলাঘাটত সৰ্বভাৰতীয় কংগ্ৰেছৰ সংবাদমেল

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৩ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ সীমান্তবৰ্তী অসমৰ গাঁও নগা দুৰ্বিত্তই জ্বলাই দিয়াত চৰকাৰৰ সোপাটিল নীতিক আজি গোলাঘাট জিলা কংগ্ৰেছৰ জননেতা তৰুণ গগৈ প্ৰেক্ষাগৃহত কংগ্ৰেছ দলে আয়োজন কৰা সংবাদমেলত তীব্ৰ সমালোচনা কৰি সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ ৰাষ্ট্ৰীয় সমন্বয়ক হাৰমিট বাৰেজা আৰু নিলবাহ শুক্লাই তীব্ৰ ভাষাৰে সমালোচনা কৰে। সংবাদমেলত ৰাষ্ট্ৰীয় সমন্বয়ক হাৰমিট বাৰেজাই অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কে উৎপাদন ব্যয়ৰ ন্যূনতম মূল নোপোৱাত গভীৰ দুখ প্ৰকাশ কৰি ২০২৬ চনত কংগ্ৰেছ দলৰ নেতৃত্বত চৰকাৰ আহিলে ন্যূনতম বিক্ৰয় মূল্য(এম এছ পি) নিৰ্ধাৰণ কৰা হ'ব বুলি উল্লেখ কৰে। বিদেশত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সম্পৰ্কে সাংবাদিকে প্ৰতিক্ৰিয়া বিচৰাত গণশিল্পী জুবিন গাৰ্গৰ আকস্মিক আৰু ৰহস্যজনক মৃত্যুত দুখ প্ৰকাশ কৰি ন্যায়ৰ দাবী জনোৱাৰ লগতে ভাৰতীয় জাতীয় কংগ্ৰেছ এই ক্ষেত্ৰত সদায় অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ পৰিয়ালৰ লগত থাকিব বুলি মন্তব্য প্ৰদান কৰাৰ লগতে এই ক্ষেত্ৰত কংগ্ৰেছ দলে সকলো ধৰণৰ ৰাজনীতিৰ পৰা বিৰত থাকিব বুলি দৃঢ়তাৰে কয়। সংবাদমেলত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সমন্বয়ক নিলবাহ শুক্লাই বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি পূৰণত চূড়ান্ত ব্যৰ্থ হৈছে বুলি উল্লেখ কৰে। গোলাঘাট কংগ্ৰেছ ভৱনৰ জননেতা তৰুণ গগৈ প্ৰেক্ষাগৃহত আয়োজিত সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ তৰ্পন ফুকন, গোলাঘাট জিলা কংগ্ৰেছৰ উপসভাপতি জেনিথ বৰা আৰু ভূপেন ৰাজখোৱা, গোলাঘাট জিলা কংগ্ৰেছ মিডিয়া বিভাগৰ অধ্যক্ষ গোপাল কৃষ্ণ খাউণ্ড, গোলাঘাট জিলা কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ তথা সাধাৰণ সম্পাদক দিগন্ত বাইলুং, জ্যেষ্ঠ মুখপাত্ৰ ৰুস্তম বৰা আৰু হৃদয়ানন্দ গগৈ, গোলাঘাট জিলা কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক দিপাংকৰ বৰা, সাধাৰণ সম্পাদক ক্ৰমে তৰুণ ফুকন আৰু প্ৰবীণ গগৈ, গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰূপান্তৰ তাঁতী, সাধাৰণ সম্পাদক সত্যব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছ সামাজিক মাধ্যম বিভাগৰ উপাধ্যক্ষ বিজিত সন্দিকৈ, ডিব্ৰুগড় জিলা কংগ্ৰেছ সামাজিক মাধ্যম বিভাগৰ অধ্যক্ষ প্ৰাঞ্জল ভূঞা উপস্থিত থকা সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছৰ অন্যতম সাধাৰণ সম্পাদক তথা গোলাঘাট জিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক মনোৰঞ্জন বুঢ়াগোহাঁইয়ে গোলাঘাট জিলাত জন্ম হোৱা অসম গণ পৰিষদে অসম চুক্তিক নস্যাৎ কৰি নাগৰিকত্ব সংশোধনী আইনৰ ক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টিৰ লগত মিত্ৰতা কৰি অসমৰ ৰাইজৰ জাতীয় জীৱনত যি কুঠাৰঘাট কৰিছে তাৰ পৰিপ্ৰেক্ষিতত অসম চুক্তিৰ আত্মাস্বৰূপ জনজাতিকৰণৰ মূল বিষয়টো অৱহেলা কৰি নিম্নমানৰ ৰাজনীতি কৰিছে বুলি কয়। অন্যহাতে আজিৰ সংবাদমেলত সৰ্বভাৰতীয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সমন্বয়ক হাৰমিট বাৰেজা আৰু নিলবাহ শুক্লাই ৰাইজৰ সপক্ষে ভাৰতীয় জাতীয় কংগ্ৰেছ দলে গ্ৰহণ কৰা কাৰ্যসূচী সমূহ প্ৰচাৰ কৰাত গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ সহযোগিতা প্ৰদানৰ আহ্বান জনাই প্ৰতিগৰাকী সাংবাদিকক অনুৰোধ কৰে।

# কৃতী শিক্ষক ধৰ্মেশ্বৰ বৰ্মনৰ স্মৃতিত স্মৃতিগ্ৰন্থ উন্মোচন - স্মৃতিচাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ১৩ অক্টোবৰ ঃ** বৃহত্তৰ বাগানপাৰা অঞ্চলৰ বগুলামাৰী গাঁও নিবাসী, বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক প্ৰয়াত ধৰ্মেশ্বৰ বৰ্মনৰ স্মৃতিত ১২ অক্টোবৰত বগুলামাৰী এম ই স্কুলৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰে এক স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে প্ৰয়াত ধৰ্মেশ্বৰ বৰ্মনৰ প্ৰতিচ্ছবিত সহধৰ্মিনী ভাৰতী তালুকদাৰ বৰ্মনে বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দিনৰ ১১ বজাত বাগানপাৰা আঞ্চলিক হৰি আৰু দুৰ্গা মন্দিৰ উন্নয়ন সমিতিৰ সভাপতি ইন্দ্ৰ কুমাৰ হাজৰিকাৰ সভাপতিত্ব অনুষ্ঠিত স্মৃতিচাৰণ সভাখন উদ্বোধন কৰে সম্পাদনা সমিতিৰ সভাপতি দেবেন চন্দ্ৰ ডেকাই। প্ৰয়াত ধৰ্মেশ্বৰ বৰ্মনৰ সোঁৱৰণত বাগান পাৰা আঞ্চলিক হৰি আৰু দুৰ্গা মন্দিৰ সমিতিয়ে পৰিয়াল বৰ্গৰ সহযোগত সভাপতি দেবেন চন্দ্ৰ ডেকা, মুখ্য সম্পাদক দিলীপ কুমাৰ দাস আৰু সম্পাদক চাণক্য বৈশ্যৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ খনি উন্মোচন কৰে লিঙা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক শ্ৰীকান্ত স্বৰ্গীয়াৰীয়ে। উল্লেখ্য যে, বিগত ২০২৪ বৰ্ষৰ ১২ অক্টোবৰত ধৰ্মেশ্বৰ বৰ্মনৰ বৈকুণ্ঠগামী হৈছিল। স্মৃতিচাৰণ সভাত নবস্তি আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি খগেন ভূঞা আৰু খৈৰাণী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নেত্ৰ ভূষণ খড়কাই আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি ধৰ্মেশ্বৰ বৰ্মনৰ কৰ্মময় জীৱন তথা স্মৃতি ৰোমন্থন কৰি কৰি বক্তব্য প্ৰদান কৰে। এই স্মৃতিচাৰণ সভাত সমজুৱাৰ বক্তব্য শিতানত বীৰেন্দ্ৰ নাথ হাজৰিকা, জ্যেষ্ঠ শিক্ষক অৰবিন্দ দাস আৰু অৰ্জুন সেন ডেকাই দু-আষাৰ বক্তব্য প্ৰদান কৰে। স্মৃতিচাৰণ সভাত অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰ কলিতা আৰু দিলীপ কুমাৰ দাসে স্ব-ৰচিত কবিতা পাঠ কৰি অনুষ্ঠান জীপাল কৰি তোলে। এই অনুষ্ঠানত বাগানপাৰা মণ্ডল বিজেপিৰ



সভানেত্ৰী ভিক্টোৰিয়া মেধি, যুৱ মৰ্চাৰ সম্পাদক মধু নাৰ্জাৰী, গিৰিংসা বড়ো, কোষাধ্যক্ষ নীলমণি ডেকা, বাগানপাৰা মণ্ডল বিজেপিৰ সম্পাদক ৰমেন চক্ৰৱৰ্তী, উৎপল হালৈ, ভনী মিনু বৰ্মন, প্ৰনভা বৰ্মন, ভনীজোৱাই লাবণ্য বৰ্মন, অদলা কেন্দ্ৰৰ শিক্ষক গৌতম কলিতা, সনাতন মেধি, পাগলাদিয়াপাৰ এম ই স্কুলৰ শিক্ষক ৰঘুনাথ শৰ্মা, বগুলামাৰী এম ই স্কুলৰ প্ৰধান শিক্ষক, শিক্ষক -শিক্ষয়িত্ৰী বৃন্দ, গুণমুগ্ধ সকল শুভাকাংক্ষী আদি উপস্থিত থকাৰ উপৰিও তিনি শতাধিক লোক এই স্মৃতিচাৰণ সভাত উপস্থিত থাকে।

### প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ জিঅ' টেগত অনিয়ম; বঞ্চিত বহু দুখীয়া পৰিয়াল

# কচুৱাৰ গেৰজাইপামত ৰাইজৰ প্ৰতিবাদ

**অসম বাৰ্তা, কচুৱা, ১৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ ৰহা সমষ্টিৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত গেৰজাই পাম গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ তালিকা প্ৰস্তুত কৰাৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। পঞ্চায়ত খনৰ জীৱিকা সখী লক্ষ্মী দেৱনাথে প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ জিঅ' টেগ কৰিব গৈ ব্যাপক অনিয়ম কৰাৰ অভিযোগ উঠিছে। ৰাইজৰ অভিযোগ মতে দুখীয়া লোকক বঞ্চিত কৰি অনুপযুক্ত লোকক প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ তালিকাত অন্তভুক্ত কৰে। যাৰ বাবে বহু দুখীয়া লোক বঞ্চিত হোৱাৰ অভিযোগ উঠিছে। ইফালে এই ক্ষেত্ৰত জীৱিকা সখী গৰাকীয়ে ধনৰ লেনদেন কৰাৰ লগতে নিজৰ পৰিয়ালৰ ভিতৰতে চাৰিটা ঘৰ লোৱাৰ অভিযোগ কৰে। আজি গেৰজাইপাম গাঁৱৰ শতাধিক পুৰুষ মহিলাই লগ হৈ জীৱিকা সখী লক্ষ্মী দেৱনাথ মুৰ্দাবাদ, আমাক ন্যায় দিয়ক, ইত্যাদি শ্লোগানেৰে প্ৰতিবাদ কৰে। লগতে লক্ষ্মী দেৱনাথৰ বিৰুদ্ধে উচিত তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ লগতে দুখীয়া বঞ্চিত লোক সকলক চৰকাৰী ঘৰ প্ৰদানৰ দাবী জনাইছে।

### আঞ্চলিক মহিলা পৰিষদৰ নতুন সমিতি গঠন

# বাহাৰঘাটত অগপ ৪৪ নম্বৰ উপৰ বৰভাগ দেহাৰকুছি আঞ্চলিক সমিতিৰ প্ৰথম কাৰ্য্যনিৰ্বাহক সভা

## বৃদ্ধ পেঞ্চন, অৰুনোদয় আৰু পি এম আৱাসৰ ক্ষেত্ৰত প্ৰতাড়নাৰ অভিযোগ দলীয় কৰ্মীৰ

**অসম বাৰ্তা, বাহাৰঘাট, ১৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ৩৮ নম্বৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ৪৪ নম্বৰ উপৰ বৰভাগ দেহাৰকুছি আঞ্চলিক অগপ সমিতিৰ বিশেষ কাৰ্য্যনিৰ্বাহক সভা এখন আজি পুৱা ১১-০০ বজাত বাহাৰঘাট অঞ্চলৰ লহকৰপাৰা জনশিক্ষা পুথিভঁৰাল প্ৰাংগনত অনুষ্ঠিত হয়। আঞ্চলিক অগপৰ সভাপতি তৰুণ চন্দ্ৰ লহকৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক খাইৰাত আলিয়ে। সভাত জ্যেষ্ঠ অগপ তৰুণ চন্দ্ৰ শইকীয়া, দিলীপ চন্দ্ৰ শৰ্মা, হৰমোহন দাস, খগেন লহকৰ, ৰামেশ্বৰ বড়ো, অনিল হুজুৰী, তফজ্জুল হক, বাবুল শইকীয়া, প্ৰকাশ বেজবৰুৱা, প্ৰচণ্ড কলিতা, ৪৫নং দতৰা সোণকানি গাওঁ পঞ্চায়তৰ আঞ্চলিক সদস্যা বিজুমণি ডেকা ভূঞাঁ, যুৱনেতা কিতাৰ্থ প্ৰতীম শৰ্মা, মহিলা নেত্ৰী বিৰজা দেৱী আদিকৰি শতাধিক মহিলা সদস্যাৰ লগতে দলীয় কৰ্মী উপস্থিত থাকে। সভাত কেইবাজনো সদস্য, সদস্যাই অৰুনোদয় আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ তুলি ক্ষোভ প্ৰকাশ কৰে। আনহাতে নব্বৈৰ উৰ্ধৰ বৃদ্ধ নগেন তালুকদাৰে আজি পৰ্য্যন্ত বৃদ্ধপেঞ্চনৰ পৰা বঞ্চিত হোৱাটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি বৃদ্ধ গৰাকীয়ে প্ৰশ্ন উখ্যাপন কৰি কয় যে একমাত্ৰ অগপ কৰ্মী হোৱাৰ বাবে মই চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হৈছোঁ নেকি? সভাৰ পূৰ্বে গণশিল্পী প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত সভাতে সৰোজিনী কলিতা লহকৰক সভানেত্ৰী আৰু পুৰবী লহকৰক সম্পাদিকা হিচাবে লৈ আঞ্চলিক মহিলা পৰিষদৰ ৪১ জনীয়া নতুন কাৰ্য্যানিৰ্বাহ সমিতি গঠন কৰে। সভাত আগন্তুক বিধানসভা নিৰ্বাচনত মিত্ৰতা ধৰ্ম অক্ষুণ্ণ ৰাখি সহযোগ কৰাৰ পোষকতা কৰে দলীয় কৰ্মীসকলে।

# গোলকগঞ্জত ট্ৰাইবেল সংঘৰ সম্পাদক আদিত্য খাখলাৰীৰ প্ৰতিমূৰ্তি দাহ

**অসম বাৰ্তা, আগমনি, ১৩ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত কামতাপুৰ ষ্টেট ডিমাণ্ড কাউন্সিলে আজিৰ দিনটোত ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰীৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্তবিশ্ব শৰ্মাৰ প্ৰতিমূৰ্তি দাহ কৰে। ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰীয়ে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰচেষ্টা লৈ কটাক্ষ কৰা মন্তব্য কৰে — "ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিলে ধ্বংস হব প্ৰকৃত জনজাতি" — এই মন্তব্যই গোলকগঞ্জসহ ধুবুৰী জিলাৰ বিভিন্ন স্থানত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। এই সম্পৰ্কে গোলকগঞ্জত কমতাপুৰ ষ্টেট ডিমাণ্ড কাউন্সিল (KSDC)ৰ নেতৃত্বত প্ৰতিবাদ মিছিলৰ আয়োজন কৰা হয়। প্ৰতিবাদীসকলে আদিত্য খাখলাৰীৰ মন্তব্যক অসমীয়াৰ সমাজৰ বিভাজন সৃষ্টিকাৰী বুলি অভিহিত কৰে। উল্লেখ্য যে KSDC ধুবুৰী জিলা সমিতিৰ সভাপতি আৰ্য্য কোচে আদিত্য খাখলাৰীক সতৰ্ক কৰি কয় — "ইয়াৰ পিছত যদি জনজাতিকৰণৰ বিষয়ে এনেধৰণৰ বিভাজনমূলক মন্তব্য কৰে, তেন্তে পৰিস্থিতি বেয়া হব।" আৰ্য্য কোচে অভিযোগ তোলে যে চৰকাৰে আদিত্য খাখলাৰীৰ দৰে ব্যক্তিক ব্যৱহাৰ কৰি কামতাপুৰী জনগোষ্ঠীৰ দাবীক বিকৃত কৰাৰ চেষ্টা কৰিছে। সমান্তৰাল কৈ— "জুবিন গাৰ্গ হত্যাৰ ন্যায়ৰ দাবীক ডাইভাৰ্ট কৰাৰ বাবে এই মন্তব্য কৰা হৈছে, যাতে লোকৰ মনোযোগ এটা বেলেগ দিশলৈ গতি কৰে।" তেওঁ লগতে কয় — "যদি খাখলাৰীয়ে কিবা কাৰণত ধুবুৰীত প্ৰবেশ কৰে, তেন্তে তেওঁক ছেণ্ডেলৰ মালা পিন্ধাই দিয়া হ'ব বুলি মন্তব্য আগবঢ়ায়।

# "সখী এক্সপ্ৰেছ" আঁচনিৰ অধীনত স্কুটি বিতৰণ মন্ত্ৰী কেশৱ মহন্তৰ

**অসম বাৰ্তা, নগাঁও, ১৩ অক্টোবৰ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ "সখী এক্সপ্ৰেছ" আঁচনিৰ অধীনত আজি কলিয়াবৰ বিধানসভা সমষ্টিৰ কলিয়াবৰ উন্নয়ন খণ্ডৰ ৪৫ গৰাকী আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ ৬৯ গৰাকী বেংক সখী, বীমা সখী, জীৱিকা সখী, কৃষি সখী, পশু সখী আদি সৰ্বমুঠ ১১৪ গৰাকী কমিউনিটি কেডাৰৰ মাজত স্কুটি আনুষ্ঠানিক ভাৱে বিতৰণ কৰে ৰাজহ মন্ত্ৰী কেশৱ মহন্তই। অনুষ্ঠানটি মুকলি কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে- গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাজত অৰ্থনৈতিক সবলীকৰণৰ বাৰ্তা প্ৰচাৰৰ বাবে আমাৰ চৰকাৰে এই সখী সকলক নিয়োজিত কৰিছে। আত্মসহায়ক গোটসমূহৰ কাম-কাজত গতিশীলতা আনি গ্ৰামোন্নয়ন আৰু মহিলাসকলক আৰ্থিক ভাৱে স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ এই অভিলাষী পদক্ষেপে নিশ্চয়কৈ আগন্তুক দিনত অসমখনক এক নতুন গতিশীলতা প্ৰদান কৰিব বুলি মোৰ দৃঢ়বিশ্বাস। আজিৰ অনুষ্ঠানত স্কুটী লাভ কৰা প্ৰত্যেকগৰাকী সখীক স্কুটিখনৰ জৰিয়তে গ্ৰামাঞ্চলৰ মহিলাসকলক অবিৰত সেৱা আগবঢ়াবলৈ যাওঁতে যানবাহন নীতি-নিয়ম মানি চলিহে বাহনখন চলাবলৈ আহ্বান জনায় মন্ত্ৰী গৰাকীয়ে। আজিৰ এই অনুষ্ঠানত কলিয়াবৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা, সমজিলা আৰক্ষী অধীক্ষক বিতুল চেতিয়া, খণ্ড উন্নয়ন বিষয়াসকল, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধক, খণ্ড প্ৰকল্প প্ৰবন্ধক, পঞ্চায়তৰ প্ৰতিনিধিসকল সমন্বিতে প্ৰশাসনিক বিষয়াবৰ্গ আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# ৫ম সদৌ কামৰূপ জিলা একুৱেটিক চেম্পিয়নশ্বিপ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৩ অক্টোবৰ ঃ** গুৱাহাটী সৰুসজাইস্থিত ড° জাকিৰ হুছেইন একুৱেটিক কমপ্লে'ত আজি ১২ অক্টোবৰ ৰবিবাৰে, ৰাতিপুৱা ৮ বজাৰ পৰা দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় ৫ম সদৌ কামৰূপ জিলা আন্ত-বিদ্যালয় একুৱেটিক চেম্পিয়নশ্বিপ। ৰাইনো একুৱেটিক ক্লাবৰ দ্বাৰা আয়োজিত প্ৰতিযোগীখনি আনুষ্ঠানিকভাৱে মুকলি কৰে 'আছাম টকছ'-ৰ বিশিষ্ট সাংবাদিক প্ৰাণজিৎ শইকীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা ভাস্কৰ ৰঞ্জন দাস (চুইমিং ফেডাৰেচন অব ইণ্ডিয়াৰ উপ-সভাপতি), ড° সম্ভু যাদব (ছাই ডেপুটি ডিৰেক্টৰেট), হেমাংগ ফুকন (চেণ্ট্ৰেল জি.এছ.টি.-ৰ ডেপুটি কমিচনাৰ), মুকুটেশ্বৰ গোস্বামী (কামৰূপ জিলা সাঁতোৰ সন্থাৰ সম্পাদক), নৱজ্যোতি গগৈ (সদৌ কামৰূপ জিলা সাঁতোৰ সন্থাৰ সম্পাদক) আৰু প্ৰশিক্ষক বাবুল গুৰুঙক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জনপ্ৰিয় গায়ক জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ লগতে অসম সাঁতোৰ সন্থাৰ সদ্য প্ৰয়াত দেৱ হাজৰিকাকো সন্মানপূৰ্বক সোঁৱৰণ কৰা হয় আৰু তেখেত জলক্ৰীড়াৰ বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা মহান কৰ্মৰাজিৰ কথা স্মৰণ কৰা হয়। এই চেম্পিয়নশ্বিপত মুঠ ৬৬টা




ইভেণ্টত ১৫০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কামৰূপ মহানগৰ আৰু কামৰূপ জিলাৰ মুঠ ৪০খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশ লয়। প্ৰতিযোগিতাৰ অন্তত বিজয়ী খেলুৱৈসকলক বঁটা আৰু প্ৰমাণপত্ৰেৰে সন্মানিত কৰা হয়।

# দেৰগাঁও আৰক্ষীয়ে আটক কৰিলে কুখ্যাত গাড়ী চোৰ

**অসম বাৰ্তা, দেৰগাঁও, ১৩অক্টোবৰ ঃ** দেৰগাঁও আৰক্ষীয়ে মৃগাংক কলিতা নামৰ এটা গভাইত গাড়ীচোৰক যোৰহাটৰ মেলেঙৰ পৰা আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, যোৱা ১০ ছেপ্টেম্বৰতে দেৰগাঁৱৰ পৰা চালকসহ সন্ধানহীন হৈছিল এখন বলেৰ' বাহন। দেৰগাঁৱৰ ভেলচিটি ড্ৰাইভ নামৰ এটা ট্ৰেভেল এজেঞ্চিৰ অধীনত চলা AS-03AL-1187 নম্বৰৰ বলেৰ' বাহনখন সন্ধানহীন হোৱাত বাহনখনৰ গৰাকী তাজেৰ আলীয়ে ট্ৰেভেল এজেঞ্চিটোৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰিছিল। অভিযোগকাৰীৰ বিৱৰণি মতে, ২০২৪ চনতে ভেলচিটি ড্ৰাইভ নামৰ ট্ৰেভেল এজেঞ্চিৰ লগত লিখিতভাৱে চুক্তিবদ্ধ হৈ তেওঁৰ বলেৰ' বাহনখন ভাৰাত চলোৱাৰ বাবে দিছিল। কিন্তু যোৱা ১০ ছেপ্টেম্বৰৰ পৰা বাহনখনৰ কোনো শুং-সূত্ৰ নোপোৱাত বাহনৰ গৰাকীয়ে উপায়হীন হৈ দেৰগাঁও থানাত এজেঞ্চিটোৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল যদিও এজেঞ্চিটোৰ স্বত্বাধিকাৰীয়েও সমান্তৰালকৈ ভাৰাত দিয়া ব্যক্তিজনৰ বিৰুদ্ধে দাখিল কৰিছিল এখন এজাহাৰ। এই ক্ষেত্ৰত গোপন সূত্ৰৰ পম খেদি দেৰগাঁও আৰক্ষীয়ে আজি বিয়লি যোৰহাটৰ মেলেঙৰ পৰা এই গভাইত চোৰটোক আটক কৰিবলৈ সক্ষম হয় যদিও এতিয়াও গাড়ীখন উদ্ধাৰ হোৱা নাই। চোৰটোক সম্প্ৰতি দেৰগাঁও থানালৈ লৈ অনা হৈছে আৰু দেৰগাঁও আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# ছৈখোৱা কেন্দ্ৰীয় ৰাজহুৱা ৰঙালী বিহু সন্মিলনৰ তৰফৰ পৰা জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি



**অসম বাৰ্তা, ছৈখোৱা, ১৩ অক্টোবৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু তথা হাটথ্ৰ্ৰৰ জুবিন গাৰ্গৰ ১৯ ছেপ্তেম্বৰ তাৰিখে ছিংগাপুৰত ৰহস্যজনক মৃত্যু হোৱা ঘটনাত আজিও ৰাজ্যবাসীৰ লগতে সমগ্ৰ ছৈখুৱাবাসী ম্ৰিয়মাণ হৈ আছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায় তথা আত্মাৰ সদগতি কামনাৰে ছৈখোৱাৰ মুকলি মঞ্চত ছৈখোৱা কেন্দ্ৰীয় ৰাজহুৱা বিহুৰ উদযাপন সমিতিৰ উদ্যোগত তথা ছৈখোৱা বাসীৰ সহযোগত নাম কীৰ্তনেৰে জুবিন গাৰ্গৰ আত্মাৰ সদগতি কামনাৰ কৰে লগতে দোষীক উচিত শাস্তিৰ দাবীত আজি ছৈখোৱাৰ মুকলি মঞ্চত শ্ৰদ্ধাঞ্জলি জনায়। ছৈখোৱা অঞ্চলৰ বিভিন্ন জাতিৰ উপজাতিৰ সংমিশ্ৰণ দেখা যায় আজি ছৈখোৱাত। ছৈখোৱাৰ সঞ্জীৱ দাস, চন্দন কুমাৰ দাস ( ছানি ), প্ৰদীপ বৰ্মণ, ৰণ্টু সোণোৱাল আৰু বিশ্বজিত সোণোৱালে আত ধৰা অনুষ্ঠানত ছৈখোৱাৰ বিভিন্ন ভক্তপ্ৰাণ ৰাইজ উপস্থিত আছিল লগতে জুবিন গাৰ্গে উচিত ন্যায় পোৱাৰ স্বাৰ্থত ৰাজহুৱাকৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

### মাৰ্ঘেৰিটা আঞ্চলিক সমিতি ভংগ ঘোষণা; সভাপতিৰ বিৰুদ্ধে অসাংবিধানিক কাম-কাজত লিপ্ত থকাৰ অভিযোগ

# সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ প্ৰেছ বিবৃতি

**অসম বাৰ্তা বিশেষ, জাগুন, ১৩ অক্টোবৰ ঃ** সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি দ্বীপজ্বল শইকীয়া আৰু সম্পাদক দীপাংকৰ সোণোৱাল স্বাক্ষৰিত এক প্ৰেছ বিবৃতিৰ জৰিয়তে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিখন ভংগ ঘোষণা কৰিছে। মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ দায়িত্বত থকা সভাপতি অভিজিত সোণোৱালে বিগত কিছুদিনৰ পৰা সন্থাৰ সংবিধানৰ নীতি বহিৰ্ভূত কাম কাজত লিপ্ত হোৱা দৃষ্টি গোচৰ হৈছে। অভিজিত সোণোৱালে এনে ধৰণৰ অসাংবিধানিক কাম কাজত লিপ্ত হৈ পৰাত সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিয়ে এই প্ৰেছ বিবৃতিৰ জৰিয়তে মাৰ্ঘেৰিটা আঞ্চলিক সমিতিখন ভংগ ঘোষণা কৰিছে। আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ যেতিয়ালৈকে মাৰ্ঘেৰিটা আঞ্চলিক সমিতিখন পুনৰ গঠন নহয় তেতিয়ালৈকে ভংগ কৰা সমিতিৰ কোনো সদস্যই কোনো ধৰণৰ সাংগঠনিক কাৰ্যসূচী গ্ৰহণ কৰিব নোৱাৰিব বুলি জিলা সমিতিৰ নেতৃত্বই বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে।

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত "বিশ্ব নদী দিৱস" উদযাপন; ডিব্ৰু তৰঙ্গিনী উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** 'নদী আৰু নাৰী'- হৈছে জাৰ্মানীৰ কহিনূৰ বৰ্ল্ড বুকছ অব ৰেকৰ্ডছৰ স্বীকৃতিপ্ৰাপ্ত জনপ্ৰিয় কাব্যিক, বৌদ্ধিক তথা মানৱদৰদী অনুষ্ঠান। প্ৰতি বছৰৰ চেপ্তেম্বৰ মাহৰ শেষৰ শনিবাৰ দিনটো বিশ্ব নদী দিৱস উদ্‌যাপন কৰে যদিও - এইবাৰ অসমৰ নক্ষত্ৰ -জুবিন গাৰ্গৰ অকাল বিয়োগৰ বাবে অনুষ্ঠানটি স্থগিত ৰখা হৈছিল যদিও আজি (১২-১০-২৫)পুনৰ "বিশ্ব নদী দিৱস"ৰ উদ্‌যাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি "নদীৰ সংৰক্ষণ, সংবৰ্ধন আৰু সুৰক্ষা" শীৰ্ষক এখনি আলোচনাচক্ৰ অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ ডি.এইচ.এছ. কে. কানৈ মহাবিদ্যালয়ৰ শঙ্কৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা "নদী আৰু নাৰী" ডিব্ৰুগড় নগৰৰ পূৰ্ণাংগ সমিতিখনো গঠন কৰা হয়। বিশ্ব নদী দিৱসৰ লগত সংগতি ৰাখি- নদী আৰু নাৰী, ডিব্ৰুগড় নগৰ সমিতি উদ্যোগত প্ৰকাশিত " ডিব্ৰু তৰঙ্গিনী" স্মৃতি গ্ৰন্থখন উন্মোচন কৰা হয়। সভাত নদী আৰু নাৰীৰ প্ৰতিষ্ঠাপক ৰোণাল্ডো টাইদ, কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা মধুমিতা শৰ্মা, মামণি বড়া, সদানন্দ হাজং, চন্দিতা ডেকা, গীতাশ্ৰী বৰা, তিনিচুকীয়া জিলা সভাপতি ড° বিকাশ বৰুৱা, বন্দীতা নেওগ গোহাঁই, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ড° ৰঞ্জিত দত্ত, ডাঃ প্ৰনয় ফুকন, সাহিত্যাচাৰ্য ড° কৱৰী ডেকা হাজৰিকা, প্ৰাক্তন মন্ত্ৰী পৃথিৱী মাঝী, প্ৰিয়াংকী শৰ্মাকে প্ৰমুখ্যেকৰি ভালে সংখ্যক সংশ্লিষ্ট বিষয়ববীয়া সকল উপস্থিত থকা অনুষ্ঠানত কাব্যিক তথা সাহিত্যানুৰাগী সকলে অনুষ্ঠানত কবিতা পাঠ আৰু বহুকেইখন গ্ৰন্থ উন্মোচন কৰা হয়। সমবেত সংগীত পৰিৱেশন কৰে 'নদী আৰু নাৰী' ডিব্ৰুগড় জিলা সমিতিয়ে।

# গৃহ বিভাগৰ অধীনত অনুষ্ঠিত নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ গোলাঘাট জিলাৰ গৰঙা চাহ বাগিচাৰ এজন শিক্ষিত যুৱকৰ

**অসম বাৰ্তা, খুমটাই, ১৩ অক্টোবৰ ঃ** সদ্যঘোষিত অসম আৰক্ষীৰ কনিষ্টবল নিযুক্তি পৰীক্ষাত উজলি উঠিবলৈ সক্ষম হ'ল খুমটাইৰ গৰঙা চাহ বাগিচাৰ এজন শিক্ষিত চাহ জনজাতীয় যুৱক। আৰ্থিক দৈন্যক প্ৰতিহত কৰি একান্ত অধ্যয়ন, অধ্যাৱসায় আৰু কঠোৰ পৰিশ্ৰমেৰে এই বৰ্ষত অনুষ্ঠিত হোৱা অসম চৰকাৰৰ গৃহ বিভাগৰ আৰক্ষীৰ কনিষ্টবল নিযুক্তি পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ চাকৰি লাভ কৰিবলৈ সক্ষম হ'ল গৰঙা চাহ বাগিছাৰ ভোলা মিৰ্দ্ধা আৰু ৰশ্মি মিৰ্দ্ধাৰ কনিষ্ঠ পুত্ৰ সুৰজ মিৰ্দ্ধা। অসম চৰকাৰে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাত স্বচ্ছ আৰু নিকা ভাৱে নিযুক্তি লাভ কৰি এতিয়া সুৰজৰ মুখত বিৰিঙিল আনন্দ আৰু সফলতাৰ হাঁহি। পিতৃ-মাতৃৰ চকুৰে নিগৰিল আনন্দৰ অশ্ৰু। কাঠমিস্ত্ৰী বৃত্তিৰে দিন হাজিৰা কৰি পৰিয়াল পোহ পাল দিয়া সুৰজৰ পিতৃ ভোলা মিৰ্দ্ধা আৰু মাতৃ গৰঙা চাহ বাগিচাৰ কৰ্মচাৰী ৰশ্মি মিৰ্দ্ধাৰ আছিল পুত্ৰক লৈ অজস্ৰ সপোন। পিতৃ-মাতৃৰ সপোন সাৰ্থক কৰি সুৰজেও জনালে অসমৰ মুখ্যমন্ত্ৰী তথা অসম চৰকাৰক ধন্যবাদ আৰু কৃতজ্ঞতা। তেওঁৰ এই সাফল্যই পৰিয়ালটিৰ লগতে বাগিচাখনলৈও গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

### অভয়াপুৰীত সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ প্ৰতিক্ৰিয়া

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা ট্ৰাইবেল সংঘৰ

**অসম বাৰ্তা, অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰণাদিত্য বৰ্মনে আজি অভয়াপুৰীত ট্ৰাইবেল সংঘৰ ভূমিকা আৰু বক্তব্যৰ তীব্ৰ সমালোচনা কৰিছে। ছয় জনগোষ্ঠীক জনজাতি হিচাপে স্বীকৃতি দিয়াৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি ট্ৰাইবেল সংঘই যি মন্তব্য কৰিছে, সেই বিষয়ে ৰণাদিত্য বৰ্মনে কয় — "ট্ৰাইবেল সংঘই সমাজত একতাৰ সলনি বিভেদ সৃষ্টিৰ চেষ্টা কৰিছে। " তেওঁ লগতে অভিযোগ কৰে যে, ট্ৰাইবেল সংঘই এই সমগ্ৰ বিষয়ত "শ্ৰুতলিপিত কাম" বা গোপনে ৰাজনৈতিক স্বাৰ্থ সাধনৰ উদ্দেশ্যে কাৰ্য কৰি আছে। তেওঁ স্পষ্টকৈ কয় যে, জনজাতীয় ৰাজ্য গঠনৰ কোনো সত্য উদ্দেশ্য নাই ট্ৰাইবেল সংঘৰ। এই সকলো প্ৰচেষ্টা কেৱল ৰাজনৈতিক হিতৰক্ষাৰ বাবে, আৰু ই অসমীয়া সমাজৰ ঐক্য ভঙাৰ চেষ্টা। ৰণাদিত্য বৰ্মনে চৰকাৰক আহ্বান জনাই কয় "ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সিদ্ধান্ত লোৱাৰ আগতে চৰকাৰে সমাজ, ইতিহাস আৰু সংস্কৃতিৰ গভীৰ পৰ্যালোচনা কৰিব লাগিব। আমাৰ লক্ষ্য হৈছে একতাবদ্ধ অসম, বিভাজিত নহয়।" এই বক্তব্যৰ পিছত, অঞ্চলটোৰ বিভিন্ন সমাজ সংগঠনৰ মাজত এই বিষয়টো লৈ নতুনকৈ বিতৰ্ক আৰু আলোচনাৰ সৃষ্টিৰ সম্ভাৱনা দেখা গৈছে। অভয়াপুৰীৰ এই প্ৰতিক্ৰিয়াই জনজাতিকৰণ প্ৰসঙ্গক পুনৰ এক নতুন দিশত লৈ গৈছে।

### দেৰগাঁৱৰ কুৱালগুৰিত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, দেৰগাঁও, ১৩অক্টোবৰ ঃ** দেৰগাঁৱৰ কুৱালগুৰি কছাৰী গাঁৱৰ ডাঠ বাঁহনিৰ মাজত এটা মৃতদেহ উদ্ধাৰক লৈ সমগ্ৰ দেৰগাঁৱত চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, দেৰগাঁৱৰ কাষৰীয়া কুৱালগুৰি কছাৰী গাঁৱৰ ডাঠ বাঁহনিৰ মাজত এটা অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰ হৈছে। প্ৰত্যক্ষদৰ্শীৰ মতে, মৃতদেহটো তললৈ মূৰ কৰি আঁঠু কাঢ়ি থকাৰ অৱস্থাত প্ৰত্যক্ষ কৰা হৈছে। মৃতদেহটোৰ অৱস্থা প্ৰত্যক্ষ কৰি লোকজনৰ কেইবাদিনৰো পূৰ্বে মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে দেৰগাঁও আৰক্ষী থানাৰ আৰক্ষী আৰু প্ৰশাসনিক বিষয়া ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। এই অচিনাক্ত মৃতদেহটোৰ কাষত থকা এটা ম'বাইল ফোন আৰক্ষীয়ে উদ্ধাৰ কৰিছে। বাতৰি যুগুত কৰা সময়লৈকে উদ্ধাৰ মৃতদেহটোৰ পৰিচয় জানিব পৰা হোৱা নাই।

## জুবিন গাৰ্গৰ ন্যায়ৰ

মৃত্যুৰ পাছত অসমৰ জনতা ন্যায়ৰ প্ৰতীক্ষাত অধীৰ হৈ আছে। এই বিষয়ক লৈ ৰাজনৈতিক তৰ্জন-গৰ্জনৰ মাজত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে জুবিনৰ ন্যায়ৰ দাবীত এক বৃহৎ কাৰ্যসূচী ঘোষণা কৰিছে। আগন্তুক ১৭ অক্টোবৰৰ পৰা পৰিষদে ৰাজ্যৰ সকলো জিলাত যান-বাহনত "জুবিন গাৰ্গক ন্যায় প্ৰদান কৰক" শীৰ্ষক শ্লোগান আৰু শিল্পীৰ ফটো সংলগ্ন ১০ লাখ ষ্টিকাৰ লগাই প্ৰচাৰ চলাব। ইয়াৰ পিছত, ১৯ অক্টোবৰ, জুবিনৰ মৃত্যুৰ এমহীয়া স্মৃতি দিৱসত, ৰাজ্যজুৰি দিনব্যাপী অনশন কাৰ্যসূচী পালন কৰা হ'ব। সেইদিনা সন্ধিয়া ঘৰে ঘৰে বন্তি প্ৰজ্বলনৰ জৰিয়তে শিল্পীক শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। পৰিষদৰ সদস্যসকলে নিজৰ ঘৰত জুবিনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি জ্বলাই তাৰ ছবি সামাজিক মাধ্যমত "জাষ্টিচ ফৰ জুবিন গাৰ্গ" শ্লোগানৰ সৈতে প্ৰচাৰ কৰিব। পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই আৰু সাধাৰণ সম্পাদক বিজন বায়নৰ প্ৰেছ বিবৃতিত কোৱা হৈছে যে, চি আই ডি আৰু এছ আই টিয়ে তদন্ত চলাই আছে যদিও তথ্যৰ ৰাজহুৱা প্ৰকাশ আৰু ৰাজনৈতিক হস্তক্ষেপৰ বাবে ন্যায়ৰ প্ৰক্ৰিয়া সন্দেহৰ আৱৰ্তত পৰিছে। তেওঁলোকে অভিযোগ কৰে যে শাসকীয় দলৰ কিছু নেতা আৰু মুখ্যমন্ত্ৰীয়েও এই বিষয়ক লৈ ৰাজনীতি কৰিছে, যিটো শিল্পীৰ প্ৰতি চৰম অন্যায়। পৰিষদে স্পষ্ট কৰিছে যে জুবিন গাৰ্গ কেৱল এগৰাকী বিশ্বমানৰ শিল্পী নহয়, তেওঁ অসমৰ জনতাৰ হৃদয়ত স্থান পোৱা মহান ব্যক্তিত্ব আৰু পৰিষদৰ প্ৰাক্তন সতীৰ্থ। তেওঁলোকে দাবী কৰিছে যে জুবিনৰ মৃত্যুৰ ৰহস্য উদঘাটন হ'বই লাগিব আৰু তেওঁ ন্যায় পাবই লাগিব। ৰাজনৈতিক হস্তক্ষেপৰ বিৰুদ্ধে কঠোৰ স্থিতি লৈ পৰিষদে সকীয়াই দিছে যে এনে কাৰ্যত লিপ্ত শক্তিৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিৰোধ গঢ়ি তুলিব।

## আজি বিটিচিৰ পঞ্চম

এই তালিকা ইতিমধ্যে ৰাজভৱনৰ অনুমোদন লাভ কৰিছে। ৰাজ্যপালৰ সচিব তথা আয়ুক্ত এচ এচ মীনাক্ষী সুন্দৰমে অসম চৰকাৰৰ মুখ্য সচিবক পত্ৰযোগে এই অনুমোদনৰ কথা জনাই কাৰ্যবাহী সদস্যৰ সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে এই ১২ জনীয়া তালিকা ৰাজ্যপালৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিছিল, যি পৰৱৰ্তী সময়ত অনুমোদিত হৈছে। জানিব পৰা মতে, শপতগ্ৰহণ অনুষ্ঠানত অতিৰিক্ত মুখ্য সচিব মুকেশ চাহুৰে এই ১২জন পাৰিষদক কাৰ্যবাহী সদস্য হিচাপে শপতবাক্য পাঠ কৰাব। শপত ল'বলগীয়া কাৰ্যবাহী সদস্যসকল হ'ল- মৃত্যুঞ্জয় নাৰ্জাৰী (৫ নং চৰাইবিল সমষ্টি), মুনমুন ব্ৰহ্ম (১ নং পৰ্বতঝোৰা সমষ্টি), ৰবিৰাম নাৰ্জাৰী (৬ নং কচুগাঁও সমষ্টি), দেৰহাছাং বসুমতাৰী (১২ নং ছালাকাটি সমষ্টি), প্ৰকাশ বসুমতাৰী (৮ নং দোতমা সমষ্টি), পানীৰাম ব্ৰহ্ম (১৫ নং কাজলগাঁও সমষ্টি), ধীৰাজ বৰগয়াৰী (১৭ নং সুভাইঝাৰ সমষ্টি), বেগম আখতাৰা আহমেদ (২০ নং মথনগুৰী সমষ্টি), আগষ্টিছ টিগ্গা (২৩ নং দিহিৰা সমষ্টি), গণেশ কছাৰী (২৯ নং সুকলাই-চেৰফাং সমষ্টি), লৌমশ্ৰাও দৈমাৰী (৩১ নং খৈৰাবাৰী সমষ্টি), আৰু ফ্ৰেছ মুছাহাৰী (৩৭ নং ধনশ্ৰী সমষ্টি)। এই ১২ জনীয়া তালিকা সামাজিক মাধ্যমত ইতিমধ্যে ভাইৰেল হৈ পৰিছে। উল্লেখ্য যে, পূৰ্বৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ কাৰ্যকালত বিটিচিৰ কাৰ্যবাহী পৰিষদ ১৭ জনীয়া আছিল। অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদৰ উপৰি মুখ্য কাৰ্যবাহী আৰু উপ-মুখ্য কাৰ্যবাহীৰ দায়িত্ব ইতিমধ্যে গ্ৰহণ কৰা হৈছে। চৰ্চা অনুসৰি, পূৰ্বৰ দৰে কাৰ্যবাহী সদস্যৰ পদসংখ্যা অক্ষুণ্ণ থাকিলে এতিয়াও তিনিটা কাৰ্যবাহী সদস্যৰ পদৰ লগতে উপাধ্যক্ষৰ পদ খালি হৈ আছে। কোৱা হৈছে যে হাগ্ৰামা মহিলাৰীৰ চৰ্ত পূৰণ হ'লে এই খালি পদসমূহৰ কিছু পদত বিজেপিৰ পাৰিষদসকলক স্থান দিয়া হ'ব পাৰে, যদিও এই বিষয়ে এতিয়ালৈকে কোনো স্পষ্ট তথ্য প্ৰকাশ পোৱা নাই। ইফালে, বিপিএফৰ জ্যেষ্ঠ নেতা তথা বাওখুংগ্ৰী সমষ্টিৰ পাৰিষদ ধনেশ্বৰ গয়াৰীৰ নাম এই ১২ জনীয়া তালিকাত স্থান নাপাই চৰ্চাৰ বিষয় হৈ পৰিছে।

## মুখ্যমন্ত্ৰীক কেন্দ্ৰীয় সংস্থাৰ

হৈছে। এতিয়াও মৰমৰ শিল্পীৰ ন্যায়ৰ অপেক্ষাত লাখ লাখ অনুৰাগীৰ মনত ব্যথাৰ স্তব্ধতা ক্ৰিয়মান। এই সমগ্ৰ বিষয়ক সন্দৰ্ভত অসম জাতীয় পৰিষদৰ (এজেপি) সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰি কেইবাটাও বিস্ফোৰক মন্তব্য প্ৰকাশ কৰিছে। সোমবাৰ গুৱাহাটীত আয়োজিত এক সংবাদ সন্মেলনত এজেপিৰ সভাপতি জুবিন গাৰ্গৰ ন্যায়ৰ দাবী সজোৰে উত্থাপন কৰি কয়, "আমি ন্যায় প্ৰাপ্তিৰ যুঁজত সকলোৱে অৱতীৰ্ণ হৈছো। ইয়াৰ বিভিন্ন ঘটনা-পৰিঘটনাই আমাক ব্যাপকভাৱে ব্যথিত কৰিছে। লগতে কিছুমান শংকা আমাৰ মনত উত্থাপিত হৈছে। এই যুঁজত লাগি থকা হৈছে ন্যায়ৰ বাবে। অসমৰ জনগণে এটা কথাই বিচাৰিছে—ইয়াৰ বিচাৰ লাগে, ন্যায় লাগে। জুবিন দাৰ মৃত্যুক মুখ্যমন্ত্ৰীয়ে হত্যা বুলি কৈছে, তাৰ বিচাৰ হ'ব লাগে আৰু ন্যায় পোৱা লাগে।" তেওঁ কয়, "অসমৰ প্ৰতিগৰাকী জনগণৰ লগতে সমগ্ৰ পৃথিৱীত থকা মহানায়কৰ অনুৰাগীসকলকো এটা আহ্বান—আমি ন্যায় পাব লাগে। কিন্তু আমি প্ৰক্ৰিয়াটোত দেখিছো যে, এই গোটেই বিষয়ত যিসকলৰ নাম উঠিছে তেওঁলোকৰ মুখ্যমন্ত্ৰীৰ সৈতে যিধৰণৰ ঘনিষ্ঠ সম্পৰ্ক আছে সেই কথাই ওলাই আহিছে। শ্যামকানু মহন্তৰ সম্পৰ্কে মই আপোনালোকক আগতে অৱগত কৰিছিলোঁ যে, তেওঁ মুখ্যমন্ত্ৰীৰ সৈতে অতি ঘনিষ্ঠ সম্পৰ্কত আছে। যদিও মুখ্যমন্ত্ৰীয়ে কোনো ধৰণৰ সম্পৰ্ক বা চিনাকি নাই বুলি কৈছে, কিন্তু জলজল পটপট পৰিয়ালৰ লগতো কেনে সম্পৰ্ক?" লুৰীণজ্যোতি গগৈয়ে আৰু কয়, "মুখ্যমন্ত্ৰীয়ে নিজে কৈছিল যে, যিসকল ব্যক্তিৰ নাম উঠিছে তাত শ্যামকানু মহন্তৰ নাম নাই। তাৰ পিছত ক'লে জুবিন গাৰ্গ পেৰা গ্লাইডিং কৰি থাকোঁতে ডুবাইছে। স্কুবা ডাইভিং কৰিছে, তাৰ পৰা এটা ৰিপৰ্ট আহিছে যে জুবিন গাৰ্গ পানীত ডুবিছে। তাৰ পিছত আহি আহি মুখ্যমন্ত্ৰীয়ে এদিন হঠাতে এটা লাইভত আহি ক'লে যে জুবিন গাৰ্গক হত্যা কৰা হৈছে।" এজেপিৰ সভাপতি মুখ্যমন্ত্ৰী ডৰ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰ্বশেষ কয়, "মুখ্যমন্ত্ৰীয়ে প্ৰথমে হত্যা বুলি ক'লে আৰু লাহে লাহে কথাসমূহ সলনি হৈ আছে। তাৰ পিছত দেখিলোঁ শেখৰ গোস্বামী নামৰ এগৰাকী ব্যক্তি, যিগৰাকী গোটেই ঘটনাৰ প্ৰত্যক্ষদৰ্শী, তেওঁ অসমলৈ আহি বিভিন্ন ধৰণৰ কথা ক'লে। যেতিয়া তেওঁৰ সাক্ষ্য লোৱা হ'ল তেতিয়া জুবিন গাৰ্গক বিহ খুৱাই হত্যা কৰা বুলি ক'লে। আজি সংবাদ মাধ্যমসমূহে বাতৰি সম্প্ৰচাৰ কৰিছে যে, পোষ্টমৰ্টেম ৰিপৰ্ট অহা বুলি কৈছে, তাত মগজুত দুখ পোৱাৰ কথা কৈছে আৰু এইটো এটা দুৰ্ঘটনা। এনেধৰণৰ ঘটনা বা দুৰ্ঘটনাৰ ফলত মৃত্যু হোৱা বুলি ক'ব বিচাৰিছে। এই যে ভাষ্যসমূহ সলনি হৈ আছে, মুখ্যমন্ত্ৰীয়ে কি উৎসৰ পৰা এই তথ্য লাভ কৰিছে? মুখ্যমন্ত্ৰীয়ে প্ৰথমে হত্যা বুলি কৈ আজি আকৌ দুৰ্ঘটনালৈ ঠেলি দিব খোজিছে। যদি মুখ্যমন্ত্ৰীয়ে উৎসৰ বিষয়ে ক'ব নোৱাৰে, তেন্তে মুখ্যমন্ত্ৰীক কেন্দ্ৰীয় সংস্থাই তদন্তৰ আওতালৈ আনিব লাগে।"

## জুবিন গাৰ্গৰ মৃত্যুৰ

আগবাঢ়িব লাগিছিল, সেইধৰণে হোৱা নাই। তদন্তৰ সৈতে জড়িত ব্যক্তিসকলৰ মাজত শ্যামকানু মহন্তৰ ভাষ্য আজিও কাৰো লগত নাই। শ্যামকানু মহন্তৰ বাহিৰে অন্য সকলোৰে বিষয়ে আমি কিছু তথ্য জানিব পাৰিছো, কিন্তু তেওঁৰ ভূমিকা সম্পৰ্কে কোনো তথ্য পোহৰলৈ অহা নাই।" গৌৰৱ গগৈয়ে কয়, "অসমৰ শিল্পীসকলে তেওঁলোকৰ মন্তব্যত এছ আই টিক ভাষ্য প্ৰদান কৰিছে। কিন্তু শ্যামকানু মহন্তৰ ভূমিকা কি আছিল, তাৰ কোনো তথ্য আমাৰ হাতত নাই। আজিৰ পৰা ছয় দিন পিছত আমি জুবিন দাৰ এমহীয়া পাতিবলৈ সাজু হৈছো। চৰকাৰে এই ঘটনাক হত্যা বুলি দাবী কৰিছে, কিন্তু এই মৃত্যুৰ প্ৰকৃত কাৰণ আমি এতিয়াও জানিব পৰা নাই। চৰকাৰে নিজেই কি বিচাৰে যে জুবিন গাৰ্গৰ মৃত্যুৰ তথ্য ফাদিল হওক? এই বিষয়ত আমাৰ মনত সন্দেহৰ সৃষ্টি হৈছে।" ইফালে, প্ৰদেশ কংগ্ৰেছৰ সভাত জুবিন গাৰ্গৰ বিখ্যাত গীত 'মায়াবিনী' সকলো দলীয় কাৰ্যসূচীত বজোৱাৰ সিদ্ধান্ত ঘোষণাৰ পিছত বিভিন্ন মহলত প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। এই বিষয়ত গৌৰৱ গগৈয়ে কয়, "জুবিন গাৰ্গ আমাৰ সকলোৰে হৃদয়ত বাস কৰে। এতিয়া ৰাতি শুবলৈ গ'লেও 'মায়াবিনী' আমাৰ মনত বাজি থাকে। জুবিন দাৰ সেই ইণ্টাৰভিউৰ কথাবোৰ আমাৰ আত্মাত সোমাই আছে। পৰিয়ালৰ সৈতে কথা-বতৰাতো জুবিন দাৰ বিষয়ে আলোচনা হয়।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুছলমান সম্প্ৰদায়ৰ জনসংখ্যা বৃদ্ধি সম্পৰ্কীয় মন্তব্যৰ প্ৰতিক্ৰিয়াত গগৈয়ে কয়, "জুবিন দাৰ মৃত্যুৰ এমাহও পূৰ্ণ হোৱা নাই। তেওঁ কৈছিল, 'মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো জাতি নাই।' আমি তেওঁৰ এই কথাক শ্ৰদ্ধাৰে স্মৰণ কৰোঁ। কিন্তু বৰ্তমান চৰকাৰে গছ কাটি ধৰ্মৰ নামত ৰাজনীতি কৰিবলৈ আৰম্ভ কৰিছে। এইবাৰ এনে ৰাজনীতি চলিব নোৱাৰে। বিগত ১০ বছৰ ধৰি কেন্দ্ৰত কাৰ চৰকাৰ চলি আছে, সকলোৱে জানে। এনে মন্তব্যৰ পৰা স্পষ্ট যে জুবিন দাৰ মৃত্যুৰ তদন্ত সঠিকভাৱে হোৱা নাই আৰু এইধৰণৰ কথাৰ জৰিয়তে জনতাৰ মনোযোগ বিপথে পৰিচালনাৰ চেষ্টা কৰা হৈছে।"

## তিনি অধ্যাপকলৈ ২০২৫

অধ্যাপকক বাছনি কৰা হৈছে। আমেৰিকাৰ নৰ্থৱেষ্টাৰ্ণ বিশ্ববিদ্যালয়ৰ অধ্যাপক জুবেল মকয়ে, কলেজ দ্য ফ্ৰান্স আৰু লণ্ডন স্কুল অৱ ইক'নমি'ৰ অধ্যাপক ফিলিপ এঘিয়ন, আৰু আমেৰিকাৰ ব্ৰাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক পিটাৰ হ'ইটক এই প্ৰতিষ্ঠিত বঁটাৰ স্বীকৃতি লাভ কৰিছে। ৰয়েল ছুইডিচ একাডেমীয়ে ষ্টকহ'মত ঘোষণা কৰা অনুসৰি, উদ্ভাৱনী শক্তি আৰু গঠনমূলক বিঘটনৰ জৰিয়তে অৰ্থনীতিৰ বিকাশৰ ক্ষেত্ৰত এই তিনি অধ্যাপকৰ অভিনৱ গৱেষণা আৰু সফলতাৰ বাবে তেওঁলোকক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। ন'বেল কমিটীৰ মতে, অধ্যাপক জুবেল মকয়েৰ প্ৰযুক্তিগত উন্নতিৰ মাধ্যমত বহনক্ষম অৰ্থনৈতিক বিকাশৰ গুৰুত্ব সম্পৰ্কীয় অভিনৱ তত্ত্বই তেওঁক এই স্বীকৃতিৰ যোগ্য কৰি তুলিছে। একেদৰে, ফিলিপ এঘিয়ন আৰু পিটাৰ হ'ইটে উদ্ভাৱনী শক্তি আৰু গঠনমূলক বিঘটনৰ দ্বাৰা অৰ্থনৈতিক বৃদ্ধিৰ ক্ষেত্ৰত আগবঢ়োৱা তত্ত্ব আৰু গৱেষণাৰ বাবে তেওঁলোকক এই বঁটাৰ অংশীদাৰ কৰা হৈছে। উল্লেখযোগ্য যে, অৰ্থনীতিৰ ন'বেল বঁটা প্ৰতি বছৰৰ শেষৰ ন'বেল বঁটা হিচাপে ঘোষণা কৰা হয়। এই তিনি গৱেষকৰ কামে অৰ্থনীতিৰ বিকাশৰ নতুন দিশ উন্মোচন কৰি বিশ্বৰ অৰ্থনৈতিক চিন্তাধাৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

## ডিব্ৰুগড় কপালে লাখ

প্ৰদানৰ দাবীক লৈ ১৯৪৭ চনৰ পৰাই চাহ শ্ৰমিকসকলে ৰাজপথত সংগ্ৰাম কৰি আহিছে যদিও কোনো এখন চৰকাৰে চাহ জনগোষ্ঠীৰ এই দাবীটোৰ প্ৰতি ন্যাৰ্য্যতা প্ৰদান নকৰিলে। আনহাতে, উত্তৰ- পূৰ্বাঞ্চলৰ সকলো ৰাজ্যতে খিলঞ্জীয়া লোকসকলে ভূমি অধিকাৰ পাইছে যদিও যুগ যুগ ধৰি অসমৰ চাহ বাগিচাত বসবাস কৰা লাখ লাখ চাহ শ্ৰমিক পৰিয়ালে আজি পৰ্যন্ত নেপালে ভূমি অধিকাৰ। শাসনৰ বাঘজৰী দখল কৰিয়ে বিজেপি চৰকাৰে চাহ জনগোষ্ঠীয় লোকসকলক জনজাতিৰ মৰ্যাদা প্ৰদান, ভাৰত চৰকাৰৰ নিম্নতম মজুৰি আইনৰ অধীনত চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি আৰু চাহ জনগোষ্ঠীয় লোকসকলক ভূমি অধিকাৰ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল বিজেপি চৰকাৰে। কিন্তু বিজেপি চৰকাৰৰ প্ৰতিশ্ৰুতি আজিও প্ৰতিশ্ৰুতি হৈ ৰ'ল। বিজেপি শাসনকালত বিভিন্ন ৰাজপথ, পঞ্চতাৰকা হোটেল, উদ্যোগ, বিমানবন্দৰ আদিৰ বাবে চাহ বাগিচাৰ হাজাৰ হাজাৰ বিঘা ভূমি উচ্ছেদ কৰাৰ লগতে চাহ বাগিচাৰ ১০ শতাংশ ভূমি অন্য কামত ব্যৱহাৰ কৰাৰ বাবে নতুন আইন প্ৰণয়ন কৰি খাটিখোৱা চাহ শ্ৰমিকৰ জীৱনলৈ বিজেপি চৰকাৰেই চৰম সংকট নমাই আনিছে। অসমৰ চাহ জনগোষ্ঠীয় লোকসকলক শীঘ্ৰে অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, চাহ শ্ৰমিক পৰিয়ালক মাটি পট্টাসহ ভূমি অধিকাৰ প্ৰদান কৰা আৰু ভাৰত চৰকাৰৰ নিম্নতম মজুৰি আইনৰ আধাৰত চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫৫১ টকালৈ বৃদ্ধি কৰাৰ মূল দাবীক লৈ অসম চাহ জনজাতি ছাত্ৰ সন্থা, অসম চাহ মজদুৰ সংঘ, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা, ৩৬ জনজাতি পৰিষদ আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত ডিব্ৰুগড়ত আজি বিশাল গণ আন্দোলন কৰি ডিব্ৰুগড় কঁপাই তোলে। যৌথ সংগঠনসমূহৰ অন্যতম আহ্বায়ক আছা ডিব্ৰুগড় জিলা সমিতিৰ উপদেষ্টা লখিন্দৰ কুৰ্মি, সভাপতি বিমল বাঘ আৰু সম্পাদক চনু উৰা নেতৃত্ব আজি চহৰখনৰ পাঁচটা দিশৰ পৰা ডিব্ৰুগড় জিলাৰ সকলো চাহ বাগিচা বন্ধ কৰি শ্ৰমিক ৰাইজ একত্ৰিত হয় ডিব্ৰুগড় চৌকিডিঙীত। চাহ শ্ৰমিকৰ অস্তিত্ব ৰক্ষাৰ দাবীত ঘোষণা কৰা এই গণ আন্দোলনত সকলো শ্ৰেণীৰ ৰাইজক সহযোগ কৰিবলৈ আছা নেতৃত্বই আহ্বান জনোৱা আজি প্ৰায় ডেৰ-দুই লাখৰো অধিক লোক সমবেত হয়। জনজাতিকৰণ আৰু ভূমি পট্টা প্ৰদানকে মুখ্য দাবী লৈ ডিব্ৰুগড়ত চাহ জনগোষ্ঠীয় লোকসকলে তীব্ৰ প্ৰতিবাদ কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থা, অসম চাহ মজদুৰ সংঘকে ধৰি ১৩৬টা চাহ জনগোষ্ঠীৰ জাতীয় সংগঠনৰ উদ্যোগত ডিব্ৰুগড়ত অনুষ্ঠিত হয় বিশাল গণ সমাবেশ। ডিব্ৰুগড় চৌকিডিঙি ৰাজপথ অচল হৈ পৰিছে। প্ৰায় এক ডেৰ লাখ চাহ জনগোষ্ঠীলোকে ডিব্ৰুগড় ৰাজপথত সমবেত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। আমাক জনজাতিকৰণ কৰিব লাগিবই, ভূমি পট্টা প্ৰদান কৰিব লাগিব, চাহ শ্ৰমিকৰ দিন মজুৰি বৃদ্ধি কৰিব লাগিব আদি সংগ্ৰামী শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে চাহ জনগোষ্ঠীলোকসকলে। নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণ নকৰিলে ভৱিষ্যত দিনবোৰত অধিক ভয়াবহ পৰিৱেশ সূচনা হব বুলি স্পষ্ট কৰি দিয়ে প্ৰতিবাদকাৰীসকলে।

## জুবিনৰ ন্যায়ৰ দাবীত

জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে ১০ দিনৰ ভিতৰত জুবিনৰ ন্যায় প্ৰদানৰ দাবী কৰি সামাজিক মাধ্যমত এক প'ষ্ট কৰিছিল। গৰিমাৰ লগতে জুবিন গাৰ্গৰ ভগ্নী ডঃ পামী বৰঠাকুৰেও সামাজিক মাধ্যমত একেই দাবী উত্থাপন কৰে। গৰিমাৰ এই আহ্বানৰ পাছত সামাজিক মাধ্যমত এক তীব্ৰ প্ৰতিক্ৰিয়াৰ ঢৌ উঠিছে। সকলো শ্ৰেণীৰ মানুহে, বিশেষকৈ যুৱ সমাজে, জুবিন গাৰ্গৰ ন্যায় বিচাৰি সামাজিক মাধ্যমত #we_Need_ZubeenGargJustice_within_10days, ##JusticeForZubeenGarg লিখি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায়ৰ দাবী জনায়। ইফালে তদন্ত প্ৰক্ৰিয়াটো অগ্ৰগতি দেখিবলৈ পোৱা গৈছে। চিআইডিয়ে আজি গুৱাহাটীস্থিত মুখ্য কাৰ্যালয়ত ছিংগাপুৰৰ "য়ট পাৰ্টি"ত উপস্থিত থকা চাৰিজন প্ৰবাসী অসমীয়াক জেৰা কৰিছে। এই চাৰিজন হ'ল — পৰীক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জলংসাত নাৰ্জাৰী। তেওঁলোকেই জুবিন গাৰ্গৰ মৃত্যুৰ দিনা ছিংগাপুৰত অনুষ্ঠিত উক্ত পাৰ্টিত উপস্থিত আছিল বুলি নিশ্চিত কৰা হৈছে। বিশেষ তদন্তকাৰী দলৰ (SIT) মুৰব্বী তথা চিআইডিৰ বিশেষ ডিজিপি মুন্না প্ৰসাদ গুপ্তাই সংবাদ মাধ্যমৰ আগত কয়, "তদন্ত দ্ৰুতগতিত আগবাঢ়িছে আৰু আইনী প্ৰক্ৰিয়া অনুসৰি সকলো কাম কৰা হৈছে।" গুপ্তাই লগতে কয়, "গোচৰৰ সৈতে জড়িত কেইবাজনো গুৰুত্বপূৰ্ণ ব্যক্তি সোধা-পোছাৰ বাবে হাজিৰ হৈছে। আহা কেইদিনৰ ভিতৰত আৰু কেইজনমান গুৰুত্বপূৰ্ণ ব্যক্তি উপস্থিত হোৱাৰ সম্ভাৱনা আছে।" তেওঁ লগতে জানায় যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন ৰাজহুৱা কৰা নহ'ব। গুপ্তাই স্পষ্ট কৰি কয় "মৰণোত্তৰ প্ৰতিবেদন কাইলৈ বিয়লি ৪ বজাত প্ৰকাশ কৰা নহ'ব। এই প্ৰতিবেদন পোনপটীয়াকৈ আদালতৰ সন্মুখত দাখিল কৰা হ'ব।" সামাজিক মাধ্যমত আৰম্ভ হোৱা এই ডিজিটেল আন্দোলনে এতিয়া এক বৃহৎ গণমতৰ সৃষ্টি কৰিছে।

## সিদ্ধাৰ্থ শৰ্মাৰ নিৰ্দেশত

শেষ মুহূৰ্তৰ সম্পূৰ্ণ ভিডিঅ' উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা গৈছে যে, ইতিপূৰ্বে সামাজিক মাধ্যমত এই ঘটনাৰ সৈতে জড়িত কিছু ভিডিঅ' খণ্ড খণ্ডকৈ প্ৰচাৰিত হৈছিল, যিবোৰক ৰেব ছিৰিজৰ দৰে উপস্থাপন কৰা হৈছিল। কিন্তু সম্পূৰ্ণ ভিডিঅ'টো এতিয়ালৈকে পোহৰলৈ অহা নাছিল। তদন্তৰ সময়ত এই কথাও প্ৰকাশ পাইছিল যে অমৃতপ্ৰভা মহন্তই সিদ্ধাৰ্থ শৰ্মাৰ নিৰ্দেশত তেওঁৰ মোবাইলৰ পৰা এই ভিডিঅ'সমূহ ডিলিট কৰিছিল। এছ আই টিৰ জেৰাত অমৃতপ্ৰভাই এই তথ্য প্ৰকাশ কৰিছিল যে তেওঁ নিজেই ভিডিঅ'সমূহ ডিলিট কৰিছিল। তথাপি, বিশেষ তদন্তকাৰী দলটোৱে শেহতীয়াকৈ অত্যাধুনিক কাৰিকৰী পদ্ধতিৰে অমৃতপ্ৰভাৰ মোবাইলৰ পৰা সেই গুৰুত্বপূৰ্ণ ভিডিঅ'সমূহ পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। তদন্তৰ সৈতে জড়িত সূত্ৰৰ পৰা জানিব পৰা গৈছে যে, এই ভিডিঅ'সমূহ হত্যাৰ ঘটনাৰ তদন্তত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই উদ্ধাৰ হোৱা ভিডিঅ'ৰ জৰিয়তে তদন্তকাৰী দলটোৱে ঘটনাৰ সঠিক পৰিস্থিতি আৰু জড়িত ব্যক্তিসকলৰ ভূমিকা সম্পৰ্কে অধিক স্পষ্ট তথ্য লাভ কৰিবলৈ আশাবাদী।

## SITৰ বৈঠকত অংশ

বিষয়াসকল অংশগ্ৰহণ কৰিব। আলোচনাত অংশ ল'বলৈ আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত আছে বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, সাংবাদিক মনোজ কুমাৰ গোস্বামী, ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য, উত্পল শৰ্মা আৰু সমীৰণ ফুকন। ইয়াৰ উপৰি, ৰাহুল গৌতম শৰ্মা, সঞ্জীৱ ফুকন, শ্যমন্তক গৌতম, শিৱানু বৰা, প্ৰাঞ্জল শইকীয়া, ডা: হিতেশ বৰুৱা আৰু জাৰিৰ হুছেইনৰ দৰে বিশিষ্ট ব্যক্তিসকলকো এই আলোচনাত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। এই বৈঠক অসম আৰক্ষীৰ অতিথিশালাত অনুষ্ঠিত হ'ব, য'ত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অগ্ৰগতি আৰু সংশ্লিষ্ট বিষয়সমূহৰ ওপৰত বিস্তৃত আলোচনা কৰা হ'ব। তদন্তৰ স্বচ্ছতা আৰু ন্যায় প্ৰতিষ্ঠাৰ লক্ষ্যৰে এই আলোচনাৰ মাধ্যমে জনসাধাৰণৰ মাজত উদ্ভৱ হোৱা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়াস কৰা হ'ব বুলি আৰক্ষীৰ সূত্ৰই জানিবলৈ দিছে। এই আলোচনাৰ জৰিয়তে জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উন্মোচন আৰু ন্যায় প্ৰতিষ্ঠাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে।

## ৰাজহুৱা নহ'ব জুবিন

মৰণোত্তৰ পৰীক্ষাৰ ৰিপৰ্ট পাইছে যদিও ইয়াক ৰাজহুৱা কৰা নহ'ব বুলি আৰক্ষীৰ উচ্চপদস্থ বিষয়াই নিশ্চিত কৰিছে। এছআইটিৰ মুখ্য তদন্তকাৰী মুন্না প্ৰসাদ গুপ্তাই এই সম্পৰ্কত স্পষ্ট কৰি কয়, "মৰণোত্তৰ ৰিপৰ্ট তদন্ত গোটেই পাইছে, কিন্তু ইয়াক ৰাজহুৱা কৰা নহ'ব। সঠিক সময়ত এই ৰিপৰ্ট সংশি-ষ্ট আদালতত দাখিল কৰা হ'ব।" উল্লেখ্য যে, ইয়াৰ আগতে মৰণোত্তৰ ৰিপৰ্ট ৰাজহুৱা হ'ব বুলি বিভিন্ন মাধ্যমত কিছু সংবাদ প্ৰকাশ পোৱাৰ পিছতেই এছআইটিৰ ফালৰ পৰা এই স্পষ্টীকৰণ আহিল।

## অসমৰ চিকিৎসা ব্যৱস্থাৰ

ড০ হিমন্ত বিশ্ব শৰ্মাই নিজৰ সামাজিক মাধ্যমৰ মাধ্যমত এই তথ্য জনাইছে। 'আশ্বা' নামৰ এই পৰিকল্পনাৰ অধীনত ৰাজ্যৰ চিকিৎসা সেৱাৰ অৱকাঠামোৰ উন্নতিৰ বাবে ব্যাপক পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই পৰিকল্পনাৰ মুখ্য অংশ হিচাপে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক অত্যাধুনিক সা-সুবিধাৰে পুনৰ্নিৰ্মাণ কৰা হ'ব। ইয়াৰ উপৰিও ডিব্ৰুগড় আৰু শিলচৰৰ চিকিৎসা মহাবিদ্যালয়সমূহত স্মাৰ্ট ক্লাছৰুম আৰু আধুনিক পৰীক্ষাগাৰ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইয়াৰ সমান্তৰালকৈ শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ত ডিজিটেল আৰু শৈক্ষিক ক্ষেত্ৰত উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, এই পৰিকল্পনাৰ অধীনত চিকিৎসক, নাৰ্চ তথা পেৰামেডিকেল কৰ্মীসকলৰ বাবে বিশেষ প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ কাৰ্যসূচীৰ ব্যৱস্থা কৰা হ'ব। এই উদ্যোগৰ জৰিয়তে অসমৰ স্বাস্থ্যসেৱা খণ্ডত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে।

## সিদ্ধাৰ্থ শৰ্মাৰ পানীৰ

ফেক্টৰীটো আছে ছয়গাঁৱত। পেকেজিং ড্ৰিংকিং ৱাটাৰ ফেক্টৰীৰ মালিক আছিল জুবিনৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা। খবৰ অনুসৰি, এই পানী ফেক্টৰীটোত প্ৰায় আঠ ঘণ্টা ধৰি অভিযান চলাই এছ আই টিয়ে। জানিব পৰা মতে, মহাবীৰ একুৱা নামৰ এই ফেক্টৰীটো প্ৰায় এবছৰ পূৰ্বে ক্ৰয় কৰিছিল মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাই। তদন্তকাৰীয়ে জনোৱা মতে, ক্ৰয় কৰাৰ পিছৰে পৰা ইউনিটটো অকাৰ্যকৰী হৈ আছে। সিদ্ধাৰ্থ শৰ্মাই জুবিন গাৰ্গক পৰিচালনা কৰিছিল। জুবিনৰ মৃত্যুৰ গোচৰত সিদ্ধাৰ্থক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। বৰ্তমান ১৪ দিনীয়া আৰক্ষীৰ জিম্মাত আছে সিদ্ধাৰ্থ।

## জুবিন গাৰ্গৰ মৃত্যুৰ

সুস্মিতা গোস্বামী আৰু দেৱজিত হাজৰিকাই। উল্লেখযোগ্য যে, এই পাঁচগৰাকী ব্যক্তিয়েই জুবিন গাৰ্গৰ সৈতে য়ট পাৰ্টীত উপস্থিত আছিল। গতিকে তেওঁলোক জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰত্যক্ষদৰ্শী হোৱা বুলি গণ্য কৰা হৈছে। বিশেষ অনুসন্ধান দলে (SIT) তেওঁলোকৰ জেৰাৰ জৰিয়তে এই মৃত্যুৰ ঘটনাসম্পৰ্কিত গুৰুত্বপূৰ্ণ তথ্য উদঘাটনৰ আশা কৰিছে।

## যিকোনো সময়তে যাব

কৰা। চৰকাৰে জাৰি কৰা এই নিৰ্দেশনাৰ অধীনত জুবিন গাৰ্গৰ সমাধিস্থলীত যিকোনো সময়ত যাব নোৱাৰি। প্ৰৱেশ আৰু প্ৰস্থানৰ নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰা হৈছে, যাৰ বাবে এক বিশেষ ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰ'চিডুৰ (SOP) জাৰি কৰা হৈছে। এই SOPৰ মাধ্যমে ভক্তসকলক নিৰ্দিষ্ট সময়ত মাত্ৰ সমাধিস্থলীলৈ প্ৰৱেশৰ অনুমতি দিয়া হ'ব, যাতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়। এই পদক্ষেপৰ পটভূমিত দেওবাৰে জুবিন গাৰ্গৰ সমাধিস্থলীত অত্যধিক ভক্তৰ ভিৰৰ ফলত অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হৈছিল। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে নিৰাপত্তা ব্যৱস্থা কৰিছে। সমাধিক্ষেত্ৰত নিৰাপত্তা বৃদ্ধি কৰি স্পেশেল ব্ৰাঞ্চ (SB)ৰ চাৰিজন আৰক্ষীক অতিৰিক্তভাৱে নিয়োগ কৰা হৈছে। এই আৰক্ষীসকলে সমাধিস্থলীৰ চাৰিওপাশে নিৰীক্ষণ কৰি নিৰাপত্তা নিশ্চিত কৰিব। চৰকাৰৰ এই উদ্যোগৰ জৰিয়তে জুবিন গাৰ্গৰ সমাধিস্থলীক এক নিৰাপদ আৰু সুবিন্যস্ত স্থান হিচাপে ৰক্ষা কৰা হ'ব। ভক্তসকলক নিৰ্দেশনাৰ পালন কৰি সমাধিস্থলীলৈ যাবলৈ আহ্বান জনাইছে চৰকাৰে, যাতে মহানায়কৰ স্মৃতিকে শান্তিপূৰ্ণভাৱে সন্মান কৰিব পাৰি।

## কাইলৈ ঘোষণা হ'ব

কৰি কয় যে, এ ডি আৰ ইৰ চতুৰ্থ শ্ৰেণীৰ পদসমূহৰ চূড়ান্ত ফলাফল আগন্তুক ১৫ অক্টোবৰত প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে বুধবাৰে দিনৰ ১০ বাজি ২৫ মিনিটত চৰকাৰী ৱেবছাইটত এই ফলাফল চাব পাৰিব। তদুপৰি মুখ্যমন্ত্ৰীয়ে কয় যে, ১৫ৰ পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদৰ বাবে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ তালিকাও মুকলি কৰা হ'ব। তেওঁ এই মাহটোত মুঠ ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰাৰ কথাকে উল্লেখ কৰি ভৱিষ্যতৰ পৰিকল্পনাৰ আভাস দিয়ে। মুখ্যমন্ত্ৰীৰ মতে, অহা পাঁচ বছৰৰ ভিতৰত ৰাজ্যৰ বিভিন্ন চৰকাৰী বিভাগত বৃহৎ পৰিমাণে নিযুক্তিৰ প্ৰক্ৰিয়া অব্যাহত ৰখাৰ পৰিকল্পনা হাতত লোৱা হৈছে।

**ADREত অসম আৰক্ষীৰ কনিষ্টবল পদ লাভ কৰিলে ফিৰদুচ আহমেদ**

## টকেয়ামাৰীৰ দৰিদ্ৰ পৰিয়ালত আনন্দৰ বন্যা

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৩ অক্টোবৰ ঃ** দীৰ্ঘ দিন ধৰি দিনমজুৰিৰ ওপৰত নিৰ্ভৰশীল গোসাঁইগাঁও মহকুমাৰ ১ নং টকেয়ামাৰী গাঁৱৰ এগৰাকী দৰিদ্ৰ কাঠমিস্ত্ৰী মেগবৰ আলীৰ পৰিয়ালত আজি সুখৰ ধুমুহা বৰাই গ'ল। তেওঁৰ পুত্ৰ ফিৰদুচ আহমেদে সদ্য ঘোষিত ADREৰ ফলাফলে অসম আৰক্ষীৰ কনিষ্টবল পদত চাকৰি লাভ কৰিছে। সাধাৰণ পৰিয়ালৰ পৰা অহা ফিৰদুচে পিতৃৰ সৈতে দিনকেটা কাম কৰি পৰিয়ালক সহায় কৰিছিল। অৱশ্যে দাৰিদ্ৰ্যই তেওঁৰ সংকল্পত বাধা দিব নোৱাৰিলে। অধ্যৱসায়, কঠোৰ পৰিশ্ৰম আৰু দৃঢ় ইচ্ছাশক্তিৰে ফিৰদুচে নিজৰ লক্ষ্যত উপনীত হোৱাৰ পথ পোহৰালে। চাকৰি লাভৰ খবৰ পাই পৰিয়ালজনে উল্লাসত ভাঁহি উঠিছে। স্থানীয় লোকসকলেও তেওঁৰ এই সফলতাক উদযাপন কৰি ক'লেঃ "ফিৰদুচ আমাৰ গাঁৱৰ গৌৰৱ। যি পৰিয়াল দৰিদ্ৰত আকুল, সেই পৰিয়ালৰ সন্তানজনে সৰকাৰী চাকৰি লাভ কৰা সকলোৰে বাবে অনুপ্ৰেৰণা। উল্লেখ্য যে অসম চৰকাৰৰ অধীনত ADRE (Assam Direct Recruitment Examination)ৰ জৰিয়তে অনুষ্ঠিত হোৱা এই নিযুক্তিত সহস্ৰাধিক প্ৰতিযোগীৰ মাজৰ পৰা ফিৰদুচে নিজৰ প্ৰতিভাৰে স্থান লাভ কৰিছে। গাঁৱবাসীৰ বিশ্বাস ফিৰদুচে আগলৈ গৈ সমাজৰ বাবে এক ইতিবাচক পৰিৱৰ্তন আনিব।

## পুৰণিগুদামত গৰু চোৰে নিলে গোহালিৰ গাই গৰু

**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ চলচলি ব্ৰাহ্মণ গাঁৱৰ অৰুণ বৰাৰ ঘৰৰ গোহালিৰ পৰা যোৱা নিশা চোৰে চুৰি কৰি নিয়ে দুজনী গাই গৰু। চামগুৰি আৰক্ষীৰ সোপাটিলা নীতিৰ বাবে অঞ্চলটোত সঘনাই সংঘটিত হৈছে গৰু চুৰিৰ ঘটনা। গৰু পোহপাল কৰি পৰিয়াল চলোৱা পৰিয়ালটো এতিয়া ভৱিষ্যতক লৈ চিন্তিত হৈ পৰিছে। উল্লেখযোগ্য যে, বিভিন্ন সময়ত চামগুৰি আৰক্ষী থানাৰ এলেকাত গৰু চুৰি ঘটনা সংঘটিত হৈ আহিছে যদিও নিশা আৰক্ষীৰ টহলৰ ব্যৱস্থা নথকাৰ বাবে গাঁৱে-ভূঞে এতিয়া নিশা সন্দেহজনক গৰু চোৰৰ দপদপনি দেখিবলৈ পোৱা গৈছে। গৃহস্থ টোপনি যোৱাৰ সময়ত শেষ নিশা চোৰৰ দলে ছাফাই অভিযান চলাই উদং কৰিছে গো-পালকৰ গোহালি। এইক্ষেত্ৰত আৰক্ষীক গৰু চোৰৰ বিৰুদ্ধে অভিযান চলাবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

## ছীল কৰা ঘৰত

আয়োজিত এক সংবাদমেলত তীব্ৰ প্ৰশ্ন আৰু অভিযোগ উত্থাপন কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ পিছত উত্থাপিত বিভিন্ন অভিযোগৰ মাজত এজেপিয়ে চৰকাৰী তদন্তৰ পদ্ধতিৰ ওপৰত গুৰুত্বপূৰ্ণ সন্দেহ প্ৰকাশ কৰিছে আৰু সত্যৰ উন্মোচনৰ বাবে যিকোনো স্তৰলৈ যোৱাৰ দৃঢ় সংকল্প জনায়ছে। লুৰিণজ্যোতি গগৈয়ে সংবাদমেলত কয় যে, "শ্যামকানু মহন্তৰ ঘৰটো ছীল কৰাৰ পিছত তেওঁৰ পত্নীয়ে ঘৰটোত কেনেকৈয়ে সোমাল? এইবোৰ কথাৰ উত্তৰ বিচাৰি আমি যুঁজি যাম।" এই মন্তব্যত তেওঁ শ্যামকানু মহন্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্তত সম্ভাব্য ত্ৰুটি বা অসঙ্গতিৰ দিশে ইংগিত কৰিছে। এজেপিৰ সভাপতিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে যিকোনো স্তৰলৈ যোৱাৰ দৃঢ়তা প্ৰকাশ কৰি কয়, "জুবিন দাৰ ন্যায়ৰ বাবে আমি যিকোনো স্তৰলৈ যাম। মহান শিল্পীগৰাকীৰ ন্যায়ৰ বাবে কেৱল ৰাজনীতি নহয়, তাতকৈ যদি বেছি কিবা আছে সেইটোই আমি কৰিম।" তেওঁলোকৰ এই মন্তব্যে অসমৰ সাংস্কৃতিক পৰিচয়ৰ সৈতে জড়িত এই ঘটনাৰ তদন্তত ৰাজনৈতিক স্তৰৰ ওপৰতো প্ৰভাৱ পৰাৰ সম্ভাৱনাৰ ইংগিত দিলে। গগৈয়ে চৰকাৰক সত্য উন্মোচনৰ বাবে দায়বদ্ধ হোৱাৰ আহ্বান জনাইছে আৰু জনসাধাৰণক এই সংগ্ৰামত যোগদান কৰিবলৈ অনুপ্ৰাণিত কৰিছে। সংবাদমেলত লুৰিণজ্যোতি গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুৰ পিছত কৰা পৰীক্ষণৰ প্ৰতিবেদনৰ সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মন্তব্য দাঙি ধৰিছে। তেওঁ কয়, "যদি সংবিধানে মৃত্যুৰ পিছত কৰা পৰীক্ষণৰ প্ৰতিবেদন ৰাজহুৱা কৰাৰ অনুমতি প্ৰদান কৰিছে, তেন্তে সেই প্ৰতিবেদন অৱশ্যে ৰাজহুৱা কৰিব লাগিব। আৰু যদি সংবিধানত তেনে কোনো নিয়ম নাই, তেন্তে ৰাজহুৱা কৰিব নালাগে। আমি আইন আৰু সংবিধানৰ বিৰুদ্ধে কেতিয়াও কথা কোৱা নাই। কিন্তু চৰকাৰে এই সন্দৰ্ভত স্পষ্টীকৰণ দিব লাগিব।" এই মন্তব্যৰ জৰিয়তে গগৈয়ে তদন্তৰ স্বচ্ছতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে আৰু জনসাধাৰণক সত্য জানিবলৈ তেওঁলোকৰ অধিকাৰৰ কথা স্মৰণ কৰাইছে।

## মাজুলী মহাবিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে কাংকিন কে'বাং সম্পন্ন



**অসম বাৰ্তা, উজনী মাজুলী, ১৩ অক্টোবৰ ঃ** মাজুলী মহাবিদ্যালয়ৰ মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ উদ্যোগত আয়োজিত ২০২৫ বৰ্ষৰ নৱাগত আদৰণি সভা 'কাংকিন কে'বাং' আজি বিস্তৃত কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা মহাবিদ্যালয়ৰ কৰ্মচাৰী তথা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, মাজুলী মহাবিদ্যালয় গোটৰ পৰিচালক নাৰায়ণ শইকীয়া আৰু অনাময় কৰ্মী দীপক দাসৰ নেতৃত্বত শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ পিছতেই গছপুলি ৰোপণ কৰে দক্ষিণ কমলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি সমীৰণ গামে। পুৱা ৮ বজাত পতাকা উত্তোলন কৰে মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ সভাপতি বিতুপন দলেয়ে। পতাকা উত্তোলন কৰাৰ পিছতেই জুবিন গাৰ্গলৈ আনুষ্ঠানিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক দীনেশ পেগুৱে। পুৱা ৯ বজাত মহাবিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰৰ পৰা আনুষ্ঠানিকভাৱে নৱাগতসকলক মহাবিদ্যালয়-প্ৰাংগনলৈ আদৰি অনা হয়। আজিৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ প্ৰাচীৰ পত্ৰিকা 'ললাদ' উন্মোচন কৰে অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য মনোজ্যোতি ৰেগনে। ১০.০০ বজাৰপৰা কেশৱৰাম বৰা প্ৰেক্ষাগৃহত বন্তি প্ৰজ্বালন কৰি অনুষ্ঠানটি মুকলি কৰে মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী তথা শিক্ষক গোটৰ সম্পাদৰ ডঃ অনুপ কুমাৰ দলেয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনি শুভাৰম্ভ কৰা হয় ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এটি সমবেত সংগীতেৰে। ড° অনুপ কুমাৰ দলেয়ে আঁত ধৰা সভাখন উদ্বোধন কৰি মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতোলাই কয়, ছাত্ৰ জীৱনৰ প্ৰতিটো পলৰ মূল্য উপলব্ধি কৰিব পৰাজনহে প্ৰকৃত বিদ্যাৰ্থী। উদ্‌যাপন সমিতিৰ সম্পাদক পল টায়ুঙে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি টি এম পি কেৰ মাজুলী জিলা সমিতিৰ সম্পাদক হেমন্ত মিলিয়ে। শিক্ষাগুৰুসকলৰ নিৰ্দেশ মানি চলিলেহে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বতোপ্ৰকাৰ বৌদ্ধিক বিকাশ সম্ভব হ'ব বুলি মন্তব্য আগ বঢ়ায়। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, নিজ কৰ্তব্যৰ প্ৰতি শ্ৰদ্ধাৱান শিক্ষাৰ্থীসকলৰ জীৱন সুখেৰে ভৰা হ'বই। সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক নগেন্দ্ৰ নাথ সাতোলা, বিশিষ্ট শিল্পী অনিল পায়ুন, ক্ৰীড়া সংগঠক উদ্ধৱ দলে, সহকাৰী অধ্যাপক ড° ইন্দ্ৰনীল পেগু, মানসজ্যোতি ৰেগন, লিয়াৰ্ড প্ৰতিম ৰেগন, দিলেশ্বৰ পাএগং, ৰমেশ চিৰাং, প্ৰাক্তন শিক্ষাৰ্থী দিব্যজোতি মিলি, ৰামচন্দ্ৰ সাতোলা। শেষত শলাগৰ শৰাই আগ বঢ়ায় মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি দলেয়ে। মুকলি সভাৰ পাছতে বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ বছা বছা মিছিং শিক্ষাৰ্থী-শিল্পীৰ দ্বাৰা পৰিৱেশিত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু সাজপাৰ প্ৰদৰ্শনী অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট শিল্পী, চিকিৎসক ডাঃ মাণিক মিলিয়ে। ছাত্ৰী মমী দলেয়ে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত বিশেষ আমন্ত্ৰিত অতিথি শিল্পী ধৰ্মৰাগ পাংগিঙৰ লগতে প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত বৰ্ণিল গীত-নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে।

### প্লাষ্টিকমুক্ত পৃথিৱী গঢ়াৰ নীৰৱ সংগ্ৰামত ব্ৰতী মৃৎশিল্পী

# গোৱালপাৰাত মাটিৰ চাকি প্ৰস্তুত কৰি গৃহস্থৰ পদূলিমুখ উজ্জ্বলাই তোলাৰ প্ৰয়াস মৃৎশিল্পীৰ

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৩অক্টোবৰ ঃ** সমাগত দীপাৱলী। লক্ষাধিক মাটিৰ চাকি প্ৰস্তুতেৰে গৃহস্থৰ পদূলিমুখ উজলাবলৈ সাজু হৈছে গোৱালপাৰাৰ মৃৎশিল্পী। বহিঃৰাষ্ট্ৰত নিৰ্মিত তথা আমদানিকৃত ৰং বিৰঙৰ বৈদ্যুতিক চাকিৰ লগত সমানে ফেৰ মাৰিবলৈ বজাৰত উভৈনদী হৈ পৰিছে স্থানীয় মৃৎ শিল্পী সকলে থলুৱা ভাবে প্ৰস্তুত কৰা বিভিন্ন আকৃতিৰ মাটি চাকি। ইতিমধ্যে গোৱালপাৰা জিলাৰ ৰংজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত শিমলীতোলাৰ সমীপৱৰ্তী পালপাৰা, দোমনাপাৰা আৰু কামৰূপ গ্ৰাম্য জিলাৰ নগৰবেৰাৰ সমীপৱৰ্তী চেনিমাৰাত মৃৎ শিল্পীৰে জড়িত প্ৰায় তিনিশতাধিক পৰিয়ালৰ অবাল বৃদ্ধ-বনিতা, পুৰুষ মহিলা শিশু মাটিৰ চাকি প্ৰস্তুত কৰা ব্যস্ত হৈ পৰিছে। দিন ৰাতি একাকাৰ কৰি মাটি চাকি প্ৰস্তুত কৰি জীৱন জীবিকা পথ মুকলি কৰাৰ লগতে দেশৰ গ্ৰাম্য অৰ্থনীতিত বিশেষ অৰিহণা যোগাই অহা এই পৰিয়াল সমূহে মৃৎ শিল্পৰ জৰিয়তে জীৱন নিৰ্বাহ কৰাৰ লগতে ইয়াৰ লগত জড়িত হৈ বহু সংখ্যক লোকে আৰ্থিকভাৱে লাভবান হ'বলৈ সক্ষম হৈছে। সম্পুৰ্ণ একক প্ৰচেষ্টাৰে সমগ্ৰ দেশকে প্লাষ্টিকমুক্ত কৰাৰ যি পৰিকল্পনা সেই পৰিকল্পনাক বাস্তৱায়িত ৰূপ দিয়াৰ বাবদ মাটিৰে প্ৰস্তুত কৰা বিভিন্ন পাত্ৰ ব্যৱহাৰ কৰি এখন প্ৰদূষণমুক্ত পৃথিৱী গঢ়াৰ সম্ভাৱনাৰ সৃষ্টি কৰিছে। দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা নিত্য প্ৰযোজনীয় প্লাষ্টিকেৰে নিৰ্মিত সামগ্ৰীৰ বিকল্প সা-সৰঞ্জাম হিচাপে ব্যৱহাৰ কৰা হয় মাটিৰে নিৰ্মিত সামগ্ৰী সমূহ। এই সুযোগ আৰু সুবিধা গ্ৰহণ কৰাৰ বাবে চৰকাৰে এই শিল্পৰ লগত জড়িত পৰিয়াল সমূহক আগ্ৰহী কৰি তুলিবলৈ সক্ষম হোৱাত ব্যৰ্থ হৈছে চৰকাৰ তথা সংশ্লিষ্ট বিভাগ। মৃৎ শিল্পৰে সুকীয়া পৰিচয় লাভ কৰা গোৱালপাৰা জিলাৰ ৰংজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত শিমলীতোলা - পালপাৰা গাঁও আৰু কামৰূপ গ্ৰাম্য জিলাৰ নগৰবেৰা ৰাজহ চক্ৰৰ বিদ্যানগৰ চেনিমাৰা পালপাৰাত সীমাহীন ব্যস্ততাৰ মাজত থকা একাংশ পৰিয়ালে মাটিৰে নিৰ্মিত বিভিন্ন সামগ্ৰীৰ লগতে সমাগত দিপান্বীতাত পোহৰাই তোলাৰ বাবে মৃৎ শিল্পী সকলৰ লগতে এই ব্যৱসায়ীৰ লগত জড়িত ব্যৱসায়ী, মৃৎ শিল্পীৰ পৰিয়াল সমূহ ব্যস্ত হৈ পৰিছে। কণ-কণ ল'ৰা-ছোৱালী, পুৰুষ - মহিলাৰ পৰা পৰিয়ালৰ জেষ্ঠজনলৈ সকলোৱে ব্যস্ত মাটি চাকি বনোৱাৰ কামত। সময় মতে এই সামগ্ৰী সমূহ বজাৰ পাবলৈ ইতিমধ্যে জুইত পুৰি বিক্ৰীৰ বাবে সাজু কৰি তোলাৰ লগতে বহিৰা অঞ্চলৰ ব্যৱসায়ীয়ে প্ৰয়োজন অনুসৰি অৰ্ডাৰ লৈ বিভিন্ন অঞ্চললৈ প্ৰেৰণ কৰা বুলি একাংশ মৃৎ শিল্পীয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। কোনো আধুনিক সা-সৰঞ্জাম অবিহনেই দীৰ্ঘদিনৰে পৰা পৰম্পৰাগতভাৱে বংশানুক্ৰমে মাটিৰে তৈয়াৰী তথা অসমীয়া থলুৱা জীৱনত ব্যৱহাৰ কৰা সা-সামগ্ৰীৰ লগতে পূজা - পাৰ্বণত ব্যৱহাৰ কৰা বিভিন্ন সা-সামগ্ৰীও নিৰ্মাণ কৰি আহিছে মৃৎ শিল্পী সকলে। আধুনিকতাৰ নামত বজাৰত যিমানেই চকুত লগা বিভিন্ন চাকিৰ প্ৰচলন নহওক কিয় ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো মাটিৰে নিৰ্মিত মাটি চাকিৰ সমাদৰ সুকীয়া তথা অন্যান্য বুলি মৃৎ শিল্পী সকলে দাবী কৰি আহিছে। একাংশ মৃৎশিল্পীয়ে সংবাদ মাধ্যমৰ জানিবলৈ দি কয় যে বছৰ বছৰ ধৰি জিলা দুখনৰ পাল সম্প্ৰদায়ৰ লোকৰ বসতি অঞ্চল দুটাৰ মৃৎ শিল্পী সকলে নিজে হাতে বনোৱা বিভিন্ন সামগ্ৰী দেশৰ বিভিন্ন প্ৰান্তলৈ ৰপ্তানি কৰি সমগ্ৰ অঞ্চলটোকে এক ব্যৱসায়িক ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে। পোহৰৰ উৎসৱ দীপাৱলীত নিজ হাতে বনোৱা মাটি চাকিৰে লোকৰ পদূলিমুখ উজ্জ্বলাই তোলাৰ অপৰিসীম আনন্দই সুকিয়া। গাঁওখনৰ প্ৰায় ১২০টা পৰিয়ালে প্ৰতিবছৰে এই দীপাৱলীৰ সময়ত ১ লাখৰ পৰা ১.৫ লাখ টকাৰ মাটি চাকি বিক্ৰী কৰে। সম্প্ৰতি অস্তিত্বৰ সংকটত পৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে শিমলীতোলা - পালপাৰা অঞ্চলৰ মৃৎশিল্পক জীয়াই ৰাখিবলৈ হ'লে সমগ্ৰ অঞ্চলটোক এক বাণিজ্যিক ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ উন্নত প্ৰশিক্ষণ, নিৰ্মিত সামগ্ৰী মজুত ৰখাৰ বাবে গৃহ, বজাৰ আৰু সুচল যাতায়াত ব্যৱস্থা, মাটিৰে নিৰ্মিত এই সমূহ সামগ্ৰীৰ ব্যৱহাৰ কৰিলে যে কোনো ক্ষতি নহয় বৰঞ্চ এই সামগ্ৰীসমূহ বিজ্ঞান সন্মত ভাবেও যে উপযোগী সেই বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰি সজাগতা সৃষ্টি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। লগতে এই বৃত্তিটো অনাগত দিনলৈ জীয়াই ৰাখিবলৈ হলে মৃৎ শিল্পী সকলক যাবতীয় সা-সুবিধা প্ৰদান কৰি দিয়াৰ লগতে মৃৎশিল্প সকলৰ জীৱন বীমা, অৰ্থনৈতিক সুৰক্ষা, শিল্পী পেন্সন, আৱাস গৃহ, নিম্নতম সুতত বেংক ঋণ, শিক্ষা, স্বাস্থ্যকে আদি কৰি নতুন প্ৰজন্মক এই শিল্পৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অন্যথা মাটি চাকি বনাই আনৰ পদূলি পোহৰ কৰি তোলা এই সকল মৃৎশিল্পীৰ জীৱনলৈ অন্ধকাৰ নামি অহাৰ লগতে কালৰ কুটিল সময়ত বিলুপ্ত ঘটিব এই সাতামপুৰুষীয়া মৃৎশিল্প।

# জবাল-ই ৰহমান একাডেমীত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, সোণতলী, ১৩ অক্টোবৰ ঃ** কামৰূপ জিলাৰ সোণতলীৰ ডেকাচাঙস্থিত জবাল-ই ৰহমান একাডেমীত প্ৰয়াত প্ৰাক্তন মুখ্য মন্ত্ৰী তৰুণ গগৈৰ জন্ম জয়ন্তীৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি গৌৰৱ গগৈ ফেনচ্ ক্লাৱৰ তৰফৰ পৰা দৰিদ্ৰ লোকৰ মাজত বস্ত্ৰ, খাদ্য আৰু বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত জেষ্ঠ কংগ্ৰেছী নেতা তথা ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ২৭নং ছমৰীয়া সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ পৰা টিকট প্ৰত্যাশী ছাহজাহান আলীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি বহুসংখ্যক বৃক্ষৰোপণ কৰে। বৃক্ষ ৰোপণৰ অন্তত বিদ্যালয় প্ৰাংগনত অনুষ্টুপীয়াকৈ এখন সভা অনুষ্ঠিত কৰে। সভাত প্ৰয়াত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ একনিষ্ঠ কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি বিদেহ আত্মাৰ সদগতি কামনা কৰে। গৌৰৱ গগৈ ফেনচ্ ক্লাৱৰ সদস্য কবিৰ আক্ৰাম হুছেইনৰ সঞ্চালনত অনুষ্ঠিত সভাত ছমৰীয়া ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি গোলজাৰ হুছেইন, গৌৰৱ গগৈ ফেনচ্ ক্লাৱৰ সদস্য হেফজুৰ ৰহমান, সদস্যা মৰ্জিনা বেগম, স্থানীয় মুৰব্বী, বিদ্যালয়ৰ খনৰ অধ্যক্ষ কলিম উদ্দিন আহমেদ প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## সতীৰ্থ সন্মিলন আৰু গুৰু সেৱা অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, জাঁজী, ১৩ অক্টোবৰ ঃ** আমগুৰিৰ 'সুহৃদ সতীৰ্থ ১৯৮৮'ৰ উদ্যোগত অহা ২৬ অক্টোবৰ দেওবাৰে আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে সতীৰ্থ সন্মীলন আৰু গুৰু সেৱা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু আমগুৰি বালিকা বিদ্যালয়ৰ ১৯৮৭-৮৮ বৰ্ষত কৰ্মৰত সমূহ শ্ৰদ্ধেয় শিক্ষক শিক্ষয়িত্ৰীক সমূহীয়া গুৰু সেৱা তথা আন্তৰিক সম্বৰ্দ্ধনা জ্ঞাপনৰ ব্যৱস্থা কৰা হৈছে। সেয়েহে উক্ত দুয়োখন বিদ্যালয়ত ১৯৮২ চনত পঞ্চম শ্ৰেণীত নামভৰ্তি কৰা অথবা ১৯৮৮ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা আৰু বৰ্তমানে ৰাজ্য বা দেশৰ বিভিন্ন ঠাইত কৰ্মৰত বা বসবাস কৰি থকা সতীৰ্থ ছাত্ৰ-ছাত্ৰী সকলক উক্ত অনুষ্ঠানত উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰিবৰ বাবে উদ্যোক্তা সকলে সানুনয়ে অনুৰোধ জনাইছে। আঁতৰত থকা সতীৰ্থ সকলে যিকোনো খবৰৰ বাবে উৎপল বড়া (৯৮৬৪৪১৭১০৮), পঙ্কজ শৰ্মা (৮১৩৬০৮১৬২৪.), ৰত্নামণি দত্ত (৯৪৩৫২৪৮০৮০.) আৰু লিখনি বৰা(৮৪৮৬৫১২৬৮২)ৰ লগত যোগাযোগ কৰিব পাৰিব।

### বাকচুত সদৌ অসম ভাওনা সমাৰোহ আৰু ৰাসলীলাৰ লাইখুঁটা স্থাপন

# সমাৰোহৰ শীৰ্ষ গীত উন্মোচন; পাঁচ শতাধিক মহিলাৰ দিহানামেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৩ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অপূৰ্ব সৃষ্টি ভাওনা সংস্কৃতিৰ চৰ্চা আৰু নতুন প্ৰজন্মক আধ্যাত্মিক চিন্তাৰে ভাওনা সংস্কৃতিৰ লগত একান্ত কৰাৰ উদ্দেশ্যে জন্ম লাভ কৰা শিৱসাগৰ জিলাৰ অন্যতম ভাওনা দল ধিতাইপুখুৰী পূৰ্বৰংগ সাংস্কৃতিক গোষ্ঠীয়ে পঁচিছ বছৰীয়া বৰ্ণিল যাত্ৰা অতিক্ৰম কৰাৰ উপলক্ষ্যত ৰূপালী জয়ন্তী উদযাপনৰ লগত সংগতি ৰাখি চতুৰ্থবাৰৰ বাবে সদৌ অসম ভাওনা সমাৰোহ আৰু শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে। বৃহত্তৰ বাকচুবাসী ৰাইজৰ আতিথ্যত বেতবাৰী, শিলাকুটি, হাঁহচৰা আৰু বকতা মৌজাৰ ৰাইজৰ সহযোগত অহা ৮ নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰলৈ বাকচুৰ সৰুবিল খেলপথাৰৰ বৃন্দাবন ক্ষেত্ৰত অনুষ্ঠিত হ'ব লগা সদৌ অসম ভাওনা সমাৰোহ ২০২৫ আৰু কৃষ্ণৰ ৰাসলীলা অনুষ্ঠানৰ আজি লাইখুঁটা স্থাপন কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ আধ্যাত্মিক পৰিৱেশত চাৰিওটা মৌজাৰ সহস্ৰাধিক ৰাইজৰ উপস্থিতিত মুখ্য স্থাপক হিচাপে উপস্থিত থাকি উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ ভাওনা সংস্কৃতিৰ মাধ্যমেৰে আধ্যাত্মিক চিন্তা চৰ্চাৰে সমাজখন আগুৱাই লৈ যোৱাৰ লগতে ভাওনা আৰু কৃষ্ণৰ ৰাসলীলা সংস্কৃতিৰ মাধ্যমেৰে উঠি অহা নৱ প্ৰজন্মক শৃংখলিত ৰূপত আগবঢ়াই নিয়াৰ সম্ভৱ হ'ব পাৰে বুলি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ডিমৌ সমষ্টিৰ বিধায়ক তথা উদ্‌যাপন সমিতিৰ সভাপতি সুশান্ত বৰগোহাঁইও বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। প্ৰীতি বন্যা মহন্তৰ বৰগীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত গৌৰাংগ দত্তৰ কথা- সুৰ আৰু গৌৰাংগ দত্ত, প্ৰস্তুতি ফুকন আৰু চিৰঞ্জিৎ গগৈৰ কণ্ঠৰ সমৰোহৰ শীৰ্ষ গীত "পূৰ্বৰংগ" উন্মোচন কৰা হয়। আনহাতে উদ্‌যাপন সমিতিৰ উদ্যোগত সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ পাঁচ শতাধিক মহিলাৰ দ্বাৰা পৰিৱেশন কৰা দিহানামেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দিহানামৰ প্ৰাৰম্ভণিত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি বিধায়ক সুশান্ত বৰগোহাঁইৰ লগতে উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদকত্ৰয় দিলীপ শইকীয়া, অংকুৰ শইকীয়া আৰু পাৰ্থপ্ৰতীম বৰাই। সপ্তাহযোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা সমাৰোহৰ কাৰ্যসূচী অনুসৰি হ ৮ নৱেম্বৰ-পুৱা ৮ বজাতঃ পৰিৱেশ নিকাকৰণ। পুৱা ৯ বজাতঃ ধৰ্মধ্বজা উত্তোলন (সুশান্ত বৰগোহাঁই)। ৯.৩০ বজাতঃ স্মৃতি তৰ্পণ (তৰ্পকঃ ৰমেন দত্ত, মহেন্দ্ৰ বৰা, পৰেশ মহন্ত)। ১০ বজাতঃ গছপুলি ৰোপণ (স্থানীয় পাঁচখন সত্ৰৰ প্ৰতিনিধিৰ দ্বাৰা)। ১০.১৫ বজাত: মুখ্য তোৰণ উন্মোচন (উন্মোচকঃপদ্মশ্ৰী ৰেৱকান্ত মহন্ত, সত্ৰাধিকাৰ, খাটপাৰ সত্ৰ)। ১১ বজাতঃ ধৰ্মীয় সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধক — নিবন্ধকাৰ এনামউদ্দিন আহমেদ। ২ বজাতঃ "স্মৃতিকাতৰ" শীৰ্ষক অন্তৰংগ আলাপ। ৪ বজাতঃ দিহা সম্ৰাজ্ঞী ভাগ্যশ্ৰী দেৱীৰ দিহানাম পৰিৱেশন। ৬বজাতঃসদৌ অসম ভাওনা সমাৰোহ-২০২৫ৰ শুভ উদ্বোধনী অনুষ্ঠান। উদ্বোধকঃ ড° শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী (সত্ৰাধিকাৰ, আউনিআটী সত্ৰ)। স্মৃতিগ্ৰন্থ উন্মোচকঃ ড° সব্যসাচী মহন্ত, অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়। মুখ্য অতিথিঃসৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় মন্ত্ৰী। বিশিষ্ট অতিথিঃ বিমল বৰা, যোগেন মহন, বিকুল ডেকা। নিশা ৯ বজাতঃ অংকীয়া নাট "পাৰিজাত হৰণ" (কৰাপাট সাংস্কৃতিক গোষ্ঠী, আমগুৰি), ৯ নৱেম্বৰ-নামপ্ৰসংগ (পুৱা ১০ বজাত)। ৩ বজাত নাট্য প্ৰতিযোগিতাৰ উদ্বোধন। উদ্বোধকঃ দিলীপ চাংমাই, সম্পাদক, সদৌ অসম কৃষ্ণ সূৰ্য নাম সমাজ। বিশিষ্ট অতিথিঃৰাজেন কুমাৰ আগৰৱালা, সঞ্চালক, গুৰুকুল, নাজিৰা। প্ৰথম নাটঃ "শকুনিৰ প্ৰতিশোধ" (ত্ৰিমূৰ্তি সাংস্কৃতিক গোষ্ঠী, শিৱসাগৰ)। দ্বিতীয় নাটঃ "শুক্ৰাচাৰ্যৰ গুৰু মৰ্যাদা প্ৰাপ্তি" (সাৰংগপাণি শিল্পী সমাজ, চিপাহীখোলা, যোৰহাট)। ১০-১৪ নৱেম্বৰঃপ্ৰতিদিন পুৱা নামপ্ৰসংগ আৰু সন্ধিয়া নাট্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশ ল'ব আমগুৰি, যোৰহাট, দুলীয়াজান, কেঁাৱৰপুৰ, গোহাঁইটেকেলা, জাঁজী আদিৰ ভাওনা দলসমূহে। নাট্য প্ৰতিযোগিতাৰ উদ্বোধকসকলৰ মাজত থাকিব — মন ৰাজগুৰু, লুৰিণজ্যোতি গগৈ, ৰমা গগৈ, অখিল গগৈ, সৰ্বানন্দ কলিতা, বসন্ত গগৈ, ঘন গগৈ, সমীৰণ ফুকন, আৰু ড° জীৱন কলিতা আদিকে ধৰি গণ্যমান্য ব্যক্তিসকলে। ১৫ নৱেম্বৰ-পুৱা ১০ বজাত: নামপ্ৰসংগ, দিনৰ ২বজাতঃ বঁটা বিতৰণ অনুষ্ঠান। মুখ্য অতিথি: ড° মাণিক শইকীয়া, মুখ্য সম্পাদক, সদৌ অসম ভাওনা সন্মিলনী। বিশিষ্ট অতিথিঃ ক্ষীৰোদ কুমাৰ বৰদলৈ, বিশিষ্ট সমাজকৰ্মী। সন্ধিয়া ৪.৩০ বজাতঃ শ্ৰীকৃষ্ণৰ ৰাসলীলা উদ্বোধনী অনুষ্ঠান। উদ্বোধকঃ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। উল্লেখযোগ্য যে ধিতাইপুখুৰীৰ পূৰ্বৰংগ সাংস্কৃতিক গোষ্ঠীৰ এই ৰূপালী জয়ন্তীৰ আয়োজনৰ জৰিয়তে প্ৰমাণ কৰিছে যে ভাওনা সংস্কৃতি কেৱল গাম্ভীৰ্যৰ নহয়, ই সমাজ-সংহতি, ধৰ্মীয় সম্প্ৰীতি আৰু আধ্যাত্মিক জাগৰণৰ এক দীপশিখা। ভাওনাৰ মাজেৰে শংকৰ-গোবিন্দৰ বাণী নতুন প্ৰজন্মলৈ লৈ যোৱা এই আধ্যাত্মিক গোষ্ঠীটোৱে সমাজৰ সকলো স্তৰৰ লোকক একেডাল এনাজৰীৰে বান্ধি ৰখাৰ লগতে এই উৎসৱখনৰ জৰিয়তে অসমজুৰি ভাওনা সংস্কৃতি নতুন উৎসাহেৰে পুনৰ উজ্জীৱিত কৰিব বুলি উদ্‌যাপন সমিতিৰ সভাপতি তথা ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে আশা প্ৰকাশ কৰিছে। লাইখুটা অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলো ৰাইজক উদযাপন সমিতিৰ মুখ্য সম্পাদক পাৰ্থপ্ৰতীম বৰাই কৃতজ্ঞতা জ্ঞাপন কৰে।

## মাকুমত নিশা দুটাকৈ স্থানত অঘটন

**অসম বাৰ্ত, মাকুম, ১৩ অক্টোবৰ ঃ** আজি নিশা প্ৰায় ১১ঃ৩৭ মান বজাত মাকুম চহৰৰ মাজমজিয়াত অৱস্থিত ট্ৰেফিক পইণ্টৰ সমীপৰ ৰে'ল গে'টখন পাৰ হ'ব লওঁতে বাগৰি পৰিল অইল ইণ্ডিয়া লিমিটেডৰ সা-সৰঞ্জাম কঢ়িয়াই নিয়া এখন প্ৰকাণ্ড ট্ৰাক ট্ৰেইলাৰ। ট্ৰাক ট্ৰেইলাৰখন বাগৰি পৰাৰ ফলত ডিগবৈ-ডুমডুমা আৰু তিনিচুকীয়ালৈ নিশা চলাচল কৰা যান বাহন সমূহ আবদ্ধ হৈ পৰে। উক্ত দুৰ্ঘটনাৰ ফলত ট্ৰাকখনৰ কেবিনত থকা কোনো লোক আঘাতপ্ৰাপ্ত নহ'ল যদিও ট্ৰেইলাৰখনৰ লগতে ৰে'ল গে'টখনৰ যথেষ্ট পৰিমাণৰ ক্ষয়-ক্ষতি হয়। উক্ত ঘটনাস্থলীত মাকুম আৰক্ষী আৰু ৰে'লৱে বিভাগৰ লোক উপস্থিত হৈ দুখনকৈ কেৰেঙৰ সহায়ত ঘণ্টা জোৰা প্ৰচেষ্টাৰ অন্তত উক্ত স্থানৰ পৰা ট্ৰেইলাৰখন আঁতৰাবলৈ সক্ষম হয়। ইপিনে প্ৰায় ১১.৫৫ মান বজাত মাকুম বাইপাছৰ উৰণীয়া সেতু সমীপৰ ডিগবৈ অভিমুখে গৈ থকা এ এচ ২৩ ৱাই ৯৯৯৫ নম্বৰৰ এখন টাটা নে'ন বাহনে দ্বিভাইডাৰত খুন্দা মৰাৰ ফলত এক দুৰ্ঘটনা সংঘটিত হয়। উক্ত দুৰ্ঘটনাৰ ফলত বাহন খনত থকা লোক কেইজন কথমপী ৰক্ষা পৰে যদিও বাহনখন যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হয়।

## মাজুলী মহাবিদ্যালয়ত আজি জুবিনৰ জীৱন-জিজ্ঞাসা শীৰ্ষক বক্তৃতানুষ্ঠান

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ অক্টোবৰ ঃ** মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ উদ্যোগত কালিলৈ 'জনকণ্ঠ জুবিন গাৰ্গৰ জীৱন আৰু জিজ্ঞাসা' শীৰ্ষক শীৰ্ষক এক জনপ্ৰিয় বক্তৃতানুষ্ঠানৰ অনুষ্ঠিত হ'ব। বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বিষয় সন্দৰ্ভত বক্তৃতা প্ৰদান কৰিব বৰপেটাৰ কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° গোবিন্দ প্ৰসাদ ভূঞাই। দুপৰীয়া ১২ বজাৰ পৰা মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগৰ সঞ্চালনাত অনুষ্ঠিতব্য বক্তৃতানুষ্ঠানটি উদ্বোধন কৰিব মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই। অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সভাপতি অধ্যাপক প্ৰশান্ত ভৰালী প্ৰমুখ্য ভালেকেইগৰাকী লোকে বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটিত সকলোৱে উপস্থিতি কামনা কৰিছে মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলেয়ে।

### আয়ুক্ত অনামিকা তেৱাৰীৰ 'লাহৰী চৰ' পিকনিক স্পট শুভাৰম্ভ

# ব্ৰহ্মপুত্ৰৰ বুকুৰ পৰাই আৰম্ভ মৰিগাঁও জিলা দিৱস

**অসম বাৰ্তা, লাহৰীঘাট, ১৩ অক্টোবৰ ঃ** ৩৭ সংখ্যক মৰিগাঁও জিলা দিৱস। জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ নিৰ্দেশত মৰিগাঁও জিলা দিৱসৰ আৰম্ভণি ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজৰ পৰা আৰম্ভ হয়। নদীৰ মনোমোহা পাৰত এক জাকজমকপূৰ্ণ আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ অনুষ্ঠানৰ মাধ্যমেৰে হৈছিল। এই উৎসৱমুখৰ কাৰ্যসূচীত মৰিগাঁও জিলাৰ বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ প্ৰতিফলনৰ লগতে অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এক সুন্দৰ প্ৰদৰ্শন ঘটিছিল। ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্যমণ্ডিত পটভূমিত আয়োজিত এই অনুষ্ঠানত উপস্থিত আছিল মৰিগাঁও জিলা বিধায়ক ৰমাকান্ত দেউৰী, লাহৰীঘাট বিধান সভাৰ বিধায়ক আচিফ মহম্মদ নাজৰ, মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰী, আৰু জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ লগতে অঞ্চলটো গণ্য মান্য ব্যক্তি সকলৰ লগতে অঞ্চলটোৰ ৰাইজ। অনুষ্ঠানৰ আৰম্ভণি হৈছিল মৰমৰ অসমীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ মাধ্যমেৰে। তেওঁৰ অৱদানৰ প্ৰতি সন্মান জনাই এই কাৰ্যসূচীৰে অনুষ্ঠানৰ এক গাম্ভীৰ্যপূৰ্ণ আৰম্ভণি ঘটে। ইয়াৰ পাছত, ব্ৰহ্মপুত্ৰৰ পাৰত দেৱযানী বৰদলৈৰ নেতৃত্বত এটি ১০ জনীয়া মহিলা দলৰ দ্বাৰা বৰগীত পৰিৱেশনৰ জৰিয়তে অনুষ্ঠানৰ সাংস্কৃতিক অংশৰ সূচনা হয়। বৰগীতৰ মধুৰ সুৰ আৰু আধ্যাত্মিকতাৰ মাধ্যমেৰে উপস্থিত দৰ্শকৰ মন জিনিবলৈ সক্ষম হয় এই পৰিৱেশনাই। সাংস্কৃতিক পৰিৱেশন, বৰগীত পৰিৱেশনৰ পাছত মৈৰাবাৰী সংহতি শিশু উন্নয়ন প্ৰকল্পৰ জৰিয়তে জিকিৰ আৰু জাৰী পৰিৱেশন কৰা হয়। অসমৰ ঐতিহ্যবাহী এই সাংস্কৃতিক সংগীতৰ ধাৰাই উপস্থিত সকলোৱে মনোযোগ আকৰ্ষণ কৰে আৰু জিলা দিৱসৰ সাংস্কৃতিক সমৃদ্ধিক প্ৰতিফলিত কৰে। এই পৰিৱেশনসমূহে অসমৰ সংস্কৃতিৰ বৈচিত্ৰ্য আৰু গভীৰতাক প্ৰকাশ কৰিছিল। ইয়াৰ পাছত লাহৰীঘাট সমাজিলাৰ আয়ুক্তই আদৰণি ভাষণ প্ৰদান কৰে। তেওঁৰ ভাষণত জিলাৰ ঐক্য আৰু উন্নয়নৰ প্ৰতি গুৰুত্ব দিয়া হয়। বিধায়ক ৰমাকান্ত দেউৰীয়ে মৰিগাঁও জিলাৰ উন্নয়নৰ বাবে ভৱিষ্যৎ পৰিকল্পনা আৰু কৰ্মকাণ্ডৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। তেওঁ জিলাৰ অৰ্থনৈতিক, সামাজিক আৰু পৰিকাঠামোগত উন্নয়নৰ বাবে তেওঁৰ প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰে। একেদৰে, বিধায়ক আচিফ মহম্মদ নাজৰেও তেওঁৰ ভাষণত জিলাৰ উন্নতিৰ বাবে বিভিন্ন দিশৰ ওপৰত পোহৰ পেলায়। তেওঁলোকৰ ভাষণত জিলাবাসীৰ মাজত একতা আৰু সমৃদ্ধিৰ বাৰ্তা প্ৰচাৰ কৰা হয়। ব্ৰহ্মপুত্ৰৰ বুকুত নাওৰ ৰেলী সভাৰ পাছত এটি বিশেষ আকৰ্ষণ আছিল ব্ৰহ্মপুত্ৰ নদীৰ বুকুত যন্ত্ৰচালিত নাওৰ এক বিশাল ৰেলী। এই ৰেলীয়ে নদীৰ সৌন্দৰ্যৰ লগতে জিলাৰ পৰ্যটনৰ সম্ভাৱনীয়তাক প্ৰকাশ কৰিছিল। ৰেলীত অংশগ্ৰহণকাৰী নাওসমূহে ব্ৰহ্মপুত্ৰৰ পানীত এক মনোমোহা দৃশ্যৰ সৃষ্টি কৰিছিল, যিয়ে দৰ্শকৰ মনত এক অবিস্মৰণীয় ছাপ এৰিছিল। লাহৰী চৰৰ পিকনিক স্পট হিচাপে স্বীকৃতি অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ মুহূৰ্ত আছিল লাহৰী চৰক পিকনিক স্পট হিচাপে স্বীকৃতি প্ৰদান। জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে পামবড়ী চৰক আনুষ্ঠানিকভাৱে লাহৰী চৰ নাম দি পিকনিকৰ বাবে মুকলি কৰি দিয়ে।



চাৰিওফালে ব্ৰহ্মপুত্ৰৰ পানীৰ শান্ত শব্দ আৰু প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিবেষ্টিত লাহৰী চৰৰ মোহনীয় পৰিৱেশে ইয়াক পিকনিকৰ বাবে এক আদৰ্শ স্থান কৰি তুলিছে। আয়ুক্ত তেৱাৰীয়ে সকলোকে এই চৰত পিকনিকৰ বাবে আহি উপভোগ কৰিবলৈ আমন্ত্ৰণ জনায়। তেওঁৰ এই ঘোষণাই জিলাৰ পৰ্যটনৰ সম্ভাৱনাক আৰু অধিক শক্তিশালী কৰিছে। ৩৭ তম মৰিগাঁও জিলা দিৱসৰ এই অনুষ্ঠানত সাংস্কৃতিক ঐতিহ্য, প্ৰাকৃতিক সৌন্দৰ্য আৰু উন্নয়নৰ প্ৰতিশ্ৰুতিৰ এক সুন্দৰ সংমিশ্ৰণ দেখা গৈছিল। ব্ৰহ্মপুত্ৰৰ পাৰত আয়োজিত এই অনুষ্ঠানে জিলাৰ ঐক্য আৰু সমৃদ্ধিৰ প্ৰতীক হিচাপে কাম কৰিছে। লাহৰী চৰৰ পিকনিক স্পট হিচাপে স্বীকৃতিয়ে জিলাৰ পৰ্যটনৰ নতুন দিগন্ত মুকলি কৰিছে। এই দিৱসৰ স্মৃতি মৰিগাঁও জিলাৰ বাসিন্দাৰ মনত চিৰস্থায়ী হৈ থাকিব। আজিৰ এই অনুষ্ঠানটো সফলতাৰে সম্পন্ন হোৱাত লাহৰী ঘাট সমজিলা, লাহৰীঘাট ৰাজহ চক্ৰ, লাহৰীঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া কৰ্মচাৰীৰ লগতে অন্যান্য বিভাগৰ কৰ্মচাৰী সকলক জ্ঞাপন কৰিছে অঞ্চলটোৰ ৰাইজ তথা জিলাবাসীয়ে।

### বিভিন্ন প্ৰান্তৰ কবিৰ স্ব-ৰচিত কবিতা, জুবিনৰ গীতেৰে জীপাল বৰক্ষেত্ৰী

# জাগাৰাত বৰক্ষেত্ৰী কবি সন্মিলনৰ উদ্যোগত সদ্যপ্ৰয়াত গণশিল্পী তথা হিয়াৰ আমঠু জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৩ অক্টোবৰ ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত বৰক্ষেত্ৰী কবি সন্মিলনৰ উদ্যোগত নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জাগাৰাত ১২ অক্টোবৰ দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে সদ্যপ্ৰয়াত গণশিল্পী জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। বৰক্ষেত্ৰী কবি সন্মিলনৰ উদ্যোগত অনুষ্ঠিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি জুবিন গাৰ্গৰ গীত আৰু জুবিন গাৰ্গক লৈ স্ব-ৰচিত কবিতা পাঠৰ জৰিয়তে হিয়াৰ আমঠু প্ৰয়াত শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। পতাকা উত্তোলন কাৰ্যসূচীৰে আৰম্ভ হোৱা অনুষ্ঠানটিত পতাকা উত্তোলন কৰে জাগাৰা উত্তৰ কামপীঠ কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা ড্ৰিমলেণ্ড ইংলিছ স্কুলৰ অধ্যক্ষ নগেন চন্দ্ৰ বেজবৰুৱাই। ইয়াৰ পিছতে বৰক্ষেত্ৰী কবি সন্মিলনৰ ফালৰ পৰা প্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শিল্পীগৰাকীৰ বিদেহ আত্মাৰ সদগতিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। ইয়াৰ পিছতে জুবিন গাৰ্গৰ স্মৃতিত জাগাৰা প্ৰাথমিক বিদ্যালয় চৌহদত নাহৰ গছৰ পুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণ কৰে জাগাৰাৰ সমাজসেৱী উত্তম তালুকদাৰ, কাউঞ্চিলাৰ দীনেশ বৈশ্য, গণেশ ডেকা, চিত্ত ডেকা, শিক্ষক নগেন চন্দ্ৰ বেজবৰুৱা, প্ৰাক্তন অধ্যক্ষ কনক চন্দ্ৰ ডেকা, গজেন ডেকা প্ৰমুখ্যে অঞ্চলটোৰ ভালেমান গণ্য মান্য ব্যক্তিয়ে। ইয়াৰ পিছতে প্ৰয়াত শিল্পীগৰাকীক অঞ্চলটোৰ স্থানীয় লোকে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা জাগাৰা নিবাসী কনক চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক তথা বিশিষ্ট কবি মৃণাল কুমাৰ বৰা, বৰক্ষেত্ৰী কবি সন্মিলনৰ উপ-সভাপতি তথা বি. আৰ. আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত বিপিন চন্দ্ৰ দাস, বৰক্ষেত্ৰী কবি সন্মিলনৰ সম্পাদক তথা যুৱ প্ৰজন্মৰ কবি-লিখক-শিক্ষক পিংকু মণি ৰায় চৌধুৰী, বৰক্ষেত্ৰী কবি সন্মিলনৰ সহকাৰী সম্পাদক ধনজিৎ বৈশ্য, বৰক্ষেত্ৰী কবি সন্মিলনৰ প্ৰচাৰ সম্পাদকদ্বয় যোগেশ বৰুৱা আৰু চাহজাহান আলী, বৰক্ষেত্ৰী কবি সন্মিলনৰ সাংগঠনিক সম্পাদক তনুশ্ৰী বৈশ্য, পত্ৰিকা সম্পাদক দীপিকা দেৱী, বৰক্ষেত্ৰী কবি সন্মিলনৰ সদস্যা তথা জাগাৰাৰ সৰবৰহী মহিলা গীতা ডেকা প্ৰমুখ্যে অঞ্চলটোৰ ভালেমান স্থানীয় লোকে অংশগ্ৰহণ কৰে। আনহাতে, অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি গণশিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধীকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাই। অনুষ্ঠানটোত জুবিনক লৈ স্বৰচিত কবিতা পাঠ কৰে বিপিন চন্দ্ৰ দাস, লাচিত ডেকা, অপূৰ্ব বৈশ্য, তনুশ্ৰী বৈশ্য, হীৰামণি ডেকা তালুকদাৰ, দীপিকা দেৱী, বিশাল ডেকা, মৃণাল ডেকা, পিংকু মণি ৰায় চৌধুৰী, মনোজ নাথ, গীতা ডেকাই। জুবিনক লৈ গীত পৰিৱেশন কৰে শেৱালি তালুকদাৰ, যোগেশ বৰুৱা, বিভা গোস্বামীয়ে। অনুষ্ঠানটিৰ আৰম্ভণিত সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু শেষত শলাগৰ শৰাই আগবঢ়াই বৰক্ষেত্ৰী কবি সন্মিলনৰ সম্পাদক তথা শংকৰ মাধৱ হাইস্কুলৰ সহকাৰী শিক্ষক পিংকু মণি ৰায় চৌধুৰীয়ে। সদৌটিকে কাব্যমন্ত্ৰ পাঠ কৰোৱাই সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক মৃণাল কুমাৰ বৰাই।

## শিক্ষক চন্দ্ৰগুপ্ত দাসৰ দেহাৱসান

**অসম বাৰ্তা, দেৰগাঁও, ১৩ অক্টোবৰ ঃ** অক্টোবৰ তাৰিখে সন্ধিয়া ৬ বজাত দেৰগাঁও বিলতীয়া কৈৱৰ্ত গাঁৱৰ 'ছগুৰি কনুৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দ্ৰগুপ্ত দাসে নিজা বাসগৃহত ইহলীলা সম্বৰণ কৰে। বহু দিন ধৰি শাৰীৰিক অসুস্থতা ভূগি থকা প্ৰয়াত দাস, ক্ৰীড়াকে ধৰি সামাজিক সাংস্কৃতিক আৰু শিক্ষাৰ লগত জড়িত হৈ বিলতীয়া কৈৱৰ্ত গাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেখেতৰ মৃত্যুত বিলতীয়া কৈৱৰ্ত গাঁৱৰ অঞ্চলত গভিৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত পত্নী, পুত্ৰ, বোৱাৰী আৰু জীয়ৰীৰ লগতে বহু আত্মীয়ক এৰি থৈ যায়।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন